
RUPAHI COLLE
ৰূপলেখ
৭ম সংখ্যা (বৰ্ষ ২০১০-১১

# ৰূপহী মহাবিদ্যালয় আলোচনী

২০১০-২০১১ বর্ষ

(সপ্তম সংখ্যা)

# ৰূপলেখা

## RUPAHI COLLEGE

**Rupahi - Nagaon - Assam**

সম্পাদক
এম. আবু হানিফা

তত্ত্বাৱধায়িকা
অধ্যাপিকা বর্ণালী শর্মা

Ruplekha : An Annual publication of the College students union of Rupahi College, Edited and published by Principal, Rupahi College, Rupahi, Nagaon (Assam) session : 2010-2011

## সম্পাদনা সমিতি

| | |
|---|---|
| সভাপতি | ঃ মাননীয়া নাজনিন খবিৰ হাজৰিকা (ভাৰপ্ৰাপ্ত অধ্যক্ষা) |
| তত্বাৱধায়িকা | ঃ অধ্যাপিকা বৰ্ণালী শৰ্মা |
| সম্পাদক | ঃ এম আবু হানিফা |
| সদস্য/সদস্যা | ঃ মোঃ আজিজুল হক (অধ্যাপক), বন্দনা বৰা (অধ্যাপিকা), সীমা মহান্তী (অধ্যাপিকা), প্ৰবীৰ কুমাৰ পানিগ্ৰাহী (অধ্যাপক) |
| বেটুপাত পৰিকল্পনা | ঃ ভাৰপ্ৰাপ্ত অধ্যক্ষা |
| ফটো আৰু ছবি অঙ্কন | ঃ এম. আবু হানিফা |
| প্ৰকাশক | ঃ অধ্যক্ষা, ৰূপহী মহাবিদ্যালয়, ৰূপহী, নগাঁও |
| মুদ্ৰণ | ঃ কলংপাৰ প্ৰেছ, নিউ মিছন মাৰ্কেট, ডঃ হিউজ ৰোড, নগাঁও (অসম) , ফোন ঃ ৯৪৩৫৩৬৭৫৫১ |

## উচৰ্গা



# সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকা

জন্ম ঃ ১৯২৬ চন, ৮ চেপ্তেম্বৰ, শদিয়া

মৃত্যু ঃ ২০১১ চন, ৫ নৱেম্বৰ, মুম্বাই

# আশীৰ্বাদ



ৰূপহী মহাবিদ্যালয়ৰ মুখপত্ৰ ৰূপলেখালৈ মোৰ আন্তৰিক শুভেচ্ছা আৰু আশীৰ্বাদ থাকিল। ইতিমধ্যে যোৱা ছটা বছৰত ৰূপলেখাৰ ছটা সংখ্যা প্ৰকাশিত হৈ গৈছে। এইটো সপ্তম সংখ্যা, সম্পাদক এম. আবু হানিফা স্নাতক তৃতীয় বৰ্ষৰ অসমীয়াত মেজৰ থকা ছাত্ৰ। তাৰ পৰাই বুজিব পাৰি তেওঁ এজন সাহিত্যানুৰাগী, সাহিত্যপ্ৰেমী ছাত্ৰ। নিজৰ ভাষা সাহিত্যৰ প্ৰতিও তেওঁৰ প্ৰেম গভীৰ। তেওঁৰ সম্পাদনাত ছাত্ৰ-ছাত্ৰী সকলৰ বিভিন্ন বিষয়ত গদ্য-পদ্য ৰচনাত পত্ৰিকাখনৰ সৌষ্ঠৱ বাঢ়িব বুলি মই আশা পুহিছো।স্মৃতিগ্ৰন্থ বিলাক যতনে ৰাখি থোৱা ভাল। এই বিলাকৰ যোগেদি একো একোটা অঞ্চলৰ আৰ্থিক, সামাজিক, শৈক্ষিক আৰু সাংস্কৃতিক জীৱনৰ একোখন ছবি ভৱিষ্যতৰ ৰাইজে বিচাৰি পাব।পাৰিলে বছা বছা কেইটামান গদ্য-পদ্য আৰু সম্পাদকীয় বিলাক গোটাই ৫ বছৰ বা ১০ বছৰৰ মূৰে মূৰে একোখন কিতাপ কৰি প্ৰকাশ কৰিব লাগে। লাইব্ৰেৰী আৰু আজিকালি ইন্টাৰনেটত সেই বিলাকক সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰিব লাগে। মই শ্ৰীমানৰ যোগেদি সদৌ ছাত্ৰ-ছাত্ৰী সকললৈ মোৰ আশীৰ্বাদ জনালোঁ। তেওঁলোকৰ সৰ্বমঙ্গল হওক।

ইতি

**( শ্ৰী মহিম বৰা )**
সাহিত্যাচাৰ্য , পদ্মশ্ৰী
প্ৰাঃ সভাপতি অসম সাহিত্য সভা

# সূচীপত্ৰ


| | | |
|---|---|---|
| দীপ্ত কলম | ঃ | ১—২৪ |
| জোনাকী জীৱন | ঃ | ২৭—৪০ |
| নীলা মহীৰ কলম | ঃ | ৪৩—৫২ |
| সোঁত | ঃ | ৫৪—৬১ |
| যুৱতীৰ আখল | ঃ | ৬২ |
| বিভাগীয় সম্পাদকসকলৰ | | |
| প্ৰতিবেদন | ঃ | ৬৪—৭৫ |
| প্ৰতিভা - সাফল্য | ঃ | ৭৬ |
| ২০১০-১১ বৰ্ষৰ কেইখনমান | | |
| স্মৰণীয় আলোকচিত্ৰ | ঃ | ৭৭—৮১ |
| সানমিহলি | ঃ | ৮২—৮৫ |




# শ্ৰদ্ধাঞ্জলি



## মামণি ৰয়চম গোস্বামী

জন্ম ঃ ১৯৪২ চন, ১৪ নৱেম্বৰ, গুৱাহাটী

মৃত্যু ঃ ২০১১ চন, ২৯ নৱেম্বৰ, গুৱাহাটী

— দীপ্ত কলম

# সূচীপত্ৰ (প্ৰৱন্ধ বিভাগ)

## দীপ্ত কলম


মিচিং জনগোষ্ঠীৰ পৰম্পৰাগত খাদ্য মূল্যায়ন ঃ
এটি অধ্যয়ন ঃ শ্ৰী ববিতা বৰা
সম্বলপুৰত লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য কৰ্ম ঃ শ্ৰী ভদ্ৰকান্ত বৰা
নাৰী ত্যাগী আৰু মহিয়সী ঃ শ্ৰী বন্দনা বৰা
২০১১ চনৰ হেৰুৱা মুকুতা ঃ মুক্তাৰ হুছেইন
সাক্ষাৎকাৰ ঃ এম আবু হানিফা

HISTORY WITH REFERENCE TO INDIAN HISTORIOGRAPHY – A NEW CONCEPT. ঃ MD. REKIBUDDIN AHMED HAJARIKA
What is Education - MD..Boshir Ahmed
Inspiration From Nature - Md. Ansarul Islam


# ৰূপহী মহাবিদ্যালয়



কৰ্মৰত অৱস্থাত ভাৰপ্ৰাপ্ত অধ্যক্ষা নাজনিন খবিৰ হাজৰিকা

নাজনিন খবিৰ হাজৰিকা, ভাৰপ্ৰাপ্ত অধ্যক্ষা

# ভাৰপ্ৰাপ্ত অধ্যক্ষাৰ একলম

আমাৰ ৰূপহী মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'ৰূপলেখা ২০১০-১১' সংখ্যাটো প্ৰকাশ হ'বলৈ যোৱাত মই নথৈ আনন্দিত। মহাবিদ্যালয়ৰ আলোচনী হৈছে ছাত্ৰ-ছাত্ৰী তথা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বৌদ্ধিক দিশৰ তথা সৃজনীশীল বিকাশৰ মাধ্যম। সেয়ে ইয়াৰ নিয়মীয়া প্ৰকাশ অতি আৱশ্যক যদিও বিগত দিনবোৰত ইয়াৰ বছেৰেকীয়া প্ৰকাশনা ধাৰাবাহিকভাৱে সম্ভৱ হোৱা নাছিল। সুখৰ বিষয় যে বিগত বৰ্ষ অৰ্থাৎ ২০১০-১১ বৰ্ষৰ ছাত্ৰ একতা সভা আৰু বিশেষকৈ আলোচনী সম্পাদক, তত্বাৱধায়িকা আৰু সম্পাদনা সমিতিৰ আশাশুধীয়া প্ৰচেষ্টাত যোৱা বছৰৰ দৰে এই বছৰো ৰূপলেখাৰ বাৰ্ষিক সংখ্যা প্ৰকাশ পাবলৈ ওলাইছে। ৰূপহী অঞ্চলৰ নৱ প্ৰজন্মৰ ঐতিহ্য বিকাশৰ উৎস ৰূপে একমাত্ৰ উচ্চ শিক্ষাৰ শিক্ষা কেন্দ্ৰ ৰূপহী মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ বিদ্যায়তনিক উন্নতিৰ লগতে আলোচনীৰ জৰিয়তে বৌদ্ধিক বিকাশৰ এই প্ৰচেষ্টা সজীৱ হৈ থাকক এই আশা ও শুভেচ্ছাৰে-

নাজনিন খবিৰ হাজৰিকা
ভাৰপ্ৰাপ্ত অধ্যক্ষা, ৰূপহী মহাবিদ্যালয়



# মিচিং জনগোষ্ঠীৰ পৰম্পৰাগত খাদ্য মূল্যায়ন
## ঃ এটি অধ্যয়ন ঃ

**শ্ৰীৱবিতা বৰুৱা**, এম এছ চি এম ফিল,
সহকাৰী অধ্যাপিকা, গৃহ বিজ্ঞান বিভাগ, ৰূপহী মহাবিদ্যালয়,

প্ৰকৃতিৰ ৰম্যভূমি উত্তৰ-পূৰ্বাঞ্চলৰ অন্যতম এখন উল্লেখ্যযোগ্য ৰাজ্য হৈছে অসম। অসমীয়া সংস্কৃতি সমন্বয়ৰ সংস্কৃতি। এই সংস্কৃতি গঢ় লৈ উঠিছে বিভিন্ন জাতি-জনগোষ্ঠী, গোষ্ঠী-সম্প্ৰদায় আদিৰ স্বকীয় সংস্কৃতিৰ সংমিশ্ৰণত। এই জাতি-জনগোষ্ঠীসমূহৰ ভাষা, জীৱন-ধাৰণ পদ্ধতি, খাদ্যভাব, সাজপাৰ, ধৰ্মীয় বিশ্বাস আদি ভিন্ ভিন্। এই বৃহত্তৰ অসমৰে ভূমিপুত্ৰ তথা দ্বিতীয় সৰ্ববৃহৎ জনজাতীয় গোষ্ঠী হ'ল মিচিং সম্প্ৰদায়। নৃ-তাত্বিক দিশৰ পৰা মিচিংসকল মঙ্গোলীয় গোষ্ঠীৰ। ভাষাৰ ফালৰ পৰা পৃথিৱীৰ দ্বিতীয় সৰ্ববৃহৎ ভাষা পৰিয়াল 'তিবৃত বৰ্মী' পৰিয়ালৰ উত্তৰ অসম বৰ্মী শাখাৰ অন্তৰ্গত মিচিংসকল অৰুণাচল পাহাৰৰ পৰা অসমৰ ভৈয়াম অঞ্চললৈ প্ৰব্ৰজন ঘটি নিগাজিকৈ থাকিবলৈ লয়। বৰ্তমান মিচিংসকলে অসমৰ ব্ৰহ্মপুত্ৰকে আদি কৰি নৈপৰীয়া অঞ্চলসমূহত কম-বেছি পৰিমাণে ধেমাজী, লখিমপুৰ. শোণিতপুৰ, গোলাঘাট, যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাত বসবাস কৰে।

নৈপৰীয়া তথা কৃষিজীৱী জীৱনক ভালপোৱা মিচিংসকল স্বকীয় ভাষা-সংস্কৃতিৰ দিশত চহকী। এখন দেশৰ প্ৰাকৃতিক আৰু ভৌগোলিক পৰিৱেশৰ ওপৰত ভিত্তি কৰি সেই দেশৰ সাংস্কৃতিক পৰিৱেশ গঢ় লৈ উঠে। মিচিংসকলৰ উমৈহতীয়া খাদ্য সংস্কৃতিটো ইয়াৰ প্ৰতিফলন হোৱা দেখা যায়। আদিতে পাহাৰ-পৰ্বত, হাবি-জংঘল আৰু বৰ্তমানে বিবিন্ন নদীৰ প্ৰান্তৰে প্ৰান্তৰে বসবাস কৰা মিচিংসকলৰ খাদ্যভাসত কিছু বিশেষত্ব দেখা যায়। তেওঁলোকৰ খাদ্য সামগ্ৰী অন্যান্য জনগাষ্ঠীসকলৰ দৰে নিজা বৈশিষ্ট্যপূৰ্ণ।

মিচিংসকলৰ লোকখাদ্য বা পৰম্পৰাগত খাদ্য সম্ভাৰ অতি চহকী আৰু বৈচিত্ৰ্যপূৰ্ণ। অতি প্ৰাচীন কালৰে পৰা পৰ্বত-পাহাৰ, নদ-নদী আদিৰ হাবিময় প্ৰাকৃতিক পৰিৱেশত বসবাস কৰা কৃষিজীৱী আৰু চিকাৰজীৱী মিচিংসকল প্ৰধানকৈ আমিষভোজী। মিচিংসকলৰ প্ৰধান আহাৰ হ'ল ভাত। মিচিংসকলৰ চাহ বা জলপান খোৱাৰ পৰম্পৰা নাই। কিন্তু বৰ্তমান সময়ত কিছু কিছু লোকে ইয়াৰ ব্যৱহাৰ কৰা পৰিলক্ষিত হয়। চিৰা- পিঠা আদিৰ ব্যৱহাৰ মিচিংসকলৰ উৎসৱভিত্তিক। মিচিংলোকে খাদ্যৰ ভিতৰত বিভিন্ন প্ৰজাতিৰ মাছ-কাছ, জীৱ-জন্তু আৰু চৰাই-চিৰিকতিৰ মঙহ, ফৰিং, উইচিৰিঙা আদিৰ নিচিনা পতঙ্, ঘৰচীয়া, বনৰীয়া গুল্ম লতা, তৃণ-বৃক্ষ

জাতীয় সেজীয়া শাক-পাচলি, শিপা বা মূলজাতীয় খাদ্য, সান্দহ-পিঠা, পানীয় (আপং) খাদ্য আদিৰে পৰিপূৰ্ণ আৰু সমৃদ্ধিশালী।

এই গৱেষণা পত্ৰখনি অধ্যয়নৰ পৰিসৰ হিচাপে অসমৰ শোণিতপুৰ জিলাত বসবাস কৰি অহা ভৰালীবাসী মিচিংসকলৰ খাদ্য সংস্কৃতিটোক লোৱা হৈছে। ইয়াৰ মূল লক্ষ্য হৈছে মিচিংসকলৰ দৈনন্দিন আৰু উৎসৱ-পাৰ্বণৰ খাদ্য সম্ভাৰত নিহিত থকা পৰিপোষকসমূহৰ মূল্যায়ন বিশ্লেষণাত্মক পদ্ধতিৰে প্ৰয়াস কৰাৰ চেষ্টা কৰা হৈছে। তথ্য সংগ্ৰহৰ বাবে প্ৰাথমিক উৎসৰ উপৰিও গৌণ উৎস যেনে- বাতৰি কাকত, বিভিন্ন আলোচনী,স্মৃতিগ্ৰন্থ, গৱেষণা পত্ৰ, কিতাপ ইত্যাদিৰ সহায় লোৱা হৈছে।

**মিচিংসকলৰ খাদ্যাভাষ ঃ** জীয়াই থাকিবলৈ খাদ্যৰ প্ৰয়োজন। খাদ্যই হ'ল প্ৰাণ শক্তিৰ আধাৰ। খাদ্যত নিহিত হৈ থকা সাৰ উপাদানসমূহে শৰীৰটোক সুস্থ-সবল কৰি তোলাত সহায় কৰে। শাস্ত্ৰত কৈছে-

আহাৰ নিদ্ৰা ভয় মৈথুনাচ
সামান্য মেতদ পশুভি নৰানাম।।

অৰ্থাৎ জীৱ-জন্তু, পশু-পক্ষী আৰু জীৱশ্ৰেষ্ঠ মানুহৰ আহাৰ, নিদ্ৰা, ভয় আৰু মৈথুন প্ৰভৃতি প্ৰদত্ত বৈশিষ্ট্য। এই চাৰি বৈশিষ্ট্যৰ পৰা কোনো জীৱই কোনো কালে মুক্ত নহয়। এই আহাৰ বা খাদ্য ও চৰ্ব-চৰ্য্য-লেহ্য-পেয় অৰ্থাৎ চোবাই খোৱা, চুহি খোৱা, চেলেকি খোৱা আৰু পি খোৱা এই চাৰি প্ৰকাৰত বিভক্ত। ঠিক সেইদৰে মিচিংসকলৰ খাদ্যসম্ভাৰতো এই চাৰিপ্ৰকাৰ খাদ্যৰ প্ৰতিফলন হয়।

পূৰ্বতেই উল্লেখ কৰি অহা হৈছে যে মিচিংসকলৰ প্ৰধান আহাৰ হ'ল ভাত। চাহ বা জলপান খোৱাৰ পৰম্পৰা মিচিং সমাজত নাই। সম্প্ৰতি কোনো কোনো অঞ্চলত চাহ জলপানৰ ব্যৱহাৰ মিচিং সমাজতো নকৰাকৈ থকা নাই। চিৰা-পিঠাৰ ব্যৱহাৰ মিচিংসকলে অনামিচিং সমাজৰ পৰা বিশেষকৈ অসমীয়া ভাষী সমাজৰ পৰাহে গ্ৰহণ কৰিছে। সেই কাৰণে চিৰা-পিঠাৰ ব্যৱহাৰ মিচিং সমাজত উৎসৱভিত্তিক, বিশেষকৈ কাতি আৰু মাঘ বিহুত চিৰা বা কৰাইগুৰি (আমবুগ) আৰু ব'হাগ বিহু বা ৰঙালী বিহুত পিঠা ব্যৱহাৰ কৰা দেখা যায়। তেওঁলোকৰ নিজা কৃষি উৎসৱ আলি-আ য়ৌ লৃগাং ত পুৰাং (তৰাপাতত বান্ধি সিজোৱা এবিধ ভাত) ব্যৱহাৰ কৰা হয়। উৎসৱ-পাৰ্বনৰ বাহিৰে অন্য দিশত পুৰা পিনকাং আপিন্ (কৰ্কৰা ভাত) খোৱাৰ অভ্যাস আছে।

মিচিং লোকসকলৰ মাজত বহুলভাৱে প্ৰচলিত পানীয় বিধৰ নাম আপং। মিচিংসকলে আপং দৈনন্দিন জীৱনত ব্যৱহাৰ কৰাৰ উপৰি উৎসৱ-পৰ্বৰ, ধৰ্মীয় কাম-কাজ আৰু অপদেৱতাৰ নৈবেদ্য ৰূপেও ব্যৱহাৰ কৰি আহিছে। মিচিংসকলে দুবিধ আপং ব্যৱহাৰ কৰে। (ক) নগজিন বা নগিন আপং (বগা মদ) আৰু (খ) পঃ ৰ আপং (ছাইমদ)।

আপং মূলতঃ চাউলৰ পৰা প্ৰস্তুত কৰা হয়। বৰা, জহা, বাও আদিৰে তৈয়াৰ কৰা আপং সদায় উৎকৃষ্ট। কোনো কোনোৱে পকা কঁঠাল, কণীধান, ভীমকল আদিৰ পৰাও আপং প্ৰস্তুত নকৰা নহয়। আপং তৈয়াৰ কৰিবলৈ পোনতে চাউল অথবা ফলখিনি ভাতৰ দৰে সিজাই ডলা এখনত ঠাণ্ডা হ'বলৈ মেলি দি হাবিৰ পৰা সংগ্ৰহ কৰা ঔষধি গুণসম্পন্ন বনপাত আনি গুড়ি কৰি ৰ'দত শুকুৱাই পিঠাগুড়িত পানী মিহলাই তৈয়াৰ কৰা আপপ (বাখৰ) সিদ্ধ কৰি থোৱা ভাতৰ সৈতে মিহলাই শুকান কলহত ধানখেৰেৰে সোপা দি ৰখাৰ তিনিদিনৰ পিছত সেইখিনি পকি উঠে। নিৰ্দিষ্ট দিনত পকি উঠা ভাতখিনি কলহৰ পৰা উলিয়াই পৰিমাণ মতে পানী ঢালি চেকিলে যি বগা বা পাতল গুলপীয়া ৰস নিসৃত হয়, সেয়ে নগিন আপং।





পঃৰ আপং প্ৰস্তুত কৰিবলৈ হ'লে পোনতে চাউলখিনি পানীত সিজাই কিছু সময় ডলাত মেলি দি ধানখেৰ আৰু তুঁহগুড়িৰ ছাঁইৰে ভাতখিনি সানি পুনৰবাৰ ঔষধিযুক্ত আপঙৰ গুড়িৰে মিহলাই পোৱা কলহত কেঁচা কলপাতৰ মেৰনি দি দহ-পোন্ধৰ দিন ভালকৈ বান্ধি ৰাখি পকি উঠাৰ পাছত ভালখিনি (আৰুগ) উলিয়াই বাঁহৰ জুলকিত (তাঃ চুগা) ভৰাই অলপ অলপকৈ পানী ঢালি চেকিলে যি কলা কজলা ৰঙা ৰঙৰ ৰস নিসৃত হয়, সেয়ে পঃৰ আপং বা ছাঁইমদ। আপঙে মিছিং জনগোষ্ঠীক জীয়াই থকাৰ প্ৰেৰণা যোগায়।[১]

পূজা-পাতল, সকাম-নিকাম, উৎসৱ-পাৰ্বন, অতিথি আপ্যায়ন আদিত গাহৰি, কুকুৰা আৰু মদৰ লগতে দুয়োবিধ আপঙৰ প্ৰচুৰ ব্যৱহাৰ আছে। পৰম্পৰাগত খাদ্যৰ ভিতৰত গাহৰি মাংসৰ লগত বনৰীয়া শাকৰ ব্যৱহাৰ মন কৰিবললগীয়া। অতিথিক গাহৰি মাংস আৰু আপঙেৰে আপ্যায়িত কৰি মিচিং পৰিয়ালে গৌৰৱবোধ কৰে।

স্বকীয় কৌশলেৰে ৰন্ধা মিচিং খাদ্য প্ৰণালীসমূহ যেনে- শুকান মাছ বা মাংস, নামচিং (শুকুতি) আমৃন অয়ুং (চাউলৰ খুদেৰে ৰন্ধা আঞ্জা), ৰাঃচৰ বা লাঃচৰ (সিদ্ধ শাক), বাঁহ আৰু বেতৰ গাঁজ, তাঃপাৰ (কাঠফুলা), বাঃনাম্ (পোৰা) পাম্‌নাম (পাতত দিয়া) আদি উপকৰণ তেওঁলোকৰ প্ৰিয় খাদ্য। ঘৰৰ ভেটিৰ লগত সংলগ্ন শাকনিবাৰীৰ পৰিৱৰ্তে সাধাৰণতে মিচিংসকলে বনৰীয়া শাক-পাচলিহে বুটলি খায়।

মিচিং সমাজৰ ৰন্ধন প্ৰকৰণত তেলৰ ব্যৱহাৰ নাছিলেই বুলিব পাৰি। এতিয়াও গাঁওসমূহত তেলৰ ব্যৱহাৰ কম। উৎসৱ-পাৰ্বন, পূজা-পাতল, আলহী শুশ্ৰূষা আদি উপলক্ষতহে তেলৰ ব্যৱহাৰ হয়। সি যি কি নহওক, অৰণ্য ধ্বংসৰ ব্যাপকতা বৃদ্ধি হোৱাৰ লগে লগে পূৰ্বৰ বনৰীয়া শাক-পাচলিবোৰ এতিয়া সহজলভ্য নোহোৱা হ'ল। সেইকাৰণে মিচিংসকলেও আজিকালি শাক-পাচলিৰ খেতি কৰাৰ উপৰিও স্থায়ী বাৰী পতাৰ প্ৰথাও গ্ৰহণ কৰিছে।

মিচিং লোক খাদ্যৰ ৰন্ধন শৈলী, প্ৰস্তুত কৰা, সংৰক্ষণ প্ৰণালী আদি খাদ্যৰ প্ৰকাৰ অনুযায়ী ভিন্নতা পৰিলক্ষিত হ'লেও মূলতঃ খাদ্যৰ পৰিপোষকৰ মূল্য অভিন্ন ৰূপতেই পোৱা যায়। এই লেখাটিত মিচিং লোকসকলৰ খাদ্যাভাষৰ উপৰিও বিশেষকৈ মিচিঙৰ খাদ্য সম্ভাৰত নিহিত হৈ থকা পৰিপোষকৰ গুণাগুণসমূহৰ বিশ্লেষণৰ আধাৰত যুগুতোৱা হৈছে।

অতীতৰে পৰা মানুহৰ প্ৰধান প্ৰয়োজনীয় সামগ্ৰীসমূহৰ ভিতৰত খাদ্যই এক গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আহিছে। মিচিংসকলো ইয়াৰ ব্যতিক্ৰম নহয়। পুষ্টি গুণসম্পন্ন আহাৰে শৰীৰত শাৰীৰিক, মানসিক আৰু নৈতিক শক্তি বৃদ্ধি কৰে। অৱশ্যে খাদ্য বিশেষে পৰিপোষকসমূহৰ পৰিমাণো বেলেগ বেলেগ হয়। মিচিংসকলৰ লোক খাদ্যত বিভিন্ন পৰিপোষকসমূহ যেনে- কাৰ্বহাইড্ৰেট, প্ৰ'টিন, স্নেহ পদাৰ্থ, খনিজ লৱন, ভিটামিন আদি নিৰ্দিষ্ট অনুপাতত নিহিত হৈ থকা পৰিলক্ষিত হয়। তলত মিচিং খাদ্য সম্ভাৰত থকা পৰিপোষক সমূহৰ মূল্যায়নৰ এটি চমু আভাষ দাঙি ধৰা হ'ল।

**শ্বেতসাৰ জাতীয় খাদ্য হিচাপে মিচিং লোকৰ আহাৰৰ মূল্যায়ন ঃ** কৃষিপ্ৰেমী মিচিঙৰ খাদ্যসম্ভাৰত বিভিন্ন প্ৰকাৰৰ খাদ্যৰ ভিতৰত শ্বেতসাৰ জাতীয় খাদ্য অন্যতম। সাধাৰণতে ধানজাতীয় শস্য খাদ্যসমূহেই হৈছে শ্বেতসাৰ জাতীয় খাদ্য। ধান মিচিংসকলৰ প্ৰধান খেতি। সেয়েহে ইয়াৰ লোকে ইয়াৰ পৰা প্ৰস্তুত কৰা বিভিন্ন ধৰণৰ খাদ্যবস্তু আহাৰ হিচাপে গ্ৰহণ কৰে। মিচিং লোকৰ প্ৰধান আহাৰ ভাত। তদুপৰি জলপান হিচাপে ধান-চাউলৰ পৰা প্ৰস্তুত কৰা চিৰা, পিঠা-পনা, পিঠাগুড়ি, সান্দহ আদি মিচিং লোকৰ আহাৰ। প্ৰধান খাদ্য চাউল গ্ৰহণ কৰে যদিও চাউলৰ প্ৰকাৰ অনুসৰি পৰিপোষকৰ পৰিমাণো বেলেগ

[১] *(নাৰায়ণ দাস অন্যান্য সম্পাদিত, অসমৰ সংস্কৃতিৰ কোষ, জ্যোতি প্ৰকাশন, গুৱাহাটী, ২০০৯, পৃষ্ঠা - ৮৫)*

হয়। আকৌ চাউল উলিওৱা প্ৰণালী ভেদে ঢেঁকীত বনা, কলত বনা আৰু উখোৱা চাউল পোৱা যায়। ঢেঁকীত বনা চাউল ৰঙচুৱা বৰণৰ হয়, কিন্তু তাত ভিটামিন ডি অধিক পৰিমাণে থাকে। চাউলৰ প্ৰধান অংশ হৈছে শ্বেতসাৰ, সামান্য পৰিমাণে ফচফৰাচো চাউলত পোৱা যায়। এই শ্বেতসাৰ জাতীয় খাদ্য বস্তুৰ পৰা শৰীৰৰ শক্তি যোগানধাৰী কাৰ্বহাইড্ৰেট পোৱা যায়।

তলৰ তালিকাত প্ৰধান শ্বেতসাৰ জাতীয় খাদ্য চাউলত থকা পৰিপোষকৰ পৰিমাণ দেখুওৱা হ'ল-

শ্বেতসাৰ জাতীয় শস্য (চাউল)ত থকা পৰিপোষকৰ পৰিমাণ (প্ৰতি ১০০ গ্ৰামত)[২]

| খাদ্য বস্তু | প্ৰ'টিন গ্ৰাম | কাৰ্বহাইড্ৰেট গ্ৰাম | কেলছিয়াম মিঃ গ্ৰাম | ফচফৰাচ মিঃ গ্ৰাম | লো মিঃ গ্ৰাম | থায়মি মিঃ গ্ৰাম | কেলৰি |
|---|---|---|---|---|---|---|---|
| চাউল (ঢেঁকীত বনা) | ৭.৫ | ৭৬.৭ | ১০ | ১৯০ | ৩.২ | ০.২১ | ৩৪৬ |
| চাউল (কলত বনা) | ৬.৮ | ৭৮.২ | ১০ | ১৬০ | ৩.১ | ০.০৬ | ৩৪৫ |
| চাউল উখোৱা | ৬.৪ | ৭৯ | ৯ | ১৪৩ | ৪.০ | ০.২১ | ৩৪৮ |

**শাক-পাচলিজাতীয় খাদ্য ঃ** শাক-পাচলি খোৱা ৰীতি সমগ্ৰ ভাৰতবৰ্ষতে প্ৰচলিত। মিচিং লোকো ইয়াৰ ব্যতিক্ৰম নহয়। যোগিনীতন্ত্ৰতো বহুবিধ শাক-পাতৰ নাম পোৱা যায়। বনৰীয়া আৰু কৃষিজাত উভয়বিধ শাক-পাচলি মিচিং লোকৰ প্ৰিয় খাদ্য। বিভিন্ন ৰন্ধন প্ৰণালীৰে সু-স্বাদুযুক্ত আঞ্জা ৰন্ধাৰ উপৰিও মিচিং লোকে শাক-পাচলি ভাজি, পুৰি বা খৰিকাত দি আৰু ভাতত দিয়ো খায়।

শাক-পাচলিত শৰীৰৰ বাবে প্ৰয়োজনীয় বহুতো লাগতিয়াল পৰিপোষক পোৱা যায়। শাক-পাচলিসমূহক কেইবাটাও ভাগত ভাগ কৰিব পাৰি। যেনে- সেউজীয়া শাক-পাত, গুটি-পাচলি, ফল-পাচলি, কন্দ বা শিপা পাচলি আৰু অন্যান্য পাচলি।

**সেউজীয়া শাক ঃ** বিভিন্ন প্ৰকাৰৰ সেউজীয়া শাক-পাত যেনে- কচু শাক, ভেদাইলতা, ঢেকীয়া, নৰসিংহ পাত, কলমৌ, পনৌনৌৱা, দোৰোন, চাঁউেটেঙা, পুৰৈ শাক, জিলমিল শাক, মানিমুনি শাক, পালেং, মৰিছা, পিয়াজৰ পাত, চজিনাৰ পাত আদিত ভিটামিন এ, খনিজ লৱন আৰু চেলুলজ পোৱা যায়।

**গুটি পাচলি ঃ** উৰহী, মটৰ মাহ আদি কেঁচা আৰু কোমল অৱস্থাত পাচলি হিচাপে খোৱা হয়। এনেবোৰ গুটি পাচলিত উদ্ভিজ প্ৰ'টিন, ভিটামিন চি, খনিজ লৱন, চেলুলজ আদি পোৱা যায়।

**কন্দ বা শিপাজাতীয় পাচলি ঃ** বিভিন্ন কন্দজাতীয় পাচলি যেনে- আলু, ৰঙা আলু, কচু, কাঠ আলু, শিমলু আলু, মূলা, গাজৰ আদিত শ্বেতসাৰ, ভিটামিন চি, কেৰটিন আৰু কিছু পৰিমাণে খনিজ লৱন পোৱা যায়।

**ফল-পাচলি ঃ** কাচকল, কঁঠাল, অমিতা, তিয়হ, বিলাহী আদি ফল পাচলিৰ অন্তৰ্গত। এনেবোৰ ফল-পাচলিৰ পৰা খনিজ লৱন, ভিটামিন, কাৰ্বহাইড্ৰেট আদি পোৱা যায়।

**ফল-মূল জাতীয় খাদ্য ঃ** সকলো মানুহেই ফল-মূল খায়। মিচিং খাদ্য সম্ভাৰত ফল-মূলৰস্থান সুকীয়া। আনকি আপং তৈয়াৰীকৰণতো ফল-মূল ব্যৱহাৰ হয়। ফল-মূলসমূহ পুষ্টিকাৰক খাদ্য। ইয়াত আৱশ্যকীয় পৰিপোষকসমূহ কম-বেছি পৰিমাণে পোৱা যায়। ফলত থকা পৰিপোষকসমূহ হৈছে যথাক্ৰমে শৰ্কৰা, শ্বেতসাৰ ভিটামিন, খনিজ

২। *G. Gopalan and R. Sastri etal- Nutritive value of Indian foods, ICMR, Hydrabad-47*





লৱন। ফলত থকা চেলুলজ আৰু পেকটিন পৰিপোষক নহয় যদিও শৰীৰৰ বৰ্জনীয় অংশ বাহিৰ কৰি দিয়াত ইহঁত দুয়োৰে প্ৰয়োজন। স্বাস্থ্য অটুট ৰাখিবলৈ অতীতৰ পৰাই মিচিং লোকে বতৰৰ বিভিন্ন ধৰণৰ ফল-মূল খাই আহিছে।

ফলমূলত অৱশ্যে ঔষধি গুণো যথেষ্ট বৰ্তি থাকে। ই খাদ্য বস্তু সহজে হজম কৰাত সহায় কৰে। তদুপৰি ফলত পটাছিয়াম লৱন পোৱা যায়। টেঙা ফল যেনে- নেমু, কৰ্দৈ, আমলখি আদিত প্ৰচুৰ পৰিমাণে ভিটামিন চি থাকে। শুকান ফল যেনে- বেদানা,

খেজুৰ আদিত যথেষ্ট পৰিমাণে প্ৰ'টিন, স্নেহপদাৰ্থ, খনিজ লৱন আৰু ভিটামিন পোৱা যায়।

**মাছ-পুঠি জাতীয় খাদ্য ঃ** নৈপৰীয়া মিচিংসকলৰ মাছ-পুঠি বৰ প্ৰিয় খাদ্য। নদ-নদী, খাল-বিল আদিৰে পৰিপূৰ্ণ অসম দেশ। বিভিন্ন ধৰণৰ সৰু-বৰ মাছ-পুঠি ইয়াত বিৰাজমান। বিভিন্ন ৰন্ধন প্ৰণালীৰে জুতি লগাকৈ আঞ্জা ৰান্ধি খোৱাৰ উপৰিও মিচিং লোকে মাছ ভাজি, পুৰি, খৰিকাত দি আৰু পাতত দি অতীতৰে পৰা খাই আহিছে। সৰু-বৰ বিভিন্ন মাছত থকা পৰিপোষকৰ মূল্যায়নৰ ক্ষেত্ৰত দেখা যায় যে, মাছত ঘাইকৈ প্ৰ'টিন থাকে আৰু কিছু পৰিমাণে স্নেহ পদাৰ্থও থাকে। প্ৰ'টিনৰ পৰিমাণ ১৬-২০ শতাংশ আৰু এই প্ৰ'টিন উৎকৃষ্ট পৰ্যায়ৰ। মাছৰ কণীত ৩০ শতাংশ প্ৰ'টিন থাকে। কিছুমান মাছত যেনে- ইলিছ, আৰি, বৰালী মাছত ১৯.৭ শতাংশ স্নেহ পদাৰ্থ পোৱা যায়। মাছত স্নেহ পদাৰ্থ ভিটামিন এ আৰু ভিটামিন ডি যথেষ্ট পৰিমাণে পোৱা যায়। বেছিভাগ মাছতেই কেলছিয়াম, ফছফৰাছ আদি খনিজ লৱন থাকে।

**মঙহজাতীয় খাদ্য ঃ** মিচিংসকলৰ খাদ্য সম্ভাৰত বিভিন্ন প্ৰজাতিৰ সৰু-বৰ জীৱ-জন্তু, চৰাই-চিৰিকতি বিশেষকৈ গাহৰি বা কুকুৰা চৰাইৰ মঙহ পুৰি, ভাজি, শুকুৱাই জুতি লগাকৈ ৰান্ধি খাই অহাটো পৰিলক্ষিত হয়।

খাদ্য মূল্যায়নৰ ক্ষেত্ৰত বিশ্লেষণ কৰিলে দেখা যায় যে মাংসত থকা প্ৰ'টিন উৎকৃষ্ট পৰ্যায়ৰ। শৰীৰৰ বৃদ্ধি আৰু বিকাশৰ ক্ষমতা ইহঁতৰ বেছি হয়। প্ৰ'টিনৰ উপৰিও মাংসত স্নেহ পদাৰ্থ, নানা ধৰণৰ খনিজ লৱন আৰু স্নেহ দ্ৰব্য ভিটামিন এ আৰু ডি থাকে। কুকুৰা, হাঁহ আৰু গাহৰি মাংসত অধিক পৰিমাণে চৰ্বি থাকে। কিছুমান মাংসত থকা পৰিপোষকৰ পৰিমাণ দেখুওৱা হ'ল-

কিছুমান মাংসত থকা পৰিপোষকৰ পৰিমাণ (প্ৰতি ১০০ গ্ৰামত)[৩]

| খাদ্য প্ৰ'টিন বস্তু | প্ৰ'টিন গ্ৰাম | স্নেহ গ্ৰাম | কেলছিয়াম মিঃ গ্ৰাম | ফচফৰাচ মিঃ গ্ৰাম | লো মিঃ গ্ৰাম | কেলৰি |
|---|---|---|---|---|---|---|
| হাঁহ | ২১.৬ | ৪.৮ | ৪ | ২৩৫ | - | ১৩০ |
| পাৰ | ২৩.৯ | ৪.৯ | ৩০ | ২০০ | ২.২ | ১১৪ |
| কুকুৰা | ২৫.৯ | ০.৬ | ২৫ | ২৪৫ | - | ১৩৯ |
| মাংস (ছাগলী) | ২১.৪ | ৩.৬ | ১২ | ১৯৩ | - | ১১৮ |
| মাংস (গাহৰি) | ১৮.৭ | ৪.৪ | ৩০ | ২০০ | - | ১১৪ |

**পানীয় খাদ্য হিচাপে মিচিং খাদ্য সম্ভাৰৰ মূল্যায়ন ঃ** মিচিংসকলৰ খাদ্য সংস্কৃতি পানীয় দ্ৰব্য হিচাপে আপঙৰ এক সুকীয়া স্থান আছে। মিচিংসকলে দুয়োবিধ আপং যেনে- নাগজিন আৰু পঃৰ আপঙৰ ব্যৱহাৰ দৈনন্দিন জীৱনত ব্যৱহাৰ কৰাৰ উপৰিও উৎসৱ-পাৰ্বন, ধৰ্মীয় কাম-কাজ সকলোতে ব্যৱহাৰ কৰা হয়। খাদ্য মূল্যায়নৰ ক্ষেত্ৰত পৰিপোষকৰ বিশ্লেষণ কৰিলে দেখা যায় যে প্ৰচুৰ পৰিমাণে পৰিপোষক কাৰ্বহাইড্ৰেট, ভিটামিন, খনিজ লৱন আৰু কিছু পৰিমাণে স্নেহ পদাৰ্থও পানীয় দ্ৰব্যত পোৱা যায়। নিৰ্দিষ্ট মাপত ব্যৱহাৰ

৩। *অলকা ভট্টাচাৰ্য্য, পূৰ্বোল্লিখিত গ্ৰন্থ, পৃ.২১১*

কৰিলে পানীয় দ্ৰব্যই পিয়াহ নিবাৰণৰ লগতে দেহত পানী যোগান ধৰে।

**সামৰণি ঃ** সামৰণিত ইয়াকে ক'ব পাৰি যে খাদ্য সম্ভাৰৰ এটা স্বকীয় বৈশিষ্ট্য আছে। মিচিং লোক আহাৰত নিহিত হৈ থকা খাদ্য বস্তুবোৰত কম-বেছি পৰিমাণে সকলোধৰণৰ পৰিপোষক পোৱা যায়। এই পৰিপোষকসমূহে দেহৰ শাৰীৰিক আৰু মানসিক বিকাশ সাধনত যথেষ্ট অৰিহনা যোগায়। মুঠতে একেষাৰতে ক'বলৈ গ'লে দেহৰ পৰিপুষ্টি, শক্তি আহৰণৰ বাবে আৰু দেহৰ আভ্যন্তৰিণ ক্ৰিয়া-কলাপ সুচাৰুৰূপে পৰিচালিত কৰিবলৈ হ'লে খাদ্যত যেনেধৰণৰ পৰিপোষক থকা দৰকাৰ সেই সকলো বিলাক পৰিপোষক নিৰ্দিষ্ট মাত্ৰাত মিচিং খাদ্য সম্ভাৰত পোৱা যায়।


**সহায়ক গ্ৰন্থপঞ্জী (অসমীয়া) ঃ**

১। বৰদলৈ, নিৰ্মলপ্ৰভা, অসমৰ লোক-সংস্কৃতি, গুৱাহাটী-১৯৭২।

২। ভট্টাচাৰ্য্য অলকা আৰু অন্যান্য সম্পাদিত, গৃহবিজ্ঞান (প্ৰথম খণ্ড), অসম বুক হাউচ, পাণবজাৰ, গুৱাহাটী-২০০২।

৩। দাস, নাৰায়ণ আৰু অন্যান্য সম্পাদিত, অসমৰ সংস্কৃতিৰ কোষ, ধেমাজি, ডি কে কলিতা, কিৰণ প্ৰকাশনৰ পাব্লিকেশ্বন, ২০০৯।

৪। দলে ড° বি কে অসমৰ জনজাতীয় এটি পৰিচয় (অসম সাহিত্য সভা), ধেমাজি, ডি কে কলিতা, কিৰণ প্ৰকাশনৰ পাব্লিকেশ্বন, ২০০৯।

৫। জ্যোতি কুলি, ডাঃ জৱাহৰ, মিচিং সংস্কৃতি, কৌস্তুভ প্ৰকাশৰ, ডিব্ৰুগড়, ২০০৩।

**সহায়ক গ্ৰন্থপুঞ্জী (ইংৰাজী) ঃ**

1. Begum P, Relation of food to health, New Delhi, Sterling Publishers Pvt. Ltd. 2007.

2. Gopalan G. and Sastri R. etal-Nutritive value of Indian foods, ICMR, Hydrabad-2000.

3. Mullick P, Text Book of Home Science, Kalyani Publishers, New Delhi-1999.




## কৌতুক

মঃ ইনামুল ইছলাম, উঃ মাঃ ১ম বৰ্ষ

১। ৰতন ঃ মা, মা ৰাণীয়ে পোক এটা গিলি পেলাইছে।
মাঃ তুমি তেতিয়া কি কৰিলা?
ৰতন ঃ ডেচিচ অলপ খুৱাই দিছো। যাতে পোকটো মৰি যায়।

২। যাত্ৰী - অ'ই গাড়ীত ছীট আছেনে?
কনডাক্টৰ - অ আছে, এয়া মানুহ বোৰ ছীটতে বহি আছে।

৩। পুতেক - দেউতা মই কাৰ সন্তান?
দেউতা - মই তোৰ দেউতা কিন্তু তই মোৰ সন্তান নহয়।
পুতেক - দেউতা, আপুনি এইবোৰ কি কথা কৈছে, এইটো হ'বই নোৱাৰে?
দেউতা - এ হয়, তই মাৰৰ সন্তান, তাইহে তোক জন্ম দিছে।





# সম্বলপুৰত লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য-কৰ্ম


**ভদ্ৰকান্ত বৰা,**

সহযোগী অধ্যাপক, অসমীয়া বিভাগ, ৰূপহী মহাবিদ্যালয়


প্ৰাচীন ভাৰতৰ কোশল ৰাজ্যৰ অংশ বিশেষ পশ্চিম উৰিষ্যাৰ প্ৰাণ কেন্দ্ৰ সম্বলপুৰ এখন সাহিত্য সংস্কৃতিত চহকী চহৰ। কলিকতাৰ পৰা দক্ষিণ-পশ্চিমে ৬৫০ কিলোমিটাৰ দূৰত অৱস্থিত সম্বলপুৰৰ ধন আৰু ঐশ্বৰ্যৰ অধিষ্ঠাত্ৰী দেৱী হ'ল 'ছমলেশ্বৰী'। এই দেৱী গৰাকীৰ আশীৰ্বাদক সম্বল কৰিয়েই 'সম্বলপুৰ' চহৰৰ নামকৰণ হৈছে বুলি জনা যায়। এই চহৰত থকা গৌৰৱময় ইতিহাসৰ মূক সাক্ষী বহু পুৰণা মন্দিৰ আৰু এটা ধ্বংস প্ৰাপ্ত দুৰ্গক মুখ্য কেন্দ্ৰ হিচাপে লৈ সম্বলপুৰ জিলা সৃষ্টি হৈছিল।

উনৈশ শতিকাৰ মাজভাগলৈকে সম্বলপুৰ সাএ বংশৰ ৰজাৰ অধীনত এখন ফিউদাৰী ইষ্টেট আছিল। সাএ বংশৰ শেষ ৰজাৰ কোনো সতি-সন্ততি নথকাৰ সুযোগ লৈ ব্ৰিটিছে সম্বলপুৰ ৰাজ্যৰ শাসন ১৮৪৯ চনত নিজৰ হাতলৈ নিয়ে। ইয়াৰ প্ৰতিবাদত পূৰ্বৰ ৰজাৰ ভায়েক সুৰেন্দ্ৰৰ সাএ-ৰ নেতৃত্ব বীৰ সম্বলপুৰ বাসীয়ে ব্ৰিটিছৰ বিৰুদ্ধে তীব্ৰ সংগ্ৰাম চলায় আৰু শেষত হাতত অস্ত্ৰ তুলি লয়। ১৮৬৪ চনত ব্ৰিটিছ শক্তিয়ে এই সংগ্ৰামক কঠোৰ হাতে দমন কৰি সুৰেন্দ্ৰৰ সাএক ফাঁচি কাঠত ওলমায় আৰু তাৰ পিছৰ পৰাই সম্বলপুৰ ব্ৰিটিছ সাম্ৰাজ্যৰ প্ৰত্যক্ষ অংগ হৈ পৰে।

বিংশ শতাব্দীৰ প্ৰথম ভাগত একমাত্ৰ 'ঝাৰসুগুৰা' মহকুমাক লৈ সম্বলপুৰ এখন সৰু চহৰ আছিল। সেই সময়ত চহৰ খনৰ জনসংখ্যা প্ৰায় দহ হাজাৰ মান আছিল আৰু তাৰে বহু সংখ্যক লোক কোল সম্প্ৰদায়ৰ আছিল। চহৰ খনৰ যোগাযোগৰ ব্যৱস্থা আছিল অনুন্নত। কলিকতাৰ পৰা সম্বলপুৰলৈ যাতায়তৰ একমাত্ৰ উপায় আছিল ৰেল সেৱা। ঈব, কোলাব, ঝিৰা আদি মহানদীৰ উপনৈবিলাকৰ ঢৌ সমৃদ্ধ সম্বলপুৰ ভুখণ্ডৰ চাৰিওফালে পৰ্বত, হাবি আৰু মনোৰম শাল গছেৰে পৰিপূৰ্ণ। বাঘ, বনৰীয়া গাহৰি, পহু আদি বিভিন্ন জন্তু আৰু চৰাই চিৰিকটিৰে হাবি-জংঘল পূৰ্ণ হৈ আছিল। মুগা, এবিধ কাঁহ আৰু পিতলৰ বাচন বাবেও চহৰখন বিখ্যাত। সম্বলপুৰ ভূ-খণ্ড উৰ্বৰ আৰু ইয়াত বছৰি দুটা খেতি হয়। খেতি চপোৱাৰ পিছতে

পতা উৎসৱটোক 'নুআখাই' বুলি কোৱা হয়।

অসমীয়া সাহিত্যৰ প্ৰবাদ পুৰুষ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন নাটৰ সুদীৰ্ঘ বিশ বছৰৰ কৰ্মস্থলী আৰু বাসস্থলী আছিল সম্বলপুৰ। ৪৯ বছৰ বয়সত সম্বলপুৰলৈ যোৱা বেজবৰুৱাই জীৱনৰ অন্তিম মুহূৰ্তলৈকে সম্বলপৰৰ স্মৃতি পাহৰিব পৰা নাছিল। ৭৩ বছৰ বয়সত ডিব্ৰুগড়ত নৰিয়া পাটীত পৰি থকা অৱস্থাতো তেওঁ পুনৰ সম্বলপুৰলৈ ঘুৰি যোৱাৰ যা-যোগাৰ কৰিছিল। বেজবৰুৱাই নিজৰ দাদা তুল্য বন্ধু ভোলানাথ বৰুৱাৰ লগত যুটীয়াভাৱে কৰা কাঠৰ ব্যৱসায় বাদ দি ১৯১৭ চনৰ ৪ ছেপ্তেম্বৰৰ দিনা সম্বলপুৰলৈ ৰাওনা হয়। সম্বলপুৰক কৰ্মস্থলী হিচাপে বাচি লোৱা সম্পৰ্কত বেজবৰুৱাই 'মোৰ মৃগয়া'ত লিখিছে - 'মই ভাবিলো, মোৰ ব্যৱসায়টো গ'লেই এতিয়া কিংকৰ্তব্য! পালে এটা চাকৰিকে কৰা উচিত নতুবা 'ভোজনংমত্ৰতত্ৰচ মৰণং গোমতীৰে বা 'গংগাতীৰে'। ৱাৰ্ড কোম্পানীৰ টিম্বৰ আৰু আন এটা গোটা চেৰেক ডিপাৰ্টিমেণ্টৰ বৰ চাহাব মিষ্টাৰ কাৰ্কপেটিকেৰে সৈতে চিনাকি হৈ তেওঁৰ আগত মোৰ দুখৰ কাহিনী ক'লত, তেওঁ মোক তেওঁলোকৰ ফাৰ্মত চাকৰি এটা দি সহায় কৰিবলৈ গাত ল'লে। ১৯১৭ চনৰ 'শেষচোৱাত সম্বলপুৰ ৱাৰ্ড কোম্পানীয়ে বিহাৰ-উৰিষ্যা গভৰ্ণমেণ্টৰ পৰা পাঁচ বছৰৰ নিমিত্তে বন্দৱস্ত কৰি জংঘল ল'লে তাৰ আগেয়ে মই সম্বলপুৰলৈ আহোতে ডিভিজনেল ফৰেষ্ট অফিচাৰৰ সৈতে দেখা কৰি সেই বিষয়ে ঠিক কৰিছিলোঁ। জংঘল লোৱা হ'লত ৱাৰ্ড কোম্পানীয়ে মোক তেওঁ লোকৰ জংঘলৰ কাম মেনেজ কৰিবৰ নিমিত্তে পঠিয়াই দিলে আৰু মোৰ দৰমহা গাড়ীৰ খৰচ কোম্পানীয়ে দিছিল। ১৯১৭ খৃষ্টাব্দৰ ছেপ্তেম্বৰ মাহত মই সম্বলপুৰলৈ উঠি আহিলো"[১]

সম্বলপুৰ চহৰৰ লগত বেজবৰুৱাৰ একান্ত ব্যক্তিগত সম্পৰ্ক পূৰ্বৰ পৰাই আছিল । ১৯০০ খৃষ্টাব্দত প্ৰথমজনী ছোৱালী সুৰভিৰ মৃত্যুত বিভিন্নজনৰ পৰা সমবেদনা মূলক বাৰ্তা পোৱাৰ কথা উল্লেখ কৰি 'মোৰ জীৱন সোঁৱৰণত'তবেজবৰুৱাই লিখিছে-'সেইকালত আমি সম্বলপুৰত মাজে মাজে ফুৰিবলৈ আহিছিলো। সম্বলপুৰৰ গভৰ্ণমেণ্ট উকিল শ্ৰদ্ধাস্পদ ˚যোগেন্দ্ৰ নাথ সেন- এম, এ, বি, এল আৰু তেওঁৰ শিক্ষিতা সহধৰ্মিনী কবি আৰু গৃহকৰ্ত্ৰী সৰোজ কুমাৰী দেৱী আমাৰ বন্ধু আছিল, সেইদেখি তেওঁলোকৰ ঘৰতে আলহী হৈছিলোহঁক। মই সম্বলপুৰত ব্যৱসায় সম্পৰ্কে বসতি কৰিবলৈ অহাৰ এইটো অনেক আগৰ কথা।'[২] বেজবৰুৱা সম্বলপুৰলৈ আহি হৰ্ষবৰো নামে এজন পাদুৰীৰ ঘৰত ছবছৰৰ অধিক কাল থাকি ১৯২৩ চনত আন এটি ঘৰ কেৰেয়া কৰি থাকে আৰু শেষত ১৯২৪ চনত মহানদীৰ পাৰত মাটি লৈ নিজৰ ঘৰ সজাই থাকিবলৈ লয়। এই কথা 'দিনলেখা' ত লিখা আছে এনেদৰে '১৯ এপ্ৰিল, ১৯২৪, ৬ ব'হাগ, ১৩৩১ শনিবাৰ, Removed to our new Bungalow near the European Club।[৩] _সম্বল পুৰৰ উপৰি ঝাৰসুগুৰা নিৰৱধি মহানদীৰ পাৰত বাৰটা কোঠা থকা ঘৰ এটা সাজিছিল। মেঘাপাল, বৰজগাল আদি জংঘলত কাম কৰাৰ সুবিধাৰ বাবে বাংলোও ৰাখিছিল।

সংস্কৃতিৰ সাধক বেজবৰুৱাই সম্বলপুৰৰ ঘৰটোক সংস্কৃতিৰ এটা কেন্দ্ৰ ৰূপে গঢ়ি তুলিছিল। তেওঁ নিজৰ ঘৰতে এখন সংগীত বিদ্যালয় খুলিছিল। ২৬-৯-২৯ তাৰিখে প্ৰজ্ঞা সুন্দৰীলৈ লিখা এখন চিঠিত বেজবৰুৱাই লিখিছে 'আমি আজকাল বিকেলে কুচ সংগীত চৰ্চা কৰছি সংগীত সংঘ স্থাপন কৰে। ছাত্ৰ -ছাত্ৰী তিনটি হচ্ছে ভৱিষ্যতে আৰও হবাৰ আশা আছে।[৪] বেজবৰুৱাই আৰু এখন চিঠিত লিখে 'আজ সন্ধ্যে সাড়ে সাত ঘটিকাৰ সময় আমাদেৰ জাতীয় অনুষ্ঠান সংগীত সংঘৰ একটি বিশেষ অধিবেশনে নৃত্যকলাৰ চৰ্চা ও প্ৰদৰ্শনী হইবে।'[৫]

সম্বলপুৰত থকা কালছোৱাত বেজবৰুৱা নাটকৰ চৰ্চা ক্ষেত্ৰত আছিল আগৰণুৱা। তেওঁ সম্বলপুৰ টাউন হলত দুবাৰকৈ ৰবীন্দ্ৰনাথ ঠাকুৰৰ 'বাল্মিকী প্ৰতিভা ' নাটকত নিজে দস্যু চৰ্দাৰ ৰত্নাকৰৰ চৰিত্ৰত অভিনয় কৰাৰ





উপৰিও ডাঙৰ জীয়েক ৰত্নাক লক্ষ্মী আৰু সৰু জীয়েক দীপিকাক সৰস্বতীৰ ভাও দিছিল। ইয়াৰ উপৰিও ৰবীন্দ্ৰ নাথ ঠাকুৰ ৰচিত 'কাল-মৃগয়া ' নাটকখনত ৰজা দশৰথৰ ভাও নিজে লৈ সম্বলপুৰৰ ঘৰৰ ড্ৰয়িংৰুমত অভিনয় কৰি দেখুৱাই ছিল। তেওঁ মাজে সময়ে বাংলা ভাষাত একাংক ভ্ৰমৰংগ লিখিছিল আৰু তেনেকুৱা এখন ভ্ৰমৰংগত 'জপু 'ৰ ভাওত অভিনয় কৰি সম্বলপুৰত জপুদা বোলা উপনাম পাইছিল। বেজবৰুৱাই ৬ ফেব্ৰুৱাৰী, ১৯২১তাৰিখৰ 'দিনলেখা' ত লিখিছে-'Went to see surath Raj play in an Oriya theatre by a Oriya company from Cuttack. Good play and a farce, played afterwards was very amusing. It was exactly like our কুকুৰী কণা'।[৬]

বেজবৰুৱাই কটকৰ পৰা অহা অপেৰা পাৰ্টীৰ কৃষ্ণ-লীলাৰ যাত্ৰাভিনয় গভীৰ ৰাতিলৈকে চাই যথেষ্ঠ আনন্দ লভিছিল। ১৯২৯ চনত কৃষি শিল্প প্ৰদৰ্শনী উপলক্ষে সম্বলপুৰত হৈ থকা 'চন্দ্ৰগুপ্ত' নাটকৰ অভিনয় চাই থাকোতে তেওঁৰ নাকৰ পৰা তেজ ওলোৱা সত্বেও নাটকৰ অভিনয় শেষ মূহুৰ্তলৈকে উপভোগ কৰিছিল। ১৯১৮ চনত 'বাল্মিকী প্ৰতিভা' নাটক মঞ্চস্থ কৰাৰ ঠিক আগমুহূৰ্তত নিজৰ ককায়েক বৌয়েক আৰু কেইজনমান আত্মীয়ৰ মৃত্যুৰ সংবাদ পায়ো সুন্দৰ ভাৱে কৰি গৈছিল। এই ঘটনা বোৰে তেওঁৰ ধৈয্যৰ পৰিচয় দিয়াৰ লগতে নাট্যশিল্পৰ প্ৰতি থকা আগ্ৰহৰ পৰিচয় দাঙি ধৰে। ইয়াৰ উপৰিও তেওঁ মহানদীৰ সিপাৰে থকা চৰপুব নামৰ ঠাইত অনুষ্ঠিত হোৱা যাত্ৰাভিনয় মাজে-সময়ে চাবলৈ গৈছিল আৰু এই যাত্ৰাভিনয়ৰ খোল আৰু তাল বজোৱাৰ ৰীতিৰ লগত অসমীয়া ভাওনাৰ বৰ ধেমালিৰ সাদৃশ্য আছে বুলি মত প্ৰকাশ কৰিছিল।

সম্বলপুৰত থকা কালছোৱাত বেজবৰুৱাৰ হাতত অসমীয়া সাহিত্যৰ বিভিন্ন শাখা প্ৰশাখাই লহপহকৈ ঠন ধৰি উঠিছিল। মৌজ মজলিছ, সামাজিক দায়িত্ব, জংঘলত কঠোৰ প্ৰৰিশ্ৰম, বেমাৰ আজাৰ আদি সাহিত্য চৰ্চাৰ ক্ষেত্ৰত থকা এটা unfavourable surroundingৰ পৰিৱেশত থাকিও বেজবৰুৱাই সাহিত্য কৰ্মত যথেষ্ঠ মনোনিৱেশ কৰিছিল। তেওঁ যতীন্দ্ৰ নাথ দুৱৰালৈ ২৩-৯-১৮ তাৰিখে লেখা চিঠিত লিখিছে-'......মই ইয়াত অকলশৰীয়া। অসম আৰু অসমীয়াৰ প্ৰভাৱৰ পৰা আঁতৰত, গতিকে বুজিব পাৰিছা,মোৰ surrounding কি আৰু তাৰ প্ৰভাৱ মোৰ ওপৰত কেনে হ'ব পাৰে। মইতো মানুহ , মানুহৰ স্বভাৱ আৰু weakness ৰ হাত এৰোৱা কি টান ভাবি চাঁবা। তোমাৰ চিঠি আৰু ন 'অসমীয়া কাকত ' এই বস্তুৱেহে মোক অসমৰ কথালৈ মনত পেলাই টনকিয়াল কৰে'।[৭]

সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত থকা অনুপযুক্ত পৰিবেশক আওকান কৰি তেওঁ সষ্টি কৰা সাহিত্য কৰ্মৰাজি আছিল 'Maturest writings'।[৮] মহেস্বৰ নেওগৰ ভাষাত 'His maturest writings were done here in this place.[৮] সম্বলপুৰত থকা কালত লিখা বেজবৰুৱাৰ গল্পবোৰৰ ভিতৰত 'শ্বন', 'দচমন্তৰ','বাৰীচোৱা', 'ভৈৰা', 'মাজৰী', 'মগনিয়াৰ বুঢ়া,' 'কন্যা', 'ৰতনমুণ্ডা', 'শিৱপ্ৰসাদ', আদি উল্লেখযোগ্য। সম্বলপুৰৰ জীৱন আৰু ইয়াৰ চৰিত্ৰ বিলাকক লৈ লিখা তেওঁৰ গল্পবিলাক আছিল বাস্তৱধৰ্মী। সম্বলপুৰৰ সহজ সৰল জনজাতি সকলৰ জীৱনধাৰণৰ পদ্ধতি আৰু সামাজিক কু সংস্কাৰৰ কৰুণ কাহিনীৰ প্ৰতিচ্ছৱি গল্পবোৰত সোমাই আছে। তেওঁৰ 'কন্যা', 'ৰতনমুণ্ডা', 'শিৱপ্ৰসাদ' আদি গল্পত প্ৰধানতঃ কোল আৰু মুণ্ডা জনজাতি সকলৰ জীৱন চিত্ৰ অংকিত কৰা হৈছে। তেওঁৰ গল্প বোৰত সমাজত প্ৰবৃত্ত হৈ থকা অন্ধবিশ্বাস, ধৰ্মীয় গোড়ামী, অজ্ঞতা আৰু ভণ্ডামী, সামাজিক কু-সংস্কাৰৰ ছৱি সিঁচৰিত হৈ আছে আৰু গল্পবোৰৰ মাধ্যমেদি গল্পকাৰৰ সংস্কাৰমূলক দৃষ্টিভংগী প্ৰকাশ পাইছে।

বেজবৰুৱাই সম্বলপুৰত থকা কালছোৱাত লিখা দিনলিপিবোৰ তেওঁৰ জীৱনৰ সুখ-দুখ, ব্যৱসায়ীক উত্থান পতন,মৌজ মজলিছ, সম্বলপুৰৰ জনজীৱনৰ লগত আত্মীয়তাৰ যেন এখন জীৱন্ত দস্তাবেজ। দিনলিপিবোৰে বেজবৰুৱাৰ লগুৱা বিলাকৰ প্রতি থকা দৰদী হৃদয়, দুখীয়াৰ প্রতি থকা সহানুভূতি, লগৰীয়াৰ প্রতি থকা সহমর্মিতা আৰু চৰাই চিৰিকটিৰ প্রতি থকা মৰম চেনেহৰ উমান দিয়ে। জীৱনৰ কঠোৰ পৰিশ্রম, মৃগয়াৰ ৰোমাঞ্চ, মৌজ-মজলিছৰ মাদকতা আৰু জীৱনৰ ভাটি বয়সৰ কেইটামান সংবেদনশীল মূহুর্তৰ আভাষ দিনলেখাৰ পৰা আমি জানিব পাৰো। ৪ ছেপ্তেম্বৰ, ১৯৩৬ শুক্রবাৰৰ দিনা তেওঁ লিখিছে 'My wife slipped in my bathroom at 4 a.m. & fell down. Deep cut in the eyebrow, profuse bleeding. I tried to stop bleeding, failed. Biraj sent for, she stop it...whole night she was restless. Biraj came in the evening & helped her...'[৯] ইয়াত কৰা 'my' ৰ সঘন উল্লেখ অতিশয় কৰুণ। এই লেখাত এজন ব্যক্তিবিশেষৰ জীৱনৰ অপৰাহ্নৰ এক মৰ্মন্তুদ মুহূর্তৰ চিত্ৰ প্ৰকাশ পাইছে। সেইদৰে ১৯৩২ চনত সম্বলপুৰৰ পৰা লিখা কিছুমান দিনলেখাৰ পৰা তেওঁৰ ভৱিষ্যতৰ কেইটামান গল্পৰ প্লট ধৰা পৰে। উদাহৰণ স্বৰূপে- ৩১ ডিচেম্বৰ, ১৯৩২ তাৰিখে লিখা দিনলেখাৰ পৰা 'মগনীয়াৰ বুঢ়া', 'ছাইমন' আদি গল্পৰ পাতলকৈ অংকন কৰা ঘটনাক্রম ধৰা পৰে।[১০]

সম্বলপুৰৰ পৰা বেজবৰুৱাই লিখা চিঠিবোৰ অসমীয়া সাহিত্যৰ অমূল্য সম্পদ। এই চিঠিবিলাকক নিভাঁজ সাহিত্য বুলিব নোৱাৰি যদিও চিঠি বিলাক ধুনীয়া, ঘৰুৱা, আন্তৰিকতাপূর্ণ, কাব্যময়, ৰসপূৰ্ণ আৰু সাহিত্যধর্মী। ইয়াত পত্রলেখকে কোনো ধৰণৰ সাজ-পোছাক পিন্ধা নাই। আত্মপ্রকাশহে ইয়াৰ প্রধান উদ্দেশ্য। সেয়ে ইয়াত ব্যক্তিত্বৰ প্রকাশ ঘটাৰ লগতে সেই প্রকাশত ভাষাৰ মনোমোহা ৰূপ প্ৰকাশ পাইছে। বেজবৰুৱাৰ অনেক চিঠিয়ে তেওঁৰ সাহিত্যিক লেখা বিলাক স্পষ্ট কৰি তোলে, তেওঁৰ সৃষ্টি আৰু জীৱন বিষয়ক অনেক সম্যসাৰ সমাধান দিয়ে আৰু আমাক তেওঁৰ দুখ-দুৰ্গতি, আনন্দ- স্ফুৰ্তিৰ ভাগীদাৰ কৰি লয়। চিঠিবিলাক পঢ়ি থাকোতে এনে ভাৱ হয় যেন পাতে পাতে তেওঁ পঢুৱৈক সম্বোধন কৰি গৈ আছে। এই চিঠি বিলাকৰ পৰা তেওঁৰ প্রকৃতি বা চৰিত্র পৰিস্কাৰ ভাৱে ধৰা পৰে। বেজবৰুৱাৰ চিঠিবোৰ পঢ়িলে এনে এটা ভাৱ হয় যেন 'হাঁহি-ধেমালি-ইতিকিঙৰ আঁৰত তেজে তুমৰলি এখন হিয়া লুকাই আছে।

বেজবৰুৱাই প্রজ্ঞা সুন্দৰীলৈ লিখা চিঠিবোৰ পাৰিবাৰিক জীৱনৰ নিত্য-নৈমিত্তিক হাঁহি ধেমালি, আত্মীয়-স্বজনৰ প্রতি থকা মৰম-চেনেহ, বন্ধু-বান্ধৱৰ প্রতি থকা সহানুভূতি, ফাজলামি কৰা অভ্যাস, জীৱনৰ কিছু অনাবিল প্রেমৰ মুহূর্ত, ৰসিক মন আদি কথাৰে ভৰপূৰ। যতীন্দ্ৰ নাথ দুৱৰাৰলৈ লিখা চিঠিবোৰত হাঁহি-ধেমালিৰ উপৰিও অসম আৰু অসমীয়া ভাষাৰ প্রতি থকা তেওঁৰ টান, অসমীয়া সমাজৰ প্রতি থকা তেওঁৰ দায়িত্ববোধ আৰু বন্ধুমহলৰ প্রতি থকা দৰদী ভাব প্রকাশ পাইছে। দুৱৰাক দিয়া উপদেশমূলক চিঠিবোৰৰ মাজত বেজবৰুৱাৰ মনৰ জোৰ আৰু জীৱনত হাৰ নমনা মনোবৃত্তিৰ ব্যক্তিত্বৰ পৰিচয় পোৱা যায়। তেওঁৰ অসমীয়া ডেকাল'ৰাৰ বৈভৱৰ প্রতি আস্থা থকাৰ উমান পোৱা যায় ২৩-৯-১৮ তাৰিখে যতীন্দ্র নাথ দুৱৰালৈ লিখা তলৰ চিঠিখনত। তেওঁ লিখিছে-

'জৰ্জ ইনষ্টিটিউচনে এনে এদল ডেকা, a band of young man গঢ়ক, দেখিবা অচিৰতে অসম পৃথিৱীত গৌৰৱান্বিত হ'ব। আমাৰ material আগতে আছে, হাতৰ কাষতে, বাঢ়ৈ খনিকৰৰ অভাৱ।'[১১] দুৱৰালৈ দিয়া কিছুমান চিঠিত বেজবৰুৱাই সম্বলপুৰৰ মানুহবিলাকক লৈ কৰা ৰসিকতা আৰু সাহিত্যধৰ্মীতাৰ গোন্ধ বিৰাজমান।





সম্বলপুৰৰ পৰা জীয়েক অৰুণা, ৰত্না, দীপিকা, জোঁৱায়েক সত্যব্রত মুখাৰ্জী আদি আত্মীয়-স্বজনলৈ লিখা চিঠিবিলাকত বাৎসল্য মমতা, পিতৃ হৃদয়ৰ ব্যকুলতা আৰু জীৱনৰ দুৰ্বলক্ষণৰ অসহায়বোধ ফুটি উঠিছে। ২৯-১০-৩৬ তাৰিখে ৰত্নালৈ লিখা চিঠিখনত দূৰ দেশত থকা জীয়ৰীৰ মংগল কুশল জানিবলৈ পিতৃ হৃদয়ৰ ব্যগ্রতা আৰু এজন বহল হৃদয়ৰ মানুহৰ খোলা স্বভাৱৰ এটা সুন্দৰ সংমিশ্রণ ঘটিছে। তেওঁ লিখিছে- 'মা তুমি কেমন আছ, সবটা আমাদেৰ খুলে ভাল কৰে লিখ। বড় চিন্তা ভাবনয় আছি। ৰোহিনী বোপা naughty গিৰি কৰে আমাৰ চিঠিৰ জবাব দেন না। কেন বাবা? আমি কি দোষ কৰলাম? না হয় সন্ধ্যেৰ সময়ে একফোঁটা গংগাজল যাৰ নাম 'হুইস্কি' খাই সেইজনা কি আমি অস্পৃশ্য হয়ে গেলাম? তুমি চিঠি লিখতে পাৰছনা; জানি, তাঁকে লেখতে বল। বড় প্রাণ কাঁদে; বিশ্বাস কৰ। আৰ কি বলব?'[১২] এইখন চিঠি ব্যক্তিগত হৈ থকা নাই। এয়া হৈছে যিকোনো মানুহৰ মনৰ নিভৃত কোণৰ বিননি। আত্মীয়-স্বজনলৈ লিখা চিঠিবোৰত আমি দেখা পাওঁ লিখকে পাঠকৰ ধ্যান আকৰ্ষণ কৰি নিজৰ প্রতি সহানুভূতি আদায় কৰাৰ আকুল প্রয়াস।

সম্বলপুৰৰ পৰা বেজবৰুৱাৰ শ্রেষ্ঠ সাহিত্যকৃতিৰ নিদৰ্শন হ'ল তেওঁৰ 'মোৰ জীৱন সোঁৱৰণ'। আন্তৰ্জাতিক খ্যাতিসম্পন্ন ভাষাবিদ সুনীতি কুমাৰ চাটাৰ্জীৰ মতে, 'One of the finest book in Indian literature' আৰু এঠাইত চাটাৰ্জীয়ে লিখিছে 'To my mind, Lakshminath Bezbarua's most intimate and most human work is his Autobiography.'[১৩]

বেজবৰুৱাই 'মোৰ জীৱন সোঁৱৰণ'ত ছলনাহীন আৰু পোনপটীয়াভাৱে নিজৰ জীৱনৰ কেইটামান নিভৃত, অন্তৰঙ্গ মুহূর্ত প্রকাশ কৰি পাঠকক এক বিৰল ব্যক্তিত্ব থকা মানুহ এগৰাকীৰ স্বতন্ত্রতা, উচ্চ আদর্শ আৰু ভাৱনাৰ কিঞ্চিত আভাস দিছে। আত্মজীৱনীখনৰ ব্যাপ্তিৰ পৰিসীমা সংকীৰ্ণ হ'লেও ইয়াৰ সাহিত্যিক মূল্য অনস্বীকার্য্য। অসমীয়া ভাষা সাহিত্যৰ ইতিহাসৰ এটা সন্ধিক্ষণৰ আহ্বান আৰু প্রত্যাহ্বানৰ এক নিৰ্ভৰযোগ্য দলিল। অসমীয়া ভাষা সাহিত্যৰ কাণ্ডাৰী চন্দ্র কুমাৰ আগৰৱালা, হেমচন্দ্র গোস্বামী আদিয়ে নিজৰ মাতৃভাষা আৰু সাহিত্যক ভাৰতীয় ভাষা আৰু সাহিত্যত এটা সুকীয়া স্থান দিবলৈ যি অহৰহ সংগ্রাম, আপ্রাণ আৰু কঠিন সংঘৰ্ষ কৰিছিল তাৰ প্রামাণিক তথ্য হৈছে 'মোৰ জীৱন সোঁৱৰণ'। অসমীয়া ভাষাক বঙলা ভাষাৰ এটা প্রান্তীয় ভাষা বুলি লেবেল মাৰি তৎকালীন কেইজনমান বঙালী বুদ্ধিজীৱীয়ে অসমীয়া ভাষাৰ স্বতন্ত্রতাক অস্বীকাৰ কৰিছিল। বঙালী বুদ্ধিজীৱীসকলৰ সেই ধাৰণা বেজবৰুৱা আৰু তেওঁৰ সংগীসকলে কেনেদৰে নসাৎ কৰি অসমীয়া ভাষাৰ স্বতন্ত্রতা প্রতিপন্ন কৰিছিল তাৰ বৰ্ণনা 'মোৰ জীৱন সোঁৱৰণ'ত প্রকাশ পাইছে।

সম্বলপুৰৰ পৰা বেজবৰুৱাই 'আৱাহন' কাকতলৈ লিখা 'মোৰ মৃগয়া' চিকাৰ সাহিত্যত এক সুখপাঠ্য ৰচনা। চিকাৰৰ মনোৰম প্রাঞ্জল বৰ্ণনাৰ লগে লগে ব্যৰ্থ প্রয়াস, ৰসাল বৰ্ণনা পোৱাৰ আনন্দ আৰু নোপোৱাৰ বেদনাৰ কাহিনী ইয়াত সিঁচৰিত হৈ আছে। জিম কৰবেটৰ চিকাৰ গল্প আৰু দেশভক্ত তৰুণৰাম ফুকন ৰচিত চিকাৰ কাহিনীৰ লগত বেজবৰুৱাৰ 'মোৰ মৃগয়া'ক একেশাৰীতে ৰাখিব পাৰি।

জাতীয় ভাষা নহ'লে জাতীয় সাহিত্য পুষ্ট নহয়। বৰ্তমান অসমীয়া সাহিত্যত বেজবৰুৱাৰ সাহিত্যৰাজিৰ বাদে প্রকৃত সাহিত্যৰ ৰচনা ৰীতি আন ঠাইত বিৰল। তেওঁৰ সাহিত্য কৰ্মৰ মাজত স্বদেশানুৰাগ ভাব সুস্পষ্ট। তেওঁ জন্মভূমিৰ পৰা আঁতৰি সম্বলপুৰত থাকিলেও তেওঁৰ হৃদয়খন আছিল অসম, অসমীয়া ভাষা-সাহিত্য, কলা-সংস্কৃতিক প্রতিষ্ঠা কৰাৰ ব্ৰতত ব্ৰতী। সেয়েহে বেজবৰুৱাই সব্যসাচী হৈ নিজৰ ভাষা সাহিত্যৰ মৰ্যাদা ৰক্ষাৰ্থে সম্বলপুৰত থাকিও সাহিত্যৰ সকলো দিশতে হাত উজান দিছিল। যাৰ ফলত তেওঁ হ'ব পাৰিলে 'সাহিত্যৰথী'

আৰু 'ৰসৰাজ' উপাধিৰ অধিকাৰী। এই গৰাকী স্বদেশানুৰাগী সাহিত্যিকৰ ৰচনাৰাজিয়ে দি থৈ যোৱা প্ৰেৰণাই যাতে অসমীয়া উৎসাহী জাতিৰ অন্তৰত জাতীয় চেতনাৰ ধ্বনিয়ে প্ৰতিধ্বনি তুলিব পাৰে, নতুন প্ৰজন্মক উদ্বুদ্ধ কৰিব পাৰে তাৰ বাবে সচেতনভাৱে আমি প্ৰচেষ্টা চলোৱাটোৱেই আজিৰ সময়ৰ আহ্বান।

বিঃ দ্ৰঃ- বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ অৰ্থ-সাহায্যত ফৰকাটিং মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত অনুষ্ঠিত হোৱা ০১/১০/২০১১ তাৰিখৰ আলোচনা চক্ৰত পঠিত।


১। হাজৰিকা; অতুল চন্দ্ৰ (সম্পাদনা)ঃ 'মোৰ মৃগয়া'; বেজবৰুৱাৰ গ্ৰন্থাৱলী; প্ৰথম খণ্ড, সাহিত্য প্ৰকাশ; গুৱাহাটী, ১৯৬৮ চন। পৃষ্ঠা-১৭-১৮

২। বেজবৰুৱা, লক্ষ্মীনাথ; মোৰ জীৱন সোঁৱৰণ; পৃষ্ঠা-৮৩

৩। গোস্বামী; যতীন্দ্ৰ নাথ (সম্পাদনা)ঃ বেজবৰুৱাৰ গ্ৰন্থাৱলী; তৃতীয় খণ্ড; সাহিত্য প্ৰকাশ, গুৱাহাটী-২০০৫ চন।

৪। গোস্বামী; যতীন্দ্ৰ নাথ (সম্পাদনা)ঃ বেজবৰুৱাৰ গ্ৰন্থাৱলী; তৃতীয় খণ্ড; সাহিত্য প্ৰকাশ, গুৱাহাটী-২০০৫ চন। চিঠি নং-৮৮

৫। গোস্বামী; যতীন্দ্ৰ নাথ (সম্পাদনা)ঃ বেজবৰুৱাৰ গ্ৰন্থাৱলী; তৃতীয় খণ্ড; সাহিত্য প্ৰকাশ, গুৱাহাটী-২০০৫ চন। চিঠি নং-৯৪

৬। গোস্বামী; যতীন্দ্ৰ নাথ (সম্পাদনা)ঃ বেজবৰুৱাৰ গ্ৰন্থাৱলী; তৃতীয় খণ্ড; সাহিত্য প্ৰকাশ, গুৱাহাটী-২০০৫ চন।

৭। গোস্বামী; যতীন্দ্ৰ নাথ (সম্পাদনা)ঃ বেজবৰুৱাৰ গ্ৰন্থাৱলী; তৃতীয় খণ্ড; সাহিত্য প্ৰকাশ, গুৱাহাটী-২০০৫ চন, চিঠি নং ১১।

৮। Neog; Maheswar (Ed): Lakshminath Bezbarua, The Sahityarathi of Assam; Published by G.U.-1972

৯। Neog; Maheswar (Ed): Lakshminath Bezbarua, The Sahityarathi of Assam; Published by G.U.-1972

১০। গোস্বামী; যতীন্দ্ৰ নাথ (সম্পাদনা)ঃ বেজবৰুৱাৰ গ্ৰন্থাৱলী; তৃতীয় খণ্ড; সাহিত্য প্ৰকাশ, গুৱাহাটী-২০০৫ চন।

১১। গোস্বামী; যতীন্দ্ৰ নাথ (সম্পাদনা)ঃ বেজবৰুৱাৰ গ্ৰন্থাৱলী; তৃতীয় খণ্ড; সাহিত্য প্ৰকাশ, গুৱাহাটী-২০০৫ চন।

১২। গোস্বামী; যতীন্দ্ৰ নাথ (সম্পাদনা)ঃ বেজবৰুৱাৰ গ্ৰন্থাৱলী; তৃতীয় খণ্ড; সাহিত্য প্ৰকাশ, গুৱাহাটী-২০০৫ চন। সাহিত্য প্ৰকাশ, গুৱাহাটী-২০০৫ চন, চিঠি নং ১৫৬।

১৩। Neog; Maheswar (Ed): Lakshminath Bezbarua, The Sahityarathi of Assam; Published by G.U.-1972


## অমৃত বাণী

১) মনৰ সন্তুষ্টেই হল সুখৰ মূল। – হজৰত মহম্মদ (ছঃ)।

২) নজনাটো লাজৰ কথা নহয়, জানিবলৈ ইচ্ছা নকৰাটোহে লাজৰ কথা। - বেঞ্জামিন ফ্ৰেংকলিন।

৩) কৃতকাৰ্য হোৱাটো গৌৰৱৰ বিষয় নহয়, গৌৰৱৰ বিষয় হল কৃতকাৰ্য হবলৈ কৰা চেষ্টাটো। - চাচা নেহেৰু।

৪) তুমি যদি জ্ঞানী হব খোজা প্ৰথমে তোমাৰ জিভাক শাসন কৰা। - লেভেটাৰ।

সংগ্ৰাহকঃ- মোঃ আনোৱাৰ হুছইন, স্নাতক ২য় বৰ্ষ
সম্পাদক NSS ছাত্ৰ একতা সভা





# নাৰী মহিয়সী আৰু ত্যাগী

শ্ৰীবন্দনা বৰা,
সহকাৰী অধ্যাপিকা, শিক্ষা বিভাগ

বিশ্বৰ ইতিহাসত মহিয়সী নাৰীৰ সংখ্যা অতি কম। 'মাডাৰ টেৰেছা'ৰ উদাৰতা তথা জলন্ত নিদৰ্শন। দেৱী।

বিশ্বৰ বিভিন্ন দেশত বহু নাৰীয়ে তেওঁলোকৰ ব্যক্তিত্বৰ পৰিচয় বিভিন্ন দিশত দৃষ্টান্ত দেখুৱাই গৈছে। আমাৰ ভাৰতবৰ্ষতো মহিয়সী ঝান্সী ৰাণী লক্ষ্মীবাঈ ইত্যাদিকে ধৰি আৰু মই এই মূহৰ্তত উল্লেখ কৰিব নোৱাৰা বহু মহিলাকে ধৰি মহামান্য প্ৰয়াত প্ৰধানমন্ত্ৰী 'ইন্দিৰা গান্ধীয়ে' দেশখনৰ প্ৰতি দি যোৱা ত্যাগ আৰু মহানতাৰ কথা, যাক অকল স্মৰণহে কৰিব পাৰি। তেওঁলোক সমালোচনাৰ উৰ্দ্ধত। মহিয়সী নাৰী।

আমাৰ অসমতো কনকলতা, ভোগেশ্বৰী ফুকননী, সতী জয়মতী ইত্যাদিকে ধৰি মহিয়সী, ত্যাগী মহিলাসকল আছিল। আজিও আমি তেওঁলোকৰ আদৰ্শৰে অনুপ্ৰাণিত। মৃত্যুৰ আগলৈকে চিঞৰি চিঞৰি কৈ গলেও শেষ কৰিব নোৱাৰি, তেওঁলোকৰ আত্মত্যাগৰ কথা, বলিদানৰ কথা।

তাৰোপৰি প্ৰতীমা পাণ্ডে বৰুৱাই দি থৈ যোৱা গোৱালপৰীয়া লোক-সংস্কৃতিৰ কথা আমি কেতিয়াওঁ পাহৰিব নোৱাৰো। সেই গৰাকী মহিসয়ী নাৰীৰ গীতৰ সুৰে যেন আজিওঁ আমাৰ প্ৰত্যেকৰে হৃদয় এবাৰ হলেও কপাঁই তোলে।

আজিও ভাৰতত বহু নাৰী আছে যি সকল সমাজ জীৱনৰ উৰ্দ্ধত অকল সততা আৰু কৰ্তব্য নিষ্ঠাৰে মানুহৰ বাবে, দেশৰ বাবে নিজকে আগুৱাই লৈ গৈ আছে। সেই সকলৰ ভিতৰত মোৰ দৃষ্টিত কিৰণ বেদী প্ৰথম মহিলা IPS বিষয়া অন্যতম।

তাৰোপৰি অসম তথা ভাৰতৰ অতি মৰমৰ আমাৰ মামনি ৰয়চম গোস্বামী বাইদেউ। বাইদেউ ২৯ নৱেম্বৰ, ২০১১ চনত আমাক সকলোকে কন্দুৱাই থৈ গুচি গৈছিল। অসম তথা অসমীয়াৰ আন এক চিনাকি মুখ। সকলোৰে উৰ্দ্ধত। নিজৰ বিষয়ে মামনি বাইদেৱে নিজেই লিখি থৈ গেছে বহু কথা। মামনি বাইদেউৰ জীৱনটোৱেই এখন খোলা কিতাপৰ দৰে।

বস্তুবাদী সমাজ সচেতনতাক লৈ ব্যস্ত থকা মহিলা সকল, — এবাৰ ভাৱকচোন ? — তেওঁলোকৰ আত্মত্যাগৰ কথা। সঁচাকৈয়ে জানো তেওঁলোক বস্তুবাদী, নে সাম্যবাদী, নে ত্যাগী ?

ভাবিবৰ মন যায়, তেওঁলোকৰো জানো স্বামী তথা পৰিয়াল, ঘৰ-গাড়ী ইত্যাদিৰ লগত কেনেবাকৈ জড়িত আছিল নে ?

আছিল ! কিন্তু সেই সকলোবোৰৰ উৰ্দ্ধত দেশখন, সাধাৰণ মানুহবিলাক, তেওঁলোকৰ বাবে মন্দিৰ আৰু ভগৱানৰ সাদৃস্য আছিল। সেয়া তেওঁলোকৰ জীৱনৰ ত্যাগ আৰু কাৰ্যৰে প্ৰমাণ কৰি থৈ গৈছে।

এই খিনিতে নিলিখিলেওঁ নোৱাৰো, যোৱা ৫ নৱেম্বৰ ২০১১ চনত আমাৰ মাজৰ পৰা গুচি যোৱা অসম সন্তান তথা সুধা কণ্ঠ ড০ ভূপেন হাজৰিকাৰ কথা। যাৰ মৃত্যুত প্ৰতিজন অসমীয়াৰ হৃদয়ত কম্পনৰ সৃষ্টি হৈছিল। জাতি-ধৰ্ম, বৰ্ণ-নিৰ্বিশেষে যাৰ কাৰণে আজিও চকুলো টুকি আছে।

সেইজন মহান পুৰুষে জীৱনৰ বিয়লি বেলাত কল্পনা নামৰ এগৰাকী কোলাত আশ্ৰয় লৈছিল।

*লৈছিল মৰম, তথা জীয়াই থকাৰ অনুপ্ৰেৰণা।*
*নাম তাইৰ "কল্পনা লাজমী"।*
*সকলো সমালোচনাৰ উৰ্দ্ধত।*
*মূল্যহীন নহয় তাই।*
*ত্যাগ আৰু প্ৰেমৰ অনস্বীকাৰ্য স্বীকাৰ*
*সাহসী।*
*দূৰ্গম যাত্ৰাৰ সহযাত্ৰী আছিল "ভূপেন দাৰ"।*
*জীৱন বাৰিষাত তাই ভূপেনদাক দিছিল এটা ছাতি।*

তাইও আদৰ্শ বিহীন, নহয়।সেয়েহে বস্তুবাদী একাংশ মহিলাসকলৰ বাবে তাই হয়তো সমালোচনাৰ আহিলা হব পাৰে।

*কিন্তু, মোৰ দৃষ্টিত সদায়ে তাই*
*সাহসী।*
*ত্যাগী।*
*সততাৰ এক বিৰল নিদৰ্শন।*

মোৰ অন্তৰৰ বিশেষ অনুভূতিৰে, ভূপেনদাক কৰা সেৱাৰ বাবে মই অসমবাসীৰ হৈ কৃতজ্ঞতা জনালোঁ।

সেই গৰাকী মহিলাক।
"কল্পনা লাজমীক "।





# ২০১১ চনৰ হেৰুৱা মুকুতা

ঃ মুক্তাৰ হুছেইন, স্নাতক ১ম বৰ্ষ

## মামনি ৰয়চম গোস্বামী ঃ


অসম তথা ভাৰতীয় সাহিত্য এগৰাকী অন্যতম শ্ৰেষ্ট লেখিকা মামনি ৰয়চম গোস্বামীৰ জন্ম হৈছিল ১৯৪২ চনৰ ১৪ নৱেম্বৰত গুৱাহাটীত।কৈশোৰ অৱস্হাতে এক ভয়াবহ নিসংগতা আৰু যন্ত্ৰনাক পাহৰি থাকিবলৈ এদিন হাতত কলম নামঁৰ অস্ত্ৰটি তুলি লৈছিল। কৈশোৰতে আত্মহত্যাৰ চেষ্টা কৰা নাৰী গৰাকীয়ে পৰৱৰ্তী সময়ত দুখ কষ্টৰ মাজেৰেই নিজকে প্ৰতিষ্ঠিত কৰি তুলিছিল। ওৰে জীৱন মানৱীয়তা আৰু অন্যায়ৰ বিৰুদ্ধে সংগ্ৰাম কৰা নাৰীগৰাকীয়ে কলম তুলি লৈছিল ভালেমান সামাজিক ব্যাধি আৰু দুস্কৃতিৰ বিৰুদ্ধেও। তেখেতৰ যুদ্ধ ক্ষেত্ৰ আছিল সাহিত্য। ১৯৬২ চনত তেখেতৰ প্ৰথম গল্প সংকলন - 'চিনাকি মৰম' প্ৰকাশ পায়।তাৰ পাছৰ পৰাই নিৰলসভাৱে সাহিত্য সাধনা কৰি উপন্যাস ক্ৰমে - নীলকণ্ঠী, চেনাবৰ সোঁত, অহিৰণ ,মামৰে ধৰা তৰোৱাল , দঁতাল হাতীৰ উয়েঁ খোৱা হাওদা, তেজ আৰু ধূলি ধূসৰিত পৃষ্ঠা, ছিন্নমস্তাৰ মানুহটো, থেংফাখ্ৰী তহচিলদাৰৰ তামৰ তৰোৱাল আদি ৰচনা কৰে। আধা লেখা দস্তাবেজ তেখেতৰ এখন উল্লেখযোগ্য জীৱন লেখা। দঁতাল হাতীৰ উয়েঁ খোৱা হাওদা গ্ৰন্হৰ বাবে ১৯৮২ চনত সাহিত্য অকাডেমী বঁটা আৰু সামগ্ৰিক সাহিত্য কৰ্মৰ বাবে ভাৰতীয় সাহিত্যৰ সৰ্বশ্ৰেষ্ট সন্মান জ্ঞানপীঠ বঁটা ২০০০ চনত লাভ কৰে। নাৰী জীৱনৰ দুখ-দৈন্যতা সকলো প্ৰাচীৰ অতিক্ৰমি কৰ্মত ব্ৰতী হোৱা লেখিকা গৰাকী দিল্লী বিশ্ববিদ্যালয়ৰ অধ্যাপিকাও আছিল। সেই অসম গৰিয়সী মামনি ৰয়চম গোস্বামীয়ে যোৱা ২৯ নৱেম্বৰ ২০১১ তাৰিখে ইহলীলা সম্বৰন কৰে। তেখেতৰ মৃত্যু অসম তথা ভাৰতীয় সাহিত্যৰ এক অপূৰণীয় ক্ষতি ।

## ড০ ভূপেন হাজৰিকা ঃ

ভাৰতীয় সংগীত জগতৰ সংগীত সূৰ্য ড০ ভূপেন হাজৰিকাৰ জন্ম হৈছিল ৮ ছেপ্তেম্বৰ ১৯২৬ চনত। ড০ ভূপেন হাজৰিকা আক্ষৰিক অৰ্থত এক বিস্ময়কৰ প্ৰতিভা। প্ৰধানকৈ সংগীতৰ ক্ষেত্ৰখনত প্ৰতীভাৰ প্ৰকাশে চূড়ান্ত বিন্দু স্পৰ্শ কৰিছে যদিও সাহিত্য, চলচিত্ৰ আৰু চিত্ৰশিল্পতে তেওঁৰ সৃষ্টিক মৌলিকত্ব আৰু বৈশিষ্ট্য লক্ষ্য কৰিব পাৰি। সকলো ৰুচিৰ লোকক আকৰ্ষন কৰিব পৰাকৈ চমৎপ্ৰদ ভাৱে ভূপেনদাৰ কণ্ঠৰ পৰা সুধা নিগৰীত হৈছিল। অসম ৰত্ন, দাদা চাহেব ফাল্কে আদি খ্যাতনামা বঁটাৰে বিভূষিত সুধাকণ্ঠ গৰাকী সদায়েই অসমীয়া জাতি, সংস্কৃতিক প্ৰতিনিধিত্ব কৰি অসমীয়া সংগীতক বিশ্ব দৰবাৰত তুলি ধৰিছিল। যিটো মঞ্চতে ভূপেনদাৰ আগমন ঘটিছিল সিটোৱেই লোকত লোকাৰণ্য হৈ পৰা সংগীতৰ ধ্বজাধাৰী গৰাকী জগত মায়াৰ পৰা চিৰদিনলৈ গুচি গৈছিল যোৱা ৫ নৱেম্বৰৰ ২০১১ তাৰিখে। লগে লগে যেন সমাপ্তি ঘটিছিল এটা যুগৰ। কিন্তু তেখেতে সৃষ্টিৰ জৰিয়তে যি দি গ'ল সেয়া বিশ্ববাসীৰ বাবে অনন্ত কাললৈ গৌৰৱ আৰু আদৰ্শ হৈ ৰ'ব।

## চিত্ৰশিল্পী এম এফ হুছেইন ঃ

এম এফ হুছেইনৰ পূৰ্ণ নাম মকবুল ফিদা হুছেইন। এম এফ হুছেইনৰ জন্ম হৈছিল ১৯১৫ চনৰ ১৭ চেপ্তেম্বৰত মহাৰাষ্ট্ৰৰ পন্ধৰপুৰত। সৰুৰে পৰা চিত্ৰশিল্পৰ প্ৰতি আকৃষ্ট হোৱা হুছেইনে তেওঁৰ শিল্প কৰ্মৰ বিশেষ চৰ্চা লাভ কৰে ১৯৪০ চনৰ শেষৰ ফালে। ১৯৫২ চনত জুৰিখত তেওঁৰ প্ৰথম চিত্ৰ প্ৰদৰ্শনী অনুষ্ঠিত হয় আৰু তাৰ পিছৰ পৰাই আমেৰিকাত বিশেষ সমাদৰ লাভ কৰে। ভাৰত চৰকাৰে ১৯৫৫ চনত তেওঁক - পদ্মশ্ৰী- ১৯৭৩ চনত - পদ্মভূষণ - আৰু ১৯৯১ চনত - পদ্মবিভূষণ - সন্মান প্ৰদান কৰে। সন্মান আৰু খ্যাতিত তেওঁ ভূষিত থকাৰ লগতে বিতৰ্কই তেওঁৰ পিছ এৰা নাছিল। ১৯৭০ চনত ইচ্ছাকৃত ভাৱে হিন্দুসকলৰ দুৰ্গা দেৱীৰ নগ্ন ছৱি আঁকি জনৰোষত পৰা লগতে মৃত্যুৰো ভাবুকি লাভ কৰিছিল। অৱশেষত তেওঁ ২০০৬ চনত ভাৰত এৰি গুচি গৈছিল। তেওঁ চলচিত্ৰ নিৰ্মাতা-পৰিচালক হিচাপেও প্ৰসিদ্ধি লাভ কৰিছিল। ১৯৬৭ চনত হুছেইনে নিৰ্মান কৰা প্ৰথম ছবি -থ্ৰু দি আইজ অৱ এ পেইন্টাৰ -এ বাৰ্লিন ফিল্ম ফেষ্টিভেলত - গল্ডেন বিয়েৰ - বঁটা লাভ কৰিছিল। বলিউডৰ মাধুৰী দিক্ষিতৰ অনুৰক্ত বুলি পৰিচিত চিত্ৰকৰ গৰাকীয়ে মাধুৰীৰ অপৰূপ দেহবল্লৰৰ কলাত্মক উপস্হাপনেৰে নিৰ্মান কৰিছিল - গজগামিনী - নামৰ বহুচৰ্চিত চলচিত্ৰখন।উল্লেখ্য যে এই ছৱিৰ সংগীত পৰিচালক আছিল অসমৰ সুধাকণ্ঠ ড০ ভূপেন হাজৰিকা। তেওঁৰ এলানি চিত্ৰ সংকলনৰ নাম - ফিদা -। দূৰ্দান্ত প্ৰেমিকো আছিল এই গৰাকী হুছেইন। বলিউডৰ মোহময়ী অভিনেত্ৰী বিদ্যা বালান, মাধুৰী দিক্ষীত, অমৃতা, অনুস্কা শৰ্মা আদিৰ প্ৰেমত পৰি উল্লেখ্যনীয় ছৱি আঁকিছিল তেওঁ। - ভাৰত পিকাছো - ৰূপে খ্যাত এই গৰাকী অমৰ শিল্পী, অক্লান্ত সৌন্দৰ্যপিয়াসী এম এফ হুছেইনৰ দেহাৱসান ঘটিছিল যোৱা ২০১১ চনৰ ৯ জুনত লণ্ডনত।



# ধৰ্ম প্ৰচাৰত হজৰত মোহাম্মদ (ছঃ)ৰ ভূমিকা

মোঃ আব্দুল লতিফ , উঃমাঃ ২য় বৰ্ষ

আৰ পিঃ এই পৃথিবাখনক যেতিয়া অধৰ্মৰ আৱৰি ধৰিছিল, ঠিক তেতিয়াই এই ধৰাত পূৰ্ণ পোহৰৰ বাবে আবিৰ্ভাৱ ঘটিছিল হজৰত মোহাম্মদ (ছঃ)ৰ। তেখেতে বয়স প্ৰাপ্ত হোৱাৰ লগে লগে মক্কা নগৰীত চলি থকা অধৰ্ম, অন্যায়, অত্যাচাৰৰ বিষয়ে তেখেতে চিন্তা কৰিব ধৰিলে আৰু মক্কাৰ কিছুমান শান্ত-শিষ্ঠ যুৱকক লৈ তেওঁ ওই অধৰ্মী, অন্যায়, অত্যাচাৰ প্ৰতিৰোধ কৰাৰ কাৰণে -হালফুল ফজল- নামেৰে এখনি কমিটি গঠন কৰি ন্যায়ৰ আলোক বিলাবৰ বাবে চেষ্টা কৰিছিল। ইতিমধ্যে থেখেতৰ এই চিন্তা অধিক মাত্ৰাত বাঢ়ি গৈছিল আৰু নিৰ্জনে বহি আল্লাহৰ এবাদতত নিমগ্ন হৈছিল। সেই সময়ত এদিনাখন গাৰে হেৰাত ধৰ্মৰ পূৰ্ণ পোহৰলৈ আল্লাহৰ হুকুমত হজৰত জিব্ৰাইল (আঃ)ৰ আবিৰ্ভাৱ হয় হজৰত মোহাম্মদ (ছঃ)ৰ ওচৰত।

ধৰ্ম প্ৰচাৰত হজৰত মোহাম্মদ (ছঃ) - হজৰত জিব্ৰাইল (আঃ)ৰ আবিৰ্ভাৱৰ পিছৰ পৰাই প্ৰিয় নবী হজৰত মোহাম্মদ (ছঃ) এ ধৰ্ম প্ৰচাৰৰ কাৰণে পূৰ্ণ প্ৰচেষ্টা আৰ কৰে। এই কামত তেখেতৰ প্ৰথম সহযোগী আছিল বিবি খাদিজা (ৰাঃ)। এনেদৰে তেখেতৰ চেষ্টাত হজৰত আবু বক্কৰ ছিঁ ক (ৰাঃ) হজৰত আলী (ৰাঃ) হজৰত ওচমান গনি (ৰাঃ) হজৰত আব্দুৰ ৰহমান বিন আওফ আৰু বহুতে ইছলাম গ্ৰহণ কৰি ধৰ্ম প্ৰচাৰত ব্ৰতী হয়। লাহে লাহে প্ৰিয় নবী (ছঃ) এ মক্কা বাসীক ইছলাম গ্ৰহণ কৰাৰ কাৰণে প্ৰকাশ্যে আহ্বান জনায়। কিন্তু অধিক সংখ্যকে বিৰোধীতা কৰা সত্বেও মুছলমানৰ সংখ্যা বাঢ়িব ধৰিলে। হজৰ সময়ত হজৰত মোহাম্মদ (ছঃ) য়ে আৰবৰ বিভিন্ন বংশ আৰু কাবিলাক ইছলাম ধৰ্মৰ বিষয়ে জ্ঞাত কৰায় আৰু ধৰ্ম গ্ৰহণৰ কাৰণে আপ্ৰাণ চেষ্টা চলায়। তেওঁ আহ্বান দিয়া এই গুৰু দায়িত্ব পালনত আৰবৰ কাবিলাবোৰ মান্তি নোহোৱাত বহু সময় তেওঁ বিষন্ন হৈ পৰিছিল। তথাপি কিন্তু তেখেত নিৰাশ হোৱা নাছিল আৰু চেষ্টা অব্যাহত ৰাখিছিল। যাৰ ফলত মদিনাৰ দুটা কাবিলাই তেওঁৰ সত্য ধৰ্মৰ বাণী শুনি আকৃষ্ট হৈ ইছলাম গ্ৰহণ কৰি তেখেতে বিচৰা মতে সকলো দায়িত্ব লৈ তেখেতক মদিনালৈ যাবলৈ আমন্ত্ৰন জনায়। হজৰত মোহাম্মদ (ছঃ) আল্লাহৰ হুকুমত মক্কাৰ পৰা হিজৰত কৰি মদিনালৈ যোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিলে আৰু অশেষ কষ্ট কৰি মদিনালৈ গল। তেখেতে মদিনা বাসীক ইছলাম গ্ৰহন কৰিবলৈ আহ্বান জনালে, মদিনাবাসীয়ে তেখেতৰ ঐশ্বৰিক বাণীত সত্য, ন্যায় আৰু ধৰ্মৰ প্ৰকৃত আলোক দেখিবলৈ পাই ইছলাম গ্ৰহন কৰিলে আৰু এনেদৰে তেখেতৰ অক্লান্ত চেষ্টাত মদিনাত ইছলাম গ্ৰহন কৰা লোকৰ এক বিৰাট বাহিনী স্থাপন হল। পৰৱৰ্তী সময়ত এই সকল লোকক ধৰ্মীয়, সামাজিক, ৰাষ্ট্ৰীয় আদি বিভিন্ন শিক্ষাৰে শিক্ষিত কৰি ধৰ্ম প্ৰচাৰৰ কাৰণে এক বিশেষ বাহিনী প্ৰস্তুত কৰিলে। ইফালে আৰববাসীয়ে ইছলামৰ বিৰুদ্ধাচৰণত বহি নাথাকি হজৰত মোহাম্মদ (ছঃ)ৰ ধৰ্ম প্ৰচাৰত বাধাৰ প্ৰাচীৰ হৈ থিয় দিলে, যাৰ ফলত অনুষ্ঠিত হল বদৰৰ যুদ্ধ। যত অস্ত্ৰৰে সমুজিত হৈ বিশাল আৰব বাহিনী মুছলমান সকলৰ বিৰুদ্ধে যুদ্ধত অৱতীৰ্ন হল। তৎসত্বেওঁ মুছলমানসকলৰ সন্মুখত আৰবৰ মুশ্বৰিক সকলে পৰাজয়ৰ গ্লানি মূৰত লৈ মক্কা অভিমুখে পলায়ন কৰিবলৈ বাধ্য হল। তাৰ ওপৰিও আৰবৰ মুশ্বৰিক সকলে শান্ত নাই অহোদ, খন্দককে আদি কৰি বিভিন্ন যুদ্ধত লিপ্ত হৈ পৰাজয় বৰণ কৰিলে। শেষত সন্ধি হল। বহুত সহ্য আৰু ধৈৰ্যৰ মাজেৰে প্ৰিয় নবী (ছঃ) য়ে মানি ললে। ইয়াৰ পাছতেই হজৰত মোহাম্মদ (ছঃ) য়ে গোটেই আৰববাসীক মুকলি ভাৱে ইছলাম গ্ৰহনৰ আহ্বান জনালে আৰু আৰবৰ প্ৰায়বোৰ কাবিলাই ইছলাম গ্ৰহন কৰিলে। যাৰ ফলত ৮ হিজৰিত মক্কা বিজয় হল। কাবাৰ সন্মুখত ইছলামৰ পতাকা উৰিল আৰু হজৰত মোহাম্মদ (ছঃ) ৰ অক্লান্ত চেষ্টাত ১০ হিজৰিত ১ লাখ ২৪ হাজাৰ ধৰ্মপ্ৰান চাহাবাই - হজতুল বেদাত - তেখেতৰ লগত হজ পৰ্ব সম্পন্ন কৰে। সেই সময়ত আৰফাৰ ময়দানত সকলো চাহাবাক ধৰ্ম প্ৰচাৰৰ দায়িত্ব দিয়ে।


সাৰমৰ্মঃ - এনেদৰে পৃথিৱীৰ বিভিন্ন দেশত হজৰত মোহাম্মদ (ছঃ) ৰ প্ৰচেষ্টাত চাহাবা সকলে ধৰ্ম প্ৰচাৰৰ কামত মনোনিৱেশ কৰে। হজৰত মোহাম্মদ (ছঃ) আৰু চাহাবাসকলৰ বলিষ্ট ত্যাগ আৰু চেষ্টাৰ বিনিময়ত আজি আমি বিনাকষ্টে সত্য ধৰ্ম পোহৰ দেখিবলৈ পাইছো। এই কামৰ দায়িত্ব উম্মতৰ ওপৰত ন্যস্ত আৰু এই চেষ্টা ভৱিষ্যতলৈ চলিয়েই থাকিব।





# মানৱীয় মূল্যবোধবোৰ যুৱ সমাজৰ পৰাই মানৱ সমাজে লাভ কৰিব

- ৰংবং তেৰাং



সাক্ষাতকাৰ গ্ৰহণ -
এম. আবু হানিফা , আলোচনী সম্পাদক

ৰংবং তেৰাং অসমৰ এগৰাকী প্ৰতিষ্ঠিত সাহিত্যিক । বৰ্তমান অসম সাহিত্য সভাৰ সভাপতি । দুবাৰকৈ অসম সাহিত্য সভাৰ দৰে অসমৰ সৰ্ব্বোচ্চ সনমানীয় পদ অলংকৃত কৰা সুযোগ্য অসম সন্তান। "ৰংমিলিৰ হাঁহি" উপন্যাসৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰা "মোৰ জন্মটো অন্ততঃ মিছা নহয়" গ্ৰন্থৰ শ্ৰষ্টা এই সম্পাদকৰ প্ৰিয় পুৰুষ তেৰাং ছাৰৰ নিজৰ জীৱনৰ বিষয়ে কিছু কথা জানিবলৈ গৈ কাষ চাপিছিলোঁ। তেখেতৰ বৰ্নাঢ্য সান্নিধ্যত কিছু সময় কথা পতাৰ সুবিধা পাইছিলো, তাৰে কিছু কথা আমাৰ মহাবিদ্যালয়ৰ হিয়াৰ দাপোন 'ৰূপলেখা'ৰ জৰিয়তে পাঠক-পাঠিকাসকললৈ আগবঢ়োৱা হ'ল -

ৰূপলেখা :- নমস্কাৰ। প্ৰথমেই ৰূপহী মহাবিদ্যালয়ৰ বাৰ্ষিক পত্ৰিকা ৰূপলেখাৰ তৰফৰ পৰা আপোনালৈ আমাৰ সহশ্ৰ প্ৰণাম। আমাৰ নগন্য পত্ৰিকাৰ খনৰ বাবে আপোনাৰ অলপ আশিষ বিচাৰি আহিছোঁ।

ৰংবং তেৰাং :- ভাল পাইছোঁ।

ৰূপলেখা :- প্ৰথমে আপোনাৰ শৈশৱৰ বিষয়ে জানিব বিচাৰিম, লৰালিৰ সেই দিনবলাকৰ কথা মনত পৰিলে আপুনি কেনে অনুভূতি বোধ কৰে ?

ৰংবং তেৰাং :- ল'ৰালিৰ দিনবোৰৰ কথা মনত পৰিলে নিজকে আচৰিত মানো। পাহাৰৰ বনাঞ্চলৰ মাজেৰে জীৱনৰ এই পৰিৱৰ্তনে মোক ভৱাই তোলে .. অদ্ভুদ শিহৰণেৰে।

ৰূপলেখা :- আজি আপুনি অসমৰ এজন প্ৰতিষ্ঠিত সাহিত্যিক, এজন প্ৰৌজ্বল ব্যক্তিত্বৰ অধিকাৰী। আপোনাৰ এই সফলতাৰ আঁৰৰ কথা অলপ ক'বনে ?

ৰংবং তেৰাং :- মই নিজকে প্ৰতিষ্ঠিত সাহিত্যিক, প্ৰৌজ্বল ব্যক্তিত্বৰ অধিকাৰী বুলি নাভাৱো। কিন্তু, এই ব্যতিক্ৰমী যাত্ৰাৰ আঁৰত, মোৰ শিক্ষাগুৰু সকলৰ আশীৰ্বাদ নিশ্চয় আছে। প্ৰাথমিক স্কুলৰ পৰা বিশ্ববিদ্যালয়লৈকে এই যাত্ৰাৰ মূল চালিকা শক্তি শ্ৰদ্ধাৰ শিক্ষকসকল।

ৰূপলেখা :- আপোনাৰ লেখনিত সদায়েই ঐক্যভাৱৰ সুৰ এটা থাকে। সহজ-সৰল মানুহৰ অনুভূতিবোৰ সৰল ঠাঁচত উপগুি থাকে, যিবোৰ যিকোনো ৰুচি সম্পন্ন লোকৰ মনত সহজে সোমাই যায়। এনে সৃষ্টিৰ আঁত আপুনি ক'ত বিচাৰি পায় ?

ৰংবং তেৰাং -মোৰ লেখাৰ সম্পৰ্কত আগতীয়াকৈ একোকে চিন্তা নকৰোঁ। পটভূমিত মনটো এৰি দিওঁ।পাঠকে কি ভাৱে গ্ৰহণ কৰে, মই নাজানো। এনেবোৰ লেখাৰ মূল আধাৰ

হ'ল, মই বাস্তৱ ৰূপত দেখা সমাজখন আৰু পৰিচিত মানুহবোৰ। সৰু সৰু মানুহবোৰৰ সৰু সৰু মনৰ আশা, সপোন, দুখ-সুখৰ অনুভূতিবোৰ প্ৰকাশ কৰি ভাল পাওঁ। সেয়াই মোৰ সমল।

ৰূপলেখা ঃ- 'ৰং মিলিৰ হাঁহি'ৰ শ্ৰষ্টা এক ছন্দময় নামৰ অধিকাৰী ৰংবং তেৰাঙৰ অনুভৱৰ কাৰেঙত বৰ্তমান কি বীজৰ সৃষ্টি অংকুৰিত হ'বলৈ বৈ আছে আৰু আপোনাৰ প্ৰকাশিত পুথিসমূহৰ অকনমান আভাস দিবনে ?

ৰংবং তেৰাং - এখন সুন্দৰ উপন্যাস লিখাৰ বাবে মনটোক বান্ধি থৈছোঁ। মই লেখা পুথিকেইখনৰ আভাস দি দীঘল কৰিব নিবিচাৰোঁ।

মোৰ উপন্যাস, গল্প আদিত মানুহৰ জীৱনৰ সৰু সৰু কথাৰে জীৱনক বুজি পাবৰ বাবে যত্ন কৰোঁ।

ৰূপলেখা ঃ- আপোনাৰ অতীতত এনে কোনো স্মৃতি এৰি আহিছে নেকি যিটো এতিয়াওঁ ৰোমন্থন কৰে আৰু ভৱিষ্যতেও মনত ৰাখিব ?

ৰংবং তেৰাং - এগৰাকী মহান শিল্পী ড০ ভূপেন হাজৰিকাক দেখা কৰাৰ যি আৱেগৰ শিহৰণত মন কান্দি উঠিছিল, সেয়া সদায়েই মনত থাকিব। নগাঁও নাট্য মন্দিৰৰ সেই মঞ্চ মোৰ মনৰ পৰা হেৰাই যাব নোৱাৰে।

ৰূপলেখা ঃ- কলাক স্বৰ্গীয় মুকুতাৰ লগত তুলনা কৰা হয়। ছাত্ৰাৱস্থাত ইয়াৰ ৰসানুভূতি জগাই তুলিবলৈ আপুনি কাক দায়িত্ব দিব বিচাৰিব ?

ৰংবং তেৰাং ঃ- ছাত্ৰাৱস্থাত সৌন্দৰ্যৰ ৰস অনুভূতি জগাই তোলাত, প্ৰকৃতিৰ বাহিৰে আনক দায়িত্ব দিব নিবিচাৰো। এই বিনন্দীয়া জগতখনৰ বাহিৰে আন কোনো শিল্পী-সাহিত্যিকে সম্ভৱ সৃষ্টি কৰিব নোৱাৰিব।

ৰূপলেখাঃ- অসমত গ্ৰাম্যাঞ্চলত এতিয়াও বহুত মহাবিদ্যালয় আছে য'ত ছাত্ৰ-সমাজৰ সাহিত্যৰ লগত কোনো সম্পৰ্ক নাই । এনে মহাবিদ্যালয় বিলাকত সাহিত্য সজাগতা জগাই তুলিবলৈ অসম সাহিত্য সভাই কিবা পদক্ষেপ লৈছেনে ? যদি লৈছে সেই বিষয়ে অলপ জনাবচোন।

ৰংবং তেৰাং ঃ- অসম সাহিত্য সভাই আমাৰ কাৰ্যকালত গাঁওমূখী কৰিছোঁ এই বাবেই যে আমাৰ গাঁও অঞ্চলৰ সুপ্ত হৈ থকা ছাত্ৰ-ছাত্ৰীসকলৰ মন সাহিত্যৰ প্ৰতি সজাগতা আহক। গাঁৱৰ পৰাই সাহিত্যৰ প্ৰকৃত ৰস আমি আস্বাদন কৰি আহিছোঁ।

ৰূপলেখা ঃ- যান্ত্ৰিক যুগৰ ধামখুমীয়াত যুৱ মানসিকতাৰ স্খলন ঘটিছে বুলি বহু সময়ত প্ৰসঙ্গ উত্থাপন হোৱা দেখা যায়। ইয়াৰ বাবে অকল যুৱ সমাজেই জগৰীয়া নে ? এই সম্পৰ্কত আপোনাৰ দৃষ্টিভংগী ?

ৰংবং তেৰাং ঃ- আনে কি ধৰণে আজিৰ যান্ত্ৰিক যুগটোক মূল্যায়ন কৰিব বিচাৰিছে, সেই সম্পৰ্কে মই [illegible] নিদিওঁ। মানৱ সভ্যতাৰ এই যুগটোৰ লগত আমি হাত মিলাবই লাগিব। আমি যেন মানুহ হৈ থাকিব পাৰো, তাৰ প্ৰতিহে আমি যত্নৱান হ'ব লাগিব।

ৰূপলেখাঃ- সম্প্ৰতি সময় বৰ পয়ালগা, নানান অপকৰ্মৰ অপচ্ছায়াত দেশখনো ধূসৰাচ্ছন্ন। এই পৰিস্থিতিত যুৱ সমাজক আপুনি কি বুলি আলোকময় বাটৰ সন্ধান দিব ?

ৰংবং তেৰাং ঃ- যুগৰ পৰিৱৰ্তনে যুৱ সমাজক জোঁকাৰিবই। এনে জোঁকাৰণিত পুৰণি মূল্যবোধৰ ওপৰত বাৰুকৈয়ে আঘাত হানে। কিন্তু, মোৰ বিশ্বাস, যুৱ সমাজো মানুহৰ সমাজ। গতিকে মানবীয় মূল্যবোধবোৰো যুৱ সমাজৰ পৰাই মানৱ সমাজে লাভ কৰিব।

ৰূপলেখা ঃ- আপোনালৈ আমাৰ অন্তিমটো প্ৰশ্ন - আক্ষেপ বুলিবলৈ জীৱনটোত আপোনাৰ কিবা ৰৈ গৈছে নেকি ?

ৰংবং তেৰাং ঃ- মোৰ জীৱনৰ আক্ষেপ নাই।

ৰূপলেখা ঃ- আপোনাৰ মূল্যৱান সময়খিনি দিয়াৰ বাবে বহুত বহুত ধন্যবাদ॥

## অমৃত বাণী

১) নিন্দাই মোক নীচ কৰিব নোৱাৰে। প্ৰসংশায়ো উচ্চ স্তৰলৈ নিব নোৱাৰে। মই যি আছো সেয়েই থাকিম। - মহাত্মা গান্ধী।

২) প্ৰেমবিহীন জীৱন, ফলিত নোহোৱা গাছৰ দৰে। চিজাৰ পাৰ্ভেজ

সংগ্ৰাহিকাঃ- **মাহমুদা বেগম** , স্নাতক ২য় বৰ্ষ





# HISTORY WITH REFERENCE TO INDIAN HISTORIOGRAPHY – A NEW CONCEPT.

MD. REKIBUDDIN AHMED HAJARIKA,
ASST. PROF. DEPT OF HISTORY

"there is only one history The history of man" — Gurudev Rabindra Nath Tagore.

**What is History?**

History is often said to be the " Queen" or "Mother" of Social science. History is the basis of the study of politics, ethics, economics, philosophy, sociology and even art and religion. Human beings, primitive as well as civilized put a concept of early times. In the olden times, men wandered from place to for searching and hunting food and animals. This people did so much willingly and unwillingly and laid the background of historical knowledge in ancient era.

Still there emerged no real idea of history. In was during the sixth century B.C. the scientific history began to progress. The term history "is derived from the greck word "Historia" which means "information" or "an enquiry designed to elicit truth". It is just "man his –story" the story of efforts to satisfy his craving for an orderly social life.

## Defining history-

History has been defined by different scholars in different connotations. According to the earliest definition 0f Aristotle, ''History is an Account of the unchanging past" E.H.carr gives a very beautiful definition of history. His says- history is an unending dialogue between the past and the present. Carlyle says,' History is nothing but the bibliography of great men. "According to H.g.Wells,' Hum an history is in essence a history of ideas." March Bloch thinks that history is the science of men in time.

Some thinkers are of the view that "good in enifested himself in history "According to Freud "historical records are a how of right

and wrong". pt, Nehru says, "History is the story of mans struggle through the ages against nature and the elements, against wild beasts and the jungle and some of his own kind who have tried to keep him down and to exploit, him for their own benefit" Dr Radhakrishnan says, 'History is the memory of a nation or a race" the best definition which is scientific to a great extent, was given by Repson, According to him, "History is a connected account of the course of events of progress of ideas.

**History — what about its aims and objectives?**

Every subject has creation goals of which it is studied. History is considered to be an important and significant part of education. The highlighting aims and objectives of history are:
- (1) Understanding and learning the present in a better manner.
2) To bring out the intellectual ability of the individual.
3) By giving direction to the study and reality of the subject.
4) To promote the self understanding and co-operation.
5) To give an adequate definition of time, space and society.
6) By evaluating the significance and importance of the olden days.
7) To give the individual to understand the impact of historical facts and environments.
8) To spread the spirit of patriotism.
9) To give the idea of tolerance.
10) To give necessary intellectual attitudes.
11) To cultivate mental training.
12) To help resolve our modern, social, political and individuals problems.
13) To broaden national and international understanding.
14) To earn the knowledge of the sequence of historical events.
15) To know the development of human race according to time.

"History is the philosophy of teaching by examples." It also helps in the policies and programmes of our country. No doubt, "history is a great teacher which demands no fees for its lessons."

**History — "Art" or "Science" ?**

There is a raging debate over the fact that whether history is an art or science. Some scholars are of the view that history is neither pure science nor pure art. In other words, a blending of the two. When it discovers facts it is science and when it settles truth, it becomes an art. History is a unique subject possessing the potential of both an art and a science. It is two sides of the same coin. History of course is a social science and an art. In that condition history shows its flexibility and variety. History is a subject of study is less or more completely at mercy of sources. History is a natural science.

**History - what is its new concept?**

The new concept of history is more scientific and comprehensive. By the new concept, history dose not contain only the history of kings and queens, wars and generals, it is the history of the common man – his house and clothing's, his continuous and comprehensive efforts to his





house and family and to gain a just. Government, his expectation goals, performance, downfall, drawbacks; not only the individual but the societies are also the subject matter of study of history. The new concept of history gives emphasis on history and evolutions, birth and development of human civilization through the ages. During the age of classical civilization of Greece and Rome, a scientific purpose was important in history.

History deals with the intellectual progress of humans. The very modern concept of history is wide and comprehensive. In this context, importance is given on economic, social, political, religious, military and constitutional areas. Modern concept of history also includes the achievement and deals of great patriots and warriors. It also gives importance on the positive link and unity which basically exists between the national and world history.

**"Indian historiography" - a new concept:**

Historiography (graphics) is the history of historians writing. It is a progressive science. Hence, the conceptual analysis of study and writing about that progress has been defined as "historiography".

It is necessary that history must be rewritten from one generation to another by the print of time. Despite the authority and continuity of her civilization, development made by India in historical writing was not only slow but continues in the same vain today. The Hindus of ancient India progressed tow ards a definition of time and a conception of cyclic trends. The Muslim conquerors brought with them a legacy of historical writing to India. By then history was what the reliable reporter's lad started and what was based on authority. In the modern scenario, since the advent of the Europeans, histirical sources in India was influenced by western philosophies and its research traits.

Finally, we observe that it is the thing which needs to be examined and taken care of Indian historians while writing and rewriting Indian source of history. A mention may be made of misinterpretation; distortions need to be reformed, so that a forward outlook is progressed.

It is said that, history is no longer a handmade of theology and literature, but a scientific analysis of the past days, which is a continuous and comprehensive trend.

*************************


Bibliography

Assam's History And its graphics.
By Pathak Ch. Niranjan,
Pathak Guptajit


১) ভেকুলীৰ বৈজ্ঞানিক নাম কি ? == ৰফ'মেনান' ষ্টিকটাউ।
২) কোন প্ৰাণীৰ চকু নাই ? ==- উঁই আৰু কেঁচুৱা।
৩) কি প্ৰাণী পানী নাখায় ? == কৃকমৃগ ।

সংগ্ৰাহিকাঃ- শ্বামীমা খাতুন
উঃ মাঃ ২য় বৰ্ষ

# What is Education

Md.Boshir Ahmed
T.D.C.-2ND YEAR

Education Is A Very Comprehensive As Well As A Dynamic Term . Its Boundaries Is So Wide And Varied As A Somfines Our Whole Life.Sinilarly Its Meaning Is As Wide As Life Itself And Meaning Also Changes From Time To Time.Education Means Aequisition Of Knowledge And Skills And It Is Designed Process It Is A Process Individual Adjustment Whit His Own self, Friends, Relatives, Members Of The Society Etc. Education Has Passed Thougn The Various Stages In The Process Of Evolution And It's Still On It's Progress And Development. In The Vedic Era, The Concept Of Education Was Different From What It Is Today. In Those Days Education Was Attainment Of Salvation Of TheHuman Soul. The Ancient Indian Saints Believed In Spirituality. But With TheChange Of Time Everything Around Men Has Changed. The Tediously SimpleAnd Limited Life Of Man Is Becoming More And More Complex.ToSurviveInThis World Man Has To Be Educated .

Education Has Been Considered As A Natural Process. The Process Of Education Begins When An Individual Is In The Womb Of His Mother. Actually, The Term Of 'Education' Has Many Different Meanings.' A Teacher May Interpret Education As Means For The Creation Of The New Man As Well As The New Society And The Nation. On The Other hand, To A Student Education Is Nothing But Acquiring Of Knowledge, Passing Examinations And Receiving Degrees And Diplomas. Similarly An Artist Looks. Upon 'Education' As A Way To Love And Enjoy Beatty's A religious Man 'Education' Is To Impart A spiritual Values In The Minds Of The People. Thus, There Is Almost An Universal Interest In Education. The Teachers, The Students, The Artists And The Religious Men Interpret The Term 'Education' In Their Own Ways.






**DERIVATIVE MEANING OF EDUCATION:-**

Education May Be Described As A Process Of Development In Man. People Have Already Been Considering The Derivation Of The Word 'Education'. It Has Been Derived From Several Latin Word. At First,' Education' Is Derived From The Latin Word 'Education'. The Word 'Educalam Is The Combination Of Two Words-'E' And 'Duco' Which Means-'Out Of' And 'To Lead' Respectively. Hence, The Word Educatum Means To Lead To The Outside From The Inside. From These, We Can Say That In Education Teacher Does Not Give Anything To The Taught But Helps Him In Develeoping His Inner Potentialities. Education Derived From The Another Latin Two words-'Educare' And 'Educare' Which Means 'To Develop' Or 'To Lead Out' And 'To Bring Up' Or 'To Educate'.Therefore, According To The Educatonists,The Word 'Education' Must Have Been Derived From 'Educare 'And Eduacare'.Gramaticalhy It Is A Noun But In Meaning It Is A Process. From The Above Derivation It Becomes Clear That Education Is A Process Of Developing The Inner Talents Or Potentialities Of An Individual With The Help Of Training.Thus,Education Is Both Acquisition Of Knowledge Or Act Of Teaching And Development Of Skills,Attitudes,Habits Etc. The Meaning Of Education Is Very Wide And Extensive. From It's Broad Perspective. It Can Be Explained In Two Ways- The Marrow Sense And The Broader Sense. In The Marrow Sense, Education Is Imparted At A Definite Place-School, College Or University And At A Definite Time.It Has Great Importance In An Individual's Life. It Helps In The All Round Development Of The Individuals Through A Systematic Scheme Of Education . The Amount Of Education Received Is Measured By The Marks Obtained By The Students After The Completion Of Every Course With The Help Of Examination. On The Otherhand,In The Wider And Unrestricted Sense, All Experiences Of Our Life Is Said To Be Education. It Is As Broad As Life Itsely.In This Sense, Every Experience Acquired By Man During Infancy To Old Age Or Through Various Agencies Of Education. It Comprises The Totally Of Our Experiences From Life To Death I;E.-"Wonb To Tond".From Birth Upto Death We Come Is Contact With Many Things,Persons,Institutions And Ideas .Every Moment We Gain New Experience. These Experience Are Encountered By Us On A Large Convas.This Is The Broad Meaning Of Education.

*****************



# *Inspiration From Nature*

**Md. Ansarul Islam**
**B.A. 2nd Year**

**Nature, The storehouse of all ideas and The mother og all inspirational resources,has inspired poets, painter's, musicians and even scientists for centuries.The beauty, The Wisdom and The ingenuity that inspired these distinguished people to create masterpieces is available to each one of us too. In The course of River, in The life cycle of a butterfly and even in a tiny seed.... Nature has massage of inspiration.**

**The birth of plant is one such inspiring event the root and shoot of a germinating seed exert considerable force to burst open the seed coat and break through the heard ground to being its life. Each time a tiny seedling pushes its way through the soil, The inspiration nature sends us is that the 'Roots of success are formed through hard work.**

**One of the most inspiring Phenomenons in nature is the transformation of a caterpillar to butterfly. Through the transformation of tiny insect that once crawled to a brilliantly colored creature that can fly, nature gently unfolds the massage. "Good Things come to those who Wait" and inspired us to persevere.**

**Each time a seed drives its way through the soil in order to survive, each time a river overcomes a big rock on its path, each time a wiggly caterpillar transforms itself into a beautiful butterfly, nature is inspiring to you excel. The next time you want to be inspired, all you have to do is to look deeper into to the natural world and hear The serest massages Nature sends.**





# শ্ৰদ্ধাঞ্জলি



## অম্বিকাচৰণ চৌধুৰী

মৃত্যু ঃ ২০১১ চন, ৪ নৱেম্বৰ, গুৱাহাটী

— জোনাকী জীৱন

## জোনাকী জীৱন (গল্প বিভাগ)


| | |
|---|---|
| নদীৰ পাৰৰ ঘৰ | ঃ অধ্যাপিকা ওৱাহিদা ৰহমান |
| চকুলো | ঃ আনজুমা খাতুন |
| ৰোহনৰ শিক্ষা | ঃ এম আবু হানজালা |
| মাকৰ মৰম | ঃ নাৰ্গিছ বেগম |
| হিয়াৰ দাপোণত তোমাৰেই ছবি | ঃ চন্দনা ৰয় |
| স্নেহময়ী | ঃ মুমতাহানা আলম |






# নদীৰ পাৰৰ ঘৰ

**ওৱাহিদা আহমেদ**
*সহকাৰী অধ্যাপিকা*



এলাৰ্ম ঘড়ীৰ শব্দত ইলা সাৰ পাই গ'ল। তাই একেবাৰে বিছনাৰপৰা ভৰিখন নমালে আৰু চেণ্ডেলযোৰত ভৰি দুখন সুমোৱাই দিলে। উঠি থিয় হৈ প্ৰথমে ৰাবাৰ বেণ্ড এটাৰে আউলি-বাউলি হৈ থকা চুলিতাৰি পলিটেল এটা কৰি ল'লে। বিছনাৰ কাষতে থকা আইনাখনত নিজকে এবাৰ চকু ফুৰাই নাইটিটো দুয়োখন হাতেৰে টানি চিধা কৰি পুনৰ নিজকে আইনাত আৰু এবাৰ চালে আৰু তলৰ তলাত থকা গিৰিয়েকৰ কোঠালিলৈ বুলি খোজ দিলে। গিৰিয়েকে বিছনাত পিঠিত দুটা গাৰু ভেজা দি বহি আছিল।

টোপনিৰপৰা উঠাৰ সময় হ'লনে তোমাৰ? বিৰক্তি আৰু ব্যঙ্গ ভাবেৰে তেওঁ সুধিলে— এই পৰ্দাবোৰ অলপ দাঙি দিবানে? ইয়াত একদম কবৰৰ ভিতৰৰ দৰে আন্ধাৰ হৈ আছে।

ইশাই কৰ্তব্যপৰায়ণতাৰে আগবাঢ়ি গৈ পৰ্দাবোৰ এফালে কোঁচাই দিলে যাতে কোঠালিটোৰ ভিতৰলৈ পোহৰ সোমাই আহে। তাই বাহিৰলৈ চাই পঠিয়ালে। অলপ দূৰত থকা নদীখন এই মুহূৰ্তত প্ৰাণ চঞ্চলহীন গতিৰে বৈ আছে। শান্ত পানীৰ বুকুত ৰ'দৰ জিলিমিলি। দূৰত, বহু দূৰত একমাত্ৰ নাওখন ভাঁহি আছে পানীৰ বুকুত। তাই ৰৈ থাকিল খিৰিকিৰ গ্ৰীলবোৰত হাত থৈ। তাই আত্মহাৰা, তাই আত্মগমন। নাওখনে লাহে লাহে গতি কৰিব ধৰিছে নদীৰ মাজ বুকুলৈ বুলি। পালতৰা নাও। পালখন ৰঙা ৰঙৰ। ৰঙা! তাই ভাবিলে— এজন আত্মকেন্দ্ৰীক ব্যক্তি কেনেকুৱা হ'ব পাৰে বাৰু? তেওঁ যিজনে পৃথিৱীৰ সকলোৰে দৃষ্টি অকল নিজৰ ওপৰতে আৱদ্ধ হোৱাটো বিচাৰে অথবা সমূহ ভিৰৰপৰা নিজকে আঁতৰত থিয় কৰাবলৈ ভয় নকৰে।

— ইশা, তুমি খিৰিকিখনৰপৰা আঁতৰি যাবানে? তুমি মোক বাহিৰৰ দৃশ্য চোৱাৰ পৰা বঞ্চিত কৰি আছা। তাইৰ গিৰিয়েকে হুঙ্কাৰ দি উঠিল।

তাই আঁতৰি আহিল বাধ্য ছাত্ৰীৰ দৰে। তাই ভাবিলে— মই আচলতে তেওঁক কিবা ক'ব লাগিছিল। কিন্তু মই লাগিলে যিয়েই কওঁ তেওঁ মোৰ কথাত কেতিয়াও সন্মত নহ'ব। তেওঁ এজন নঞাৰ্থক ব্যক্তি। মই যদি কওঁ বৰ সুন্দৰ দিন আদি তেওঁ নিশ্চিতভাৱে ক'ব আজি বৰষুণ দিব। মই যদি কওঁ নদীখন বৰ মনোৰম, তেওঁ ক'ব নদীৰ পানী ঘোলা। তাই অজানিতে নিজৰ ভাৱনাত মুৰ জোকাৰিলে। নিৰন্তৰভাৱে তাই ভাৱিব ধৰিলে— আমি যেতিয়া প্ৰথম নদীৰ পাৰৰ এই ঘৰটো কিনিছিলো, আমি বৰ সুখী আৰু আনন্দিত আছিলো। ঘৰখন সুখ-শান্তি আৰু প্ৰাচুৰ্যৰে ভৰপুৰ আছিল। মোৰ স্বামীয়ে বৰ ভাল চাকৰি এটা কৰিছিল আৰু লগতে ব্যৱসায়ো কৰিছিল বাবে টকা-পইচাৰ আমদানি বৰকৈ হৈছিল। অভাৱ বোলা বস্তুটোনো কি আমি জনা নাছিলো। ঘৰত কাম কৰা মানুহ দুজন; বাগিচাত কাম কৰা মালী থকা বাবে মই কোনো কালে চিন্তা কৰিবলগীয়া হোৱা নাছিল। কিন্তু তাৰ পিছত তেওঁৰ কঠিন বেমাৰ হ'ল আৰু চিকিৎসাই আমাৰ সঞ্চিত ধন গোটেইখিনি খাই পেলালে। এতিয়া ঘৰ চাফা কৰা, ঘৰৰ সকলো কাম কৰা, বাগিচাখন পৰিস্কাৰ কৰাৰ বাবেও অকল মইহে আছো। তেওঁৰ পৰিচৰ্যা কৰা, বজাৰ-সমাৰ কৰাবে পৰা আদি কৰি সকলোখিনি বৰ্তমান মোৰ ওপৰত। কিন্তু মই লাগিলে যিয়েই কৰোঁ, যেনেকৈয়ে কৰোঁ, এইবোৰ কেতিয়াও ভাল, সন্তোষজনক আৰু যথেষ্ট নহয়, নহয়েই...।

— তুমি কি তাতেই গোটেই দিনটো ভেবা লাগি থিয় হৈয়েই কটাবানেকি? মই যে ভোকত আছো। তোমাৰ হুচ আছেনে?

গিৰিয়েকৰ কৰ্কশ মাতত তাই চক্ খাই উঠিল। তাই লৰালৰিকৈ পাকঘৰলৈ আহিল। ফ্ৰিজৰপৰা কণী দুটা উলিয়াই ফেটিলে আৰু তাত পিয়াজ, কেঁচা জলকীয়া মিহলাই ল'লে। পিয়াজ আৰু জলকীয়া সমপৰিমাণৰ নহ'লে আকৌ তেওঁ ভাল নাপায়। এইবাৰ তাই চচ্‌পেনত চাহকাপ হয় মানে তাই কণী অমলেট বনাই পেলালে। চাহকাপ কাঢ়াকৈ বনাই তাই কাপত ঢালি ট্ৰেখনত ল'লে।

গিৰিয়েকক সকলোবোৰ যত্নসহকাৰে যোগান ধৰাটো হ'ল তাইৰ নিত্য নৈম্যত্তিক কৰ্তব্য যদিও ইয়াৰ বাবে কেতিয়াবা ধন্যবাদসূচক বাক্য এষাৰি তেওঁৰপৰা আশা কৰাটো তাইৰ বাবে কল্পনাতীত। তাইৰ কোনো কামেই তেওঁৰ দৃষ্টিত সঠিক নহয়। আজিকালি সিহঁতৰ ঘৰলৈ খবৰ ল'বলৈ আগৰ দৰে কোনো নাহে। কিন্তু ইয়াৰ বাবে তাই কাকো দোষাৰোপ নকৰে। আপাতদৃষ্টিত চাবলৈ গ'লে কোনো নহাটোৱেই স্বাভাৱিক। কাৰণ ঘৰলৈ খবৰ ল'বলৈ অহা সকলোৰে কথা আৰু কৰ্মৰ দোষ উলিয়াই তেওঁ কটু মন্তব্য কৰাৰ পৰা বিৰত নাথাকে। ভৱিষ্যত..? নাই কোনো ভৱিষ্যত নাই। সিহঁত বৰ্তমানত হে জীয়াই আছে। তেওঁ, তেওঁৰ বেমাৰক, পঙ্গুত্বক, তাইৰ বিৰুদ্ধে ব্যৱহাৰ কৰি তাইক দাসত্বৰ শিকলিৰে বান্ধি পেলাইছে। এটা নিৰস, বৈচিত্ৰহীন আৰু আমনিদায়ক জীৱন অতিবাহিত কৰিবলৈ তাইক বাধ্য কৰোৱা হৈছে, জীৱনৰ প্ৰতি থকা মোহ, উচ্ছাহৰ প্ৰতি ভিতৰি ভিতৰি তাই উদাসীন হৈ পৰিছে। ভালপোৱা-মৰম, আন্তৰিকতা এইবোৰ কি? এইবোৰৰ সংজ্ঞা কি? নাই, নাই কোনো উত্তৰ।

টমেটো চছ, কেঁচা পিয়াজৰ টুকুৰা, কেঁচা জলকীয়া আৰু অলপ আচাৰ আদিৰে ট্ৰেখনত ব্ৰেড টষ্ট চাৰিখন, অমলেট আৰু চাহকাপ সজাই লৈ তাই ল'ৰালৰিকৈ পুনৰ তেওঁৰ কোঠালৈ গ'ল। তেওঁৰ কপালখন কোঁচ খাই আছে। বিৰক্তি নে খং? চকুদুটা সৰু কৰি ট্ৰেখন তেওঁৰ সন্মুখত থোৱাটো চালে।

— অ', সময় হৈছেনে ব্ৰেক ফাষ্ট দিয়াৰ? চোবাই চোবাই কথাষাৰ তেওঁ ক'লে। তাই মুখেৰে নামাতিলে।





তেওঁ খোৱা আৰম্ভ কৰিলে আৰু তাই পুনৰ আগৰ খিৰিকিখনৰ ওচৰত গৈ থিয় দিলে। তাই বাহিৰলৈ চাই পঠিয়ালে। ৰঙা পাল তৰা নাওখন এতিয়া নদীৰ মাজ পাওঁ পাওঁ হৈছে।

ৰ'দৰ পোহৰত ৰঙা পালখন আৰু ৰঙাকৈ জিকিমিক কৰি উজ্বলি উঠিলে। নদীৰ পানীত এতিয়া যেন এটা খলকনি উঠিছে। তাই ভাবিছে- উস্, যদি সেই নাওখনত এবাৰ উঠিব পৰা গ'লহেঁতেন! সম্পূৰ্ণ দ্বিধাহীন, নিৰুদ্বেগচিত্তে আৰু পূৰ্ণ স্বাধীনতাৰে ৰাতিপুৱাৰ এই সতেজ বতাহৰ আমেজ লৈ নদীৰ বুকুত ভাঁহিব পৰাহেঁতেন। আঃ কি যে শান্তি, প্ৰশান্তি...। ভাবনাবোৰে তাইক সম্পূৰ্ণ আত্মহাৰা কৰি পেলালে, তাই যেন দূৰত, বহু দূৰত, এক অজান দেশত। নদীৰ পানীৰ খলকনি, নাওৰ গাত খুন্দা লগা পানীৰ শব্দই তাইক আনমনা কৰি তুলিলে।

'ইশা, ইশা মোক টেবলেট দিয়া। মোক সোনকালে টেবলেট দিয়া।'

বহু দূৰৈত তাইক কোনোবাই কিবা কোৱা যেন অনুভৱ কৰিলে। তাই ভাবিলে আঁতৰত কোনোবাই কথা পাতিছে।'

'ইশা, আঃ সহায় কৰা, ৰক্ষা কৰা মোক। মোৰ টেবলেট...।'

কিন্তু আহ্বান লাহে লাহে নিস্তেজ, ম্লান পৰি আহিল। নাই, এতিয়া আৰু এই কোঠালিত নাই। তাই এতিয়া বাহিৰৰ সেই নদীৰ বুকুত জলকেলি কৰি উমলি থকা ৰঙা পালতৰা নাও খনত তাই বতাহেৰে ধেমালি কৰি পূৰ্ণ নিৰুদ্বেগচিত্তে, পূৰ্ণ স্বাধীনতাৰে নাওখনত ভাঁহি ফুৰিছে। তাইৰ চুলিবোৰ বতাহত উৰি আছে। নাওখনে তাইক উঁহাই লৈ গৈ আছে বহু দূৰলৈ, সেই নদীৰ পাৰৰ ঘৰখনৰ পৰা বহু দূৰলৈ, চিৰদিনলৈ...।

## ব্যঙ্গ ৰচনা

# শিক্ষা

**তাপস্ কুমাৰ ৰায়, স্নাতক তৃতীয় বৰ্ষ**

এখন গাঁৱত ৰাম নামৰ এটা লৰা আছিল। সৰুতেই তাৰ মাক-দেউতাক ঢুকাইছিল। আইতাকে ৰামক তুলি তালি ডাঙৰ-দীঘল কৰিছিল। আইতাকে ৰামক হৰিদাস নামৰ এজন অফিচাৰৰ ঘৰত কাম কৰিবলৈ পঠাই দিছিল আৰু ৰামে হৰিদাসৰ ঘৰত এবছৰ ভালদৰে কাম কৰিছিল। এদিনাখন ৰামৰ আইতাকলৈ বৰ মনত পৰিল। হৰিদাসৰ পুতেকক স্কুলত যোৱা দেখি তেঁওৰো মন গৈছিল স্কুলত যাবলৈ আৰু এই কথা আইতাকক কোৱাত তাই হৰিদাসক কৈ ইংৰাজী স্কুল এখনত নাম লগাই দিছিল। ৰাম পোন প্ৰথমবাৰৰ বাবে পঢ়াশালিলৈ গৈছে। কিন্তু তেওঁতো ইংৰাজী নাজানে। তেওঁ জানে মাত্ৰ দুটা ইংৰাজী- Hello Derling আৰু You shut up বাক্য দুটা তেওঁ অফিচাৰৰ ঘৰৰ পৰা শিকিলে। অফিচাৰে অফিচৰ পৰা আহি পত্নীক কয়- Hello Derling আৰু কেতিয়াবা হৰিদাসৰ পত্নীৰ খং উঠিলে You shut up বুলি কয়। ৰামে এই বিলাক ভাবি ভাবি গৈ পঢ়াশালি পালে।

পঢ়াশালিত বহুতো ছাত্ৰ-ছাত্ৰীয়ে প্ৰথমে শিক্ষয়ত্ৰী অহাত Good Morning বুলি ক'লে আৰু ৰামেও নিজে জনা Hello Derling বুলি কৈ উঠিল। লগে লগে শিক্ষয়ত্ৰীৰ খং উঠি গ'ল। শিক্ষয়ত্ৰীয়ে ক'লে-Shut up। ৰামেও লগে লগে কৈ উঠিল- You shut up ইয়াৰ পাছত শিক্ষয়ত্ৰীৰ খণ্ডত আৰু ৰামৰ পঢ়া নহ'ল।

# চকুলো

**আনজুমা খাতুন**
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ

হঠাৎ আকাশখন মেঘাচ্ছন্ন হৈ বিজুলী-ঢেৰেকণিৰে পৃথিৱীখন অন্ধকাৰ কৰি পেলালে। নিমিষতে নামি আহিল আকাশৰপৰা ধাৰাসাৰে বৰষুণ। তেনেতে দীপহঁতৰ ঘৰত হুলস্থুল শুনি ওচৰৰ খুড়াক ৰমেন দৌৰি আহিল। তেতিয়া দীপৰ দেউতাকে এখন উদং খাটৰ ওপৰত পৰি ছট্‌ফটাই আছিল ৰোগৰ যন্ত্ৰণাত, ওচৰতে দীপৰ মাকে বহি চাই আছিল বিকাৰগ্ৰস্ত স্বামীৰ শুকান মুখলৈ। দুদিন ধৰি খাবলৈ নোপোৱা দীপৰ দেউতাকৰ মুখখন তেনেই শুকাই আহিছিল। তেনেতে দীপ আহিল স্কুলৰপৰা তিতি-বুৰি। দেউতাকৰ অৱস্থা দেখি তেওঁ খুড়াকক ক'লে— খুড়া, দেউতাৰ চিকিৎসাৰ বাবে আপুনি কেইটামান টকা দিব পাৰিবনে? খুড়াৰ অজস্ৰ ধন-সম্পদ থকা স্বত্বেও একেবাৰে দিব নোৱাৰিব বোলাত দীপৰ কোমল হৃদয়খনত চোকা অস্ত্ৰেৰে আঘাত কৰা যেন লাগিল। মাক মৰমীয়ে দীপৰ দুখ লগা কোমল মুখখনলৈ চোৱাত তাই দীপৰ অন্তৰৰ অৱস্থাটো বুজি পাই তেওঁলোকৰ ঘৰখনত সম্পত্তি হিচাপে থকা হাতৰ সোণৰ খাৰুযোৰ খুলি দি ক'লে— যা দীপ, এইখিনি মহাজনৰ হাতত দি যি কেইটা টকা পাৱ তাৰে তোৰ দেউতাকৰ ঔষধ আৰু অলপ খোৱা বস্তু লৈ আহ গৈ যা।




দীপেও মাকৰ কথামতেই পলম নকৰি মহাজনৰ ঘৰৰ অভিমুখে ওলাল। মহাজনক খাৰুযোৰ দিওঁতে দীপক মাকৰ মুখখনে বৰকৈ আমনি কৰিছিল, যিহেতু সেই খাৰুযোৰেই আছিল দেউতাকে বিয়াৰ সময়ত দিয়া একমাত্ৰ সম্পদ।

দীপে মহাজনৰ ঘৰত পলম নকৰি মহাজনৰপৰা টকা এহেজাৰ লৈ দেউতাকৰ কাৰণে ঔষধ আৰু খোৱা বস্তু অলপ লৈ বেলি মাৰ যোৱাৰ আগতে ঘৰলৈ উভতিল। ইফালে দেউতাকৰ অৱস্থাও সংকটজনক হৈ আহিছিল। দেউতাকে শুই শুই মৰমীক ক'লে— মোৰ সময় হৈ আহিছে মৰমী, কোনো ঔষধৰ আৰু প্ৰয়োজন নাই। শেষ মুহূৰ্তত মাথোঁ এটা কথা কওঁ তুমি দীপক মানুহ কৰিবা। কষ্ট কৰি হ'লেও তেওঁক লিখা-পঢ়া কৰাবা যাতে তেওঁ সমাজত মানুহ হিচাপে স্বীকৃতি পায়...। মৰমী মোৰ বুকুখন বৰ বিষাইছে, পানী অকণমান দিয়াচোন। মৰমী শোকত ভাগি পৰিল। তাই ওচৰতে থকা গিলাচৰপৰা চামোচেৰে পানী অলপ খুৱাই দিলে। তাৰ কিছু মুহূৰ্তৰ পাছতেই তাইৰ স্বামীয়ে চকুযোৰ মুদি চিৰদিনৰ বাবে বিদায় মাগিলে এই পংকিল জগতৰপৰা অন্য এক পৃথিৱীলৈ য'ত নাই কোনো উচ্চ-নীচৰ ভেদ-ভাৱ।

দীপে ঔষধ লৈ উভতি আহি চোতালত অনেক মানুহ গোট খাই থকা দেখি তেওঁৰ হিয়া কঁপি উঠিল। মাটিত বগা কাপোৰৰ আৱৰণ এটাৰ ওচৰতে মাকে হিয়া ঢাকুৰি কান্দি থকা দেখি দীপৰ আৰু বুজিবলৈ বাকী নাথাকিল। তেওঁ নিজকে চম্ভালিব নোৱাৰিলে। দৌৰি গৈ তেওঁ দেউতা দেউতা বুলি চিঞৰ মাৰি অজ্ঞান হৈ পৰি গ'ল। তেওঁৰ যেতিয়া সম্বিত ঘূৰি আহিল। তেতিয়া দেখিলে কেইজনমান মানুহে দেউতাকক ধৰি চিতাত উঠাই দিছে। তাৰ পিছত নিমিষতে তেওঁৰ মৰমৰ দেউতাক জুইৰ মাজত সোমাই পৰিল।

একমাত্ৰ টকাৰ কাৰণে আজি দীপে তেওঁ দেউতাকক নিয়তিৰ হাতত গটাই দিবলগীয়া হ'ল। দেউতাকৰ মৃত্যুৰ পাছত সিহঁত দুই মাক-পুতেক বৰ অসহায় হৈ পৰিল। এসাঁজ খাই এসাঁজ নাখাই দিন অতিবাহিত কৰিবলৈ ধৰিলে যদিও মাকে দীপক পঢ়া এৰি দিবলৈ নিদিলে।

মাকে আনৰ ঘৰত কাম কৰি যি অলপ পাই তাৰেই সংসাৰ আৰু পঢ়া খৰছ বহন কৰে। দীপে পইছাৰ অভাৱত আনৰ ওচৰত টিউচন ল'ব নোৱাৰে যদিও মনযোগেৰে পঢ়িবলৈ ধৰিলে। আনৰ সহায় নোহোৱাকৈয়ে বহু কষ্টৰে পঢ়ি দীপ দশম শ্ৰেণী পালেগৈ। মাকে আনৰ ঘৰত সদায় কাম কৰিবলৈ যোৱাৰ কষ্ট সহিব নোৱাৰি এদিন দীপে মাকক ক'লে, 'মা, মই স্কুললৈ নাযাওঁ। মোৰ কাৰণে তুমি আনৰ ঘৰত কাম কৰিবলৈ যাব নালাগে। তোমাৰ দুখ মোৰ সহ্য নহয়। বৰ্তমান মই কাম কৰিবপৰা হৈছো। অহা কাইলৈৰপৰা মই কাম কৰিবলৈ যাম।'

তাৰ মৰমভৰা কথাখিনিত মাকে আদৰেৰে ক'লে, 'তই স্কুল এৰিব নোৱাৰ সোণ, পঢ়ি-শুনি তই ডাঙৰ মানুহ হ'ব লাগিব। তেতিয়াহে আমাৰ জীৱন সুৰক্ষিত হ'ব আৰু তোৰ দেউতায়ো মনত শান্তি পাব। কাৰণ তোক লৈ দেউতায়ে বহুত কল্পনা কৰিছিল তোক ডাঙৰ মানুহ কৰিব বুলি। কিন্তু নিয়তিয়ে..... মাকে আৰু ক'ব নোৱাৰিলে। বৈ অহা চকুলো দুধাৰি মাকে দীপে নেদেখাকৈ চাদৰৰ আঁচলৰে মচিবলৈ ধৰিলে।

চাওঁতে চাওঁতে দীপৰ প্ৰৱেশিকা পৰীক্ষা ওচৰ চাপিলহি। পোহৰৰ কোনো ব্যৱস্থা নথকাত সি চাকিৰ টিমিক-টামাক পোহৰতে পঢ়িবলগীয়া বিষয়বিলাক খৰচি মৰি পঢ়িবলৈ ধৰিলে। প্ৰথম দিনা তাৰ ইংৰাজী পৰীক্ষা। মাকে তাক পঢ়িবলৈ দি কিবা এটা পোৱাৰ আশাৰে গাঁৱলৈ ওলাই গ'ল। কিন্তু একো এটা বিচাৰি নাপাই বিষাদ মনেৰে ঘৰলৈ উভতি আহিল। মাকৰ এটাই চিন্তা, কাইলৈ দীপ পৰীক্ষা দিবলৈ যাওঁতে তাৰ মুখত কি দি পঠাব? দিনটো অনাহাৰে যাব কিন্তু ৰাতিটো কেনেকৈ পাৰ কৰিব? তাতে আকৌ কাইলৈ পৰীক্ষা। ৰাতিও মাক-পুতেক কোনেও মুখত একো এটা দিবলৈ পোৱা নাই। দীপে অনাহাৰেই বহু নিশালৈকে মনোযোগেৰে পঢ়িলে। ওচৰ-চুবুৰীয়া আত্মীয়স্বজনসকলে সবেই জানে এই ঘৰটোৰ এনে তথৈবচ অৱস্থা, অথচ কাৰো এই ল'ৰাটোৰ প্ৰতি অলপো সহানুভূতি নজন্মিল। কি আচৰিত আধুনিকতাৰে এই সমাজ ব্যৱস্থা... কি মমতাবোধ এই জীৱশ্ৰেষ্ঠ মানৱ জাতিৰ...।

এইয়া দীপ অনাহাৰেই পৰীক্ষালৈ ওলাইছে। তাৰ মুখলৈ চাই মাকে অসহায়তাত মাথোঁ দুগাল তিয়াই কান্দিছে। বৰ করুণ অথচ আত্ম প্ৰত্যয়ৰে দীপে যোৱাৰ সময়ত মাকৰ ভৰি চুই ক'লে— মা, তুমি দুখ নকৰিবা।

আমাৰ ভাগ্যত যি আছে সেয়া হ'বই। মাথোঁ আশীৰ্বাদ কৰা যাতে তোমাৰ ল'ৰাই সু-খ্যাতিৰে উত্তীৰ্ণ হ'ব পাৰে।

তেওঁ যোৱাৰ পাছত মাকে কান্দি কান্দি দেউতাকৰ খাটখনতে শুই পৰিল। নানান অভাৱ-অনাটনত মানুহজনী যক্ষ্মা ৰোগত আক্ৰান্ত হৈছিল। কথাটো তাই দীপৰপৰা লুকাই ৰাখিলে। জানোচা শুনিলে চিন্তাত তাৰ অধ্যয়নত ব্যাঘাত জন্মে। কিন্তু আজি তাইৰ কাহটো অলপ বেছি। অথনিৰেপৰা তাই কাহিয়েই আছে। ইফালে দীপ আনন্দমনে পৰীক্ষা ভাল হোৱাৰ খবৰটো মাকক দিবলৈ আহিল। কিন্তু এয়া কি? মাকে বিছনাত পৰি কাহি আছিল। বিছনাত তেজো পৰি থকা দেখা পালে। এইবোৰ দেখি তেওঁ ভয়ত কান্দিয়েই মাকক সুধিলে— মা, এয়া তোমাৰ কি হৈছে, আৰু এই তেজ...? মাকে ক'লে— সোণ মোৰ একো হোৱা নাই। আজি তোৰ পৰীক্ষা কেনে হ'ল সেইটো ক। সি ভাল বুলিয়েই ক'লে।

দীপে পৰীক্ষা দি আৰু একো ভাৱিব পৰা নাই। মাককলৈ বৰকৈ চিন্তাত পৰিল আৰু মাকৰ মুখখন চাবলৈ তেওঁ বন্ধু-বান্ধৱ সবকে এৰি থৈ দৌৰি আহিছিল। ঘৰলৈ আহি তেওঁ একোতে মন বহাব নোৱাৰিলে। তেওঁৰ চিন্তা বাঢ়ি আহিল। সি কি কৰিব একো উপায় বিচাৰি নাপালে। তাৰ এনে অৱস্থা দেখি মাকে কাইলৈ পৰীক্ষাটোৰ কথা মনত পেলাই দি পঢ়াত বহিবলৈ ক'লে। সি পঢ়িবলৈ বহিল যদিও পঢ়া নহ'ল। কোঠাৰ ভিতৰখন তাৰ বৰ করুণ যেন লাগিল। কেৰাচিনৰ জ্বলাই থোৱা চাকিটোৰ পোহৰ এবাৰ বাঢ়ে এবাৰ কমে এনেদৰে কোঠাটো এক অবুজ সাঁথৰ যেন লাগিল। এই নিশাখন তেওঁ বৰ অসহায় লাগিল। ওচৰ-চুবুৰীয়াৰ কোনেও তেওঁৰ পৰিয়ালৰ খবৰ এটা কৰিবলৈ নাহিল। মাক বেছ নৰীয়া হৈ অহাত তাৰ আৰু পঢ়া নহ'ল। মাকৰ হাতত ধৰি সি কান্দিবলৈ ধৰিলে। সিহঁত দুখীয়া বুলি এবাৰলৈয়ো কোনেও চাবলৈ নাহিল। এয়াই আজিৰ সমাজত জীয়াই থকা ভোগবাদী মানৱতাৰ উদাহৰণ।

মাকৰ অৱস্থাৰ কথা ভাৱি তেওঁ শংকিত হৈ পৰিল। অন্ধকাৰ পঁজাটোত জ্বলি থকা চাকিটোলৈ চাই দীপে ভাৱিবলৈ ধৰিলে দুখীয়াসকলৰ জীৱন এই চাকিটোৰ দৰেই ক্ষীণকায়। অলপ বতাহ আহিলেই সকলো অন্ধকাৰ কৰি থৈ যাব পৰা।

এনেতে যেন মাকে কিবা এটা ক'ল খুজিলে। সি আগ্রহেৰে মাকৰ মুখলৈ চালে। মাকে দীপ বুলি এবাৰ উচ্চাৰণ কৰিলে। তাৰ পাছত দীপে আৰু একো শুনা নাপালে। ভয়ত সি কঁপি উঠিল। চকু দুটাও চকুলোৰে ভৰি পৰিল। তাৰ পিছত কেইবাবাৰো মাকৰ মুখখন জোকাৰিও কোনো সহাঁৰি নাপাই তেওঁ হিয়া ঢাকুৰি মা বুলি চিঞৰি উঠিল।

---

হাঁহি মুখে পৰাজয় বৰণ কৰোতা জন বিজেতাহে। —— এলবাৰ্ট হুবৰ্বাৰ্ড
যাৰ আজিৰ দিনটো যোৱা দিনতকৈ উত্তম নহয়, সি ধ্বংস প্ৰাপ্ত। — হজৰত মহম্মদ (ছঃ)
সত্য সবাতোকৈ মহান, কিন্তু তাতকৈ মহান হ'ল সত্য কথা কোৱা জন। - গুৰু নানক
মাতৃভাষাৰ সেৱাই দেশ সেৱা। —লক্ষ্মীনাথ বেজবৰুৱা


সংগ্ৰাহিকাঃ- মিছ. নাজমা হেপতুল্লা . স্নাতক ৩য় বৰ্ষ)





# ৰোহনৰ শিক্ষা

এম. আবু হানজালা , স্নাতক ১ম বৰ্ষ



আজি ৰোহন বৰ আনন্দিত কিয়নো দেউতাকে আজি তেওঁক এখন নতুন কম্পিউটাৰ আনি দিছে। ৰোহনে এতিয়া স্কুলৰ সকলো কাম-কাজৰ প্ৰস্তুতি কম্পিউটাৰতে কৰে। এনেয়েও তেওঁ লিখা-পঢ়াতো বৰ হুচিয়াৰ। কিন্তু কোনো এটা বস্তু পৰিপাটিকৈ ৰখা আভ্যাস নাই তেওঁৰ। এই কাৰণেই সদায় মাক-দেউতাকৰ গালি শুনিবলগা হৈ থাকে। দেওবাৰৰ দিনা। দেউতাকে ৰোহনক মাত লগালে - ৰোহন, এইফালে আহাচোন। তোমাক কম্পিউটাৰৰ বিষয়ে কেইটামান দৰকাৰী কথা কওঁ যাতে ইয়াৰ সহায়ত স্কুল আৰু ড্ৰয়িংৰ কামবোৰ চিজিল লগাকৈ কৰিব পাৰা।

আহিছো দেউতা।- এই বুলি তেওঁ দৌৰি আহিল। কিছু সময় দেউতাকে তেওঁক কম্পিউটাৰৰ বিষয়ে কিছু কথা শিকাই থৈ গুচি গল। তেওঁ এইটো বুজি পালে যে কম্পিউটাৰ বন্ধ কৰিব লাগিলে শ্বাড- ডাউন দিব লাগে, অন্যথা দৰকাৰী কোনো ফাইল নাইকীয়া হৈ যাব পাৰে।

কিছুদিনৰ ভিতৰতে তেওঁ ভালকৈ কম্পিউটাৰ শিকি পেলালে। এতিয়া কম্পিউটাৰ তেওঁৰ বাবে বন্ধুৰ দৰে হৈ পৰিল। কেতিয়াবা কম্পিউটাৰত গেম খেলি থাকিলে ইন্টাৰনেটৰ ওৱেব ছাইটবোৰো খুলি চায়। কুৰলড্ৰ প্ৰগ্ৰামটো তেওঁৰ বৰ পছন্দৰ। ইয়াত তেওঁ ধুনীয়া ধুনীয়া ছবি অংকন কৰিব পাৰে। তেওঁৰ চিত্ৰাংকনৰ বৰ হেপাহ আছিল। কম্পিউটাৰ অহাৰ পিছত পেইন্টিঙত আৰু অলপ দক্ষতা বাঢ়ি গ'ল।

তেওঁ কম্পিউটাৰত কেতিয়াবা জীৱ-জন্তুৰ ছবি আকেঁ, কেতিয়াবা মনে সজা বিষয়টো অংকন কৰি ৰং-বিৰঙৰ ৰং কৰি চায়। কম্পিউটাৰত ড্ৰয়িং কৰাৰে পৰা তেওঁৰ চিত্ৰবোৰ ক্ৰমে নিখুঁত হৈ আহি আছে। কেতিয়াবা তেওঁৰ ৰঙা ৰং পছন্দ নহলে নীলা ৰং সানি চায়, কেতিয়াবা হালধীয়া ভাল নালাগিলে গোলাপী ৰং কৰি চায়। তেওঁৰ ছবিবোৰ চাই তেওঁৰ ছবিৰ শিক্ষকসকলো বৰ আনন্দ পায়।

সিদিনা তেওঁৰ দেউতাৰ কথাবোৰ মনোযোগেৰে শুনিছিল আৰু সেইবোৰ সঠিকভাৱে পালন কৰাৰ মনস্থ কৰিছিল। কিন্তু যেতিয়া কম্পিউটাৰত কাম কৰে তেতিয়া সেই পূৰ্বৰ অভ্যাস বিলাকে তেওঁৰ পিছ নেৰে, প্ৰায়ে শ্বাট-ডাউন নকৰাকৈয়ে চিধা চুইছ অফ কৰি দিয়ে।

দুদিন পিছত স্কুলৰ চিত্ৰাংকন প্ৰতিযোগিতা। তেওঁ হৰ্ষমনে প্ৰতিযোগীতাত নাম দিলে। ঘৰত আহিয়েই কম্পিউটাৰত নানান ধৰণৰ চিত্ৰ আঁকিবলৈ ধৰিলে। দুঘন্টা পাছত তেওঁৰ ধাৰণা হল যে ছবিখন ভাল হৈ উঠিল। তাৰ পাছত স্কুলৰ পৰা দিয়া হোম ৱৰ্কবোৰ কৰাত লাগিল। পিছ দিনা ৰাতিপুৱা ৰোহনক বৰ উদাশ যেন দেখা গ'ল। দেউতাই কাষত গৈ সুধিলে - কি হ'ল ৰোহন, কিয় ইমান হতাশ হৈছা? কম্পিউটাৰত কিবা উলট-পালট হ'ল নেকি? ৰোহনে আচৰিত হৈ কৈ উঠিল- দেউতা, কম্পিউটাৰটো অলপ বেয়া হৈছে যেন লাগিছে।কিয়নো যোৱা কালি মই এটা ধুনীয়া ছবি আঁকিছিলো। যিটো আজি স্কুলত দেখুৱালোহেতেন। কিন্তু ফাইলটো কম্পিউটাৰে নিজে নিজেই মচি পেলালে দেউতা।

ৰোহনৰ কথা শেষ নহওঁতেই দেউতাই কৈ উঠিল - ৰ'বা। কি ক'লা, কম্পিউটাৰে তোমাৰ ফাইলটো কাটি দিছে?

হয় দেউতা। মই কালিয়ে বনাইছিলো। ৰোহনে ক'লে।

চোৱা ৰোহন, কম্পিউটাৰে কোনো সংকেত অবিহনে কাম নকৰে। যদি তুমি সংকেত দিয়া তথাপি তোমাক সুধিব তুমি এই কামটো কৰিবাই নেকি। আৰু যেতিয়া তুমি হয় বা নহয় কোনো উত্তৰ নিদিয়া তেনেহলে কম্পিউটাৰে একো কাম নকৰে। আকৌ ফাইলটো নিজে নিজে_

কথাখিনি কৈ থাকোতে মনত মনত পৰিল যে ৰোহনে নিশ্চয় পোনে পোনে চুইছ অফ কৰি দিছে। শ্বাট-ডাউন নিদিয়াৰ বাবেই ফাইলটো নাইকীয়া হৈ গৈছে।

ৰোহন কালি ৰাতি শোৱাৰ আগতে কম্পিউটাৰ শ্বাট- ডাউন দিছিলানে? ।

নাই দেউতা।

চোৱা, মই তোমাক প্ৰথমেই বুজাই দিছো। যদি তুমি শ্বাট-ডাউন কৰি বন্ধ কৰিলাহেতেন তেন্তে তোমাক কম্পিউটাৰে ফাইলটো ছেভ কৰিবানে নাই সংকেত দিলেহেতেন। কিন্তু তুমি চিধাই চুইছ বন্ধ কৰি দিছিলা যাৰ বাবে তোমাক একো সোধাৰ সময়েই নাপালে। আৰু তুমিও ফাইলটো ছেভ কৰিব নোৱাৰিলা।

এইখিনি কৈ দেউতা নিজৰ কোঠালৈ যাব ধৰিলে। ৰোহনে পিছে পিছে দৌৰি গৈ কৈ উঠিল - দেউতা, ভৱিষ্যতে মই এই কথাটো মনত ৰাখিম, কেতিয়াও শ্বাট-ডাউন অবিহনে কম্পিউটাৰক অফ নকৰোঁ। কিন্তু কাইলৈতো প্ৰতিযোগীতাত ছবি দেখুৱাবই লাগিব। প্লীজ দেউতা, মোক অলপ সহায় কৰি দিয়ানা। এনে ভুল আৰু মই কেতিয়াও নকৰো।

ৰোহনৰ দেউতাকে তেওঁক মৰমতে বুকুত সাৱটিলৈ ক'লে - এতিয়া মই তোমাক ছবিখন সোনকালেই তৈয়াৰ কৰি দিম। কিন্তু প্ৰতীজ্ঞা কৰা যে ভৱিষ্যতে যেতিয়াই কম্পিউটাৰ শ্বাট-ডাউন কৰি বন্ধ কৰিবা বুলি।

ঠিক আছে দেউতা প্ৰতীজ্ঞা কৰিলো। আগলৈ এই কথা বিলাক মনত ৰাখিহে কম্পিউটাৰত কাম কৰিবলৈ বহিম। কথাখিনি কৈ তেওঁ মিচিকিয়াই হাঁহি উঠিল।


০০০০০০০০০





# মাকৰ মৰম

মিছঃ নাৰ্গিছ বেগম, উঃ মাঃ ২য় বৰ্ষ



লাতুমনি জন্ম হোৱাৰ কেইদিন মানৰ পিছতেই মাকজনী ঢুকাই থাকিল। লাতুমনিৰ বাবে লাতুমনিক চোৱা চিতা কৰিবলৈ দেউতাকে আন এগৰাকী মাক আনিলে। লাতুমনি সৰু হৈ থাকোতে সকলো ঠিকেই আছিল। মাহী মাকে তাইক বৰ মৰম চেনেহ কৰি ডাঙৰ কৰিলে। এদিন লাতুমনিৰ প্ৰতি মাহী মাকৰ মৰম-চেনেহ কমি আহিল। লাতুমনিক মাকে সহজভাৱে লব নোৱাৰা হল। অলপ কথাতে খং কৰা হল। এদিন তাইক মৰম নকৰা, দেখিব নোৱাৰা, দেউতাকৰ লগত স্কুটাৰত উঠি ফুৰিবলৈ যাবলৈ নিদিয়াকৈ ধৰি বহু কথা লাতুমনিয়ে দেউতাকক লগালে। লগতে তাইতকৈ ভাইটিকহে বেছি মৰম কৰা, ভাইটিক স্কুটাৰত উঠাই ফুৰাবলৈ নিয়ে বুলি দেউতাকৰ আগত আপত্তি কৰিলে।

তেতিয়া দেউতাকে লাতুমনিক বুজালে কলে - তুমি এতিয়া ডাঙৰ হৈছা, তুমি ফুৰাবলৈ গ'লে তোমাৰ পঢ়া ক্ষতি হ'ব। সময় মতে পঢ়া-শুনা নকৰিলে ভাল ফলাফল নাপাবা। তুমি খুব ভালদৰে পঢ়া, এতিয়া তোমাৰ পঢ়াৰ সময়, সময়ৰ কাম সময়ত কৰা। তেতিয়া ভাল ফলাফল লাভ কৰিবা। তোমাৰ ভালৰ বাবেই তোমাৰ মায়ে এনেদৰে কয়। তোমাৰ ফলাফল দেখিলে তোমাক মায়ে খুব মৰম কৰিব। লাতুমনিৰ মাজে-মাজে নিজৰ মাকলৈ মনত পৰে। তাইৰ মাকজনী থকা হলে তাইক খুব মৰম কৰিলেহেতেন। দেউতাকৰ কথা মতে লাতুমনিয়ে একান্তমনে পঢ়া-শুনা কৰিবলৈ ধৰিলে। লাতুমনি প্ৰতিটো শ্ৰেণীতে প্ৰথম হ'বলৈ ধৰিলে।

এদিন লাতুমনি সপ্তম শ্ৰেণী পালে। বিদ্যালয়ৰ পৰা লাতুমনিক মজলীয়া বৃত্তি পৰীক্ষা দিবলৈ পঠালে। লাতুমনি ভালদৰে পৰীক্ষা দিলে। তাইৰ খবৰ আৰু ফটো সকলো বাতৰিকাত আৰু শিশু আলোচনীত প্ৰকাশ হ'ল। বিভিন্ন সংগঠন আৰু শিক্ষা বিভাগৰ পৰা লাতুমনিক পুৰস্কৃত কৰিলে। পুৰস্কাৰ গ্ৰহণ কৰিবলৈ গৈ সভাত প্ৰথম স্থান পোৱা বুলি ক'লে। মাকৰ নেৰানেপেৰা তাগিদা নোপোৱা হ'লে তাই এনে ফলাফল দেখুৱাব নোৱাৰিলেহেতেন। লাতুমনিয়ে তাইৰ পুৰস্কাৰ গ্ৰহণ কৰিবলৈ মাকক মঞ্চলৈ মাতিলে। তাইৰ মাকৰ প্ৰতি থকা ভক্তি দেখি মাকৰ চকু পানীৰে ভৰি পৰিল। মাহীমাকে তাইক মৰমেৰে সাৱটি ধৰিলে। তেতিয়াৰে পৰা মাকে তাইক বৰ মৰম-চেনেহ কৰা হ'ল। ভায়েকতকৈ বেছি তাইক গুৰুত্ব দিয়ে। তাই যি বিচাৰে মাকে সিটোৱে দিয়ে। আজিকালি লাতুমনিৰ অন্তৰত কোনো দুখ নাই।

# হিয়াৰ দাপোনত তোমাৰেই ছবি

শ্ৰী চন্দনা ৰায় ,উঃ মাঃ ২য় বৰ্ষ



কুশল আৰু প্ৰিয়ংকা একেখন স্কুলৰ পৰা পঢ়ি গৈ আজি কলেজ পাইছে। প্ৰথম দুয়োৰে মাজত বেছ বন্ধুত্ব আছিল কিন্তু সেয়া এতিয়া প্ৰেমলৈ ৰূপান্তৰিত হৈছে। প্ৰিয়ংকা যেন অলপ বেছি দুৰ্বল হৈ পৰিছে ু ক'বলৈ সাহস গোটাব পৰা নাই। এনেকৈয়ো দিনবোৰ গৈ আছিল। দুয়ো একেলগে ফুৰিছিল, চিনেমা চাইছিল। কুশলে কেতিয়াবা আন ছোৱালী লগত কথা পতা ধেমালি কৰা তাইৰ বৰ বেয়া লাগে। সেয়ে তাই অনবৰতে তেওঁৰ লগতে থাকে। জানোচা তেওঁ হোষ্টেলৰ আন ছোৱালীৰ প্ৰেমত পৰি যায় ?

এদিন ১৫ আগষ্টৰ বন্ধৰ দিনা মেঘালী আহি প্ৰিয়ংকাক কুশলৰ সতে লগ ধৰিবলৈ ক'লে। তেওঁৰ হেনো কিবা কথা আছে। প্ৰিয়ংকাই ভাৱিলে আজি তাই মনৰ সাঁচি ৰখা কথাবোৰ ক'ব। চাৰি বজাত দুয়ো মিলিত হ'ল।

- কোৱা, কি ক'বা ?

প্ৰিয়ংকাৰ অন্তৰখন ভয়ত কঁপি উঠিল। ভাৱিলে ক'ব নে নক'ব।

- তাইৰ আৰু ভালপোৱাৰ কথা কোৱা নহ'ল।

- তাই ক'লে তোমাৰ বিষয়ে কথা এটা শুনিলো ক'লে আকৌ বেয়া নোপোৱাতো ?

-কুশলে ক'লে তুমি কোৱা কোনো কথাত মই আজিলৈকে বেয়া পাইছো ?

- ঠিক আছে তেন্তে কওঁ শুনা। তাই নিজকে সাজু কৰি আৰম্ভ কৰিলে।

- তুমি কেতিয়াবা কাৰোবাক ভাল পাইছিলা নে ?

- অ' পাইছিলো। কুশলে হাঁহি মাৰি কৈ উঠিল।

- তাৰ পাছত ?

- তাৰ পাছত আৰু কি হ'ব লাঠি খালো।

সি এজনী ছোৱালীক হিয়া উজাৰি ভাল পাইছিল। তাইক লৈ বহুত সপোন দেখিছিল। কিন্তু তেওঁৰ ভাগ্যই নাপালে তাইক, তাই গুচি গ'ল।

- পিছে তুমি একো কোৱা নাছিলা ?

- নাই । জোৰ কৰি প্ৰেম কৰা নাযায়। শুনিছিলো ডাঙৰ চাকৰিয়াল এজনৰ লগত তাইৰ বিয়া ঠিক হৈছিল। দুখত জৰ্জৰ হিয়াক মই প্ৰবোধ দিব পৰা নাছিলো। নিশাবোৰ মোৰ দুৰ্দান্ত উজাগৰ হৈ পৰিছিল। এতিয়াও ভাৱি নাপাওঁ তাই মোক ভাল পাইছিল নে অভিনয় কৰিছিল।

পিছে তাইক তুমি এতিয়াওঁ ভাল পোৱা নে ?

এইবাৰ হাঁহি মাৰি কুশলে ক'লে - ইমান খিনি হৈ যোৱাৰ পাছতো তাইক 'এতিয়াওঁ ভাল পাম ' মোক হিন্দী চিনেমাৰ এক্টৰ ভাৱিছা নেকি ?

প্ৰিয়ংকা তেওঁৰ প্ৰতি দিনক দিনে বেছি দুৰ্বল হৈ আহিল। তাইৰ ভাৱ, তাই যদি কুশলক মনৰ কথাবোৰ জনায় তেওঁ হয়তো খঙত এই বন্ধুত্বটোওঁ ভাঙি পেলাব। সেয়ে তাই সাহ কৰা নাই। কিন্তু এদিনাখন যেতিয়া নিতা নামৰ ছোৱালীয়ে কুশলক ভালপোৱাৰ কথা ক'লে তেওঁ একো নকৈ দুই দিনৰ সময় ল'লে।

কুশলে ভাৱিলে আগতে খবৰটো প্ৰিয়ংকাক দিব লাগিব। সেয়ে এদিন প্ৰিয়ংকাক লগ ধৰিলে - তুমি নিতাক চিনি পোৱা ?

- নিতা.. নিতা.. অ' পাওঁ। পিচে কি হ'ল তাইৰ ?

- নিতাই হেনো মোক ভাল পায়।

- কি .. চক খাই উঠিল তাই।

- কি তুমি ইমান আচৰিত হৈছা যে ?

- নাই, পিছে তুমি কি উত্তৰ দিলা ?

- এতিয়ালৈকে একো দিয়া নাই। পিছে ছোৱালীজনী দেখাত ধুনীয়া, হয় বুলি কৈ দিওঁ নেকি ?

প্ৰিয়ংকাই একে জাপতে থিয় হৈ উঠিল। ক'লে - মোৰ বহুত কাম আছে। মই যাওঁ। এই বুলি তাই আহিয়ে বিছনাত পৰিল।

প্ৰিয়ংকা দুদিন কলেজলৈ নহা দেখি মেঘালী আহিল তাইৰ খবৰ ল'বলৈ।

- কি হ'ল তোৰ। কলেজলৈ অহা নাই , তোৰ চকু দুটাওঁ দেখোন ৰঙা কান্দিছ যেন পাইছো। কিবা অসুখ হোৱা নাইতো ?

- প্ৰিয়ংকাই সকলো কথা বিৱৰি কৈ কুশলক নাপালে তাই আত্মহত্যা কৰিব বুলি কৈ দিলে।

মেঘালীয়ে আহি কথাবোৰ কুশলক জনালে। প্ৰিয়ংকাৰ হৈ তাই কুশলক বুজালেওঁ।

কথা বিলাক শুনি কুশলৰ নিজকে বেঙা যেন লাগি গ'ল। তেওঁ কলে - ঠিক আছে তাইক কলেজলৈ আহিবলৈ ক'বা মই তাইৰ লগত কথা পাতিম।

কথামতেই কাম। প্ৰিয়ংকা আহিল। দুয়ো লগ হ'ল।

- তুমি মোৰ লগত এনেকুৱা কৰিলা যে ? মইতো কেতিয়াওঁ তোমাৰ পৰা কোনো কথা কোনো দিন লুকোৱা নাই। এবাৰো তুমি ক'ব পৰা নাছিলা নে ?

- মই চেষ্টা কৰিছিলো কিন্তু পৰা নাই। বহুত ভালপাওঁ বাবেই তুমি নিতাক ভাল পাবা বুলি শুনি নিজকে চম্ভালিব পৰা নাই মই।

- ঠিক আছে তুমি যে মোক ভাল পোৱা বুলি কৈছা তাৰ আগতে এটা প্ৰমিজ কৰিব লাগিব , পাৰিবা ?

- প্ৰমিজ..., কিহৰ ?

- কোৱা গোটেই জীৱন তুমি মোৰ কাষত থাকিব পাৰিবা বুলি। কুশলে হাত খন আগবঢ়াই দিলে।

প্ৰিয়ংকাই চকুৰ আগত দেখিলে কেতিয়াও দেখি নোপোৱা এক অজান জগতৰ হিয়া ভৰি পৰা ছবি।

# स्नेहमयी

**मुमताहेना आलम,** स्नातक ३य वर्ष



धवलपुर नामक एक गाँव था। वहा एक ठाकुर परिवार रहता था। वह परिवार बहुत प्रसिद्ध था। वहा का ठाकुर बहुत ही अच्छा आदमी था। वह गावँ वालों को बहुत ही प्यार ओर सहायता करता था। गावँ के भले-बुरे का ख्याल रखता था। एक दिन ठाकुराईन ने एक बहुत सी प्यारी लड़की को जन्म दिया था।

उसका नाम था सुनिता। वह बहुत ही गुस्सेवाली, चंचल थी। घर के सभी लोग उसके नाक-नखरे उठाते थे। ठाकुर भी उसकीहर इच्छा पुरी करती थी। सुनिता जो चाहती थी उसे हासिल करके ही दम लेती थी।

एक दिन की बात है, ठाकुर कोई काम से शहर जा रहा था। रास्ते में एक आदमी ठाकुर के गाड़ी के निचे आ गिड़ा। फिर ठाकुर ने उसे हसेपाताल में ले गया लेकिन बचा नहीं पाया। मरने से पहले उसने अपनी पत्नी ओर बेटी रोली की दिम्मेदारी ठाकुर पर छोड़ गया। ठाकुर ने उन दोनों मा-बेटी को घर ले आया। रोली को देखरक सुनिता बहुत खुश हो गया। क्योंकि सुनिता को खेलने के लिए एक दोस्त मिल गयी थी।रोली की मा ठाकुर के घर में नौकरानी की तरह रहने लगे। लेकिन रोली एक ठाकुर की बेटी कि तरह पलने लगे।

रोली ओर सुनिता में अच्छी दोस्ती हो गयी ओर एक ही सात में एक विद्यालय में पढ़ने लगे। ठाकुर ने सुनिता ओर रोली में कभी फर्क नहीं की। धीरे धीरे उन दनों की काँलेज के पढ़ाई पुरी हो गयी। एक दिन सुनिता को देखने शहर से एक ठाकुर का बेटा आया।उसका नाम था प्रेम ठाकुर। प्रेम बहुत ही अच्छा लड़का था। सुनिता सादी





करना नहीं चाहती थी ओर पापा के बात भी नहां टाल सकती थी। सुनिता अपनी पापा की सन्मान की वास्ता देकर रोली को प्रेम के सामने भेज दिया। रोली को देखते ही प्रेम को वह पसन्द आ गया ओर शादी भी पक्की हो गयी।

शदी की कुछ दिन पहले जब सुनिता ने प्रेम को देखा तो उसे प्रेम बहुत ही पसन्द आया। उसके बाद सुनिता ने अपने मा से कहा - अगर उसे प्रेम ना मिली तो वह मर जायेगी। सुनिता इतनी जिद्धी थी कि अपनी खुशी को पाने के लिए किसी भी हद तक जा सकती थी। सुनिता की मा ने उसे समझाने की कौशिश की लेकिन सुनिता ने कुछ नहीं माना। उसने तो एक बार जहर खाने के भी कोशिश की।

सुनिता की हरकतो के बारे में वह किसीको भी नहीं बताया। सुनिता को हदसे बाहर जाते देखकर उसकी मा ने रोली से अपनी बेटी की जिन्देगी की भिख मांगी ओर प्रेम को सुनिता को दे देने को कहा नहीं तो सुनिता मर जायेगी। तब रोली ने सोचा ठाकुर ने मेरी जिन्देगी की हर इच्छा पुरी की, पिता की तरह प्यार दिया, कभी सुनिता ओर मुझमें फर्क नहीं की, नौकरानी की बेटी होते हुए भी इतना प्यार, आदर-विशवास मिला।

सुनिता जैसी सहेली भी मिली जिसने मुझे कभी भी कोई चीज की कमी मेहसुस नहीं करने दिया। इतना कुछ मिलने पर भी रोली ने इस घर के लिए कुछ भी नहीं किया था। उस समय रोली के सामने एक मौका था ठाकुर के घर के लिए कुछ करने की।

जब से रोली ने अपनी सोचने- समझने की शक्ति पायी तब से सोचती थी वह इस घर के लिए कुछ करना चाहती थी। अगर कभी ऐसा समय आये की उसे सुनिता की घर के लोगों के लिए रोली को अपना जीवन त्याग देना पड़े तो वह वेजिझक त्याग देगा ओर उफ तक नहीं करेगा।अगर वह दिन आ ही गया था जब रोली को अपना प्यार त्यागना पड़ा था। रोली ने सुनिता जैसे सहेलीके खातिर प्रेम को समझा-बुजा कर अपनी प्यार का वास्ता देकर सुनिता से शदि करने के लिए राजी की। प्रेम से वादा भी लिए की वह सुनिता ओर प्रेम की शादि हो गयी।

शादि के बाद ठाकुर ने रोली को कहा - रोली तुम्हारे जैसी हिम्मतवाली लड़की हर बाप को मिले तो दुनिया ही सुधर जायेगा। मैं अपनी वाप को कह सकती हुँ की मैनें भी एक लड़की को पाला है जिसने मेरा लिर सम्मान ओर आदर ऊसा कर दिया। भगवान सभी को एक एसी ही लड़की दें।

यहा रोली कितनी महान लिकली जिसने अपनी सहेली के खुशी के लिए अपना प्यार कुरबान कर दिया, त्याग दिया। एसी हिम्मतवाली लड़की को हम सालाम करते है।



# चुटकुले

इसादुल इसलाम, स्नातक ३य वर्ष

एक दिन एक बच्चे ने अपनी मम्मी को कहा - मम्मी मम्मी, मुझे कार्टुन दिखाओ।

फिर मम्मी ने कहा - बाहर तेरे पापा बैठा हुआ है उसे देख।

फिर बच्चे ने कहा - इस कार्टुन को तो मैं रोज-रोज देखता हुँ। कोई दुसरा दिखाओ ना ।

एक दिन एक ५५ साल के आदमी रेष्टुरा में बैठकर आदें घन्टे बातें बाते कर रहे थे - प्रिया, तुम आ जाओ, तुम्हेम विरियानी खिला दुगां, सिनेमा दिखाउगां।

फिर एक आदमी ने पुछा - क्या आप इस उम्र में भी आधा घन्टा बातें करते है ? किससे ?

५५ साल के आदमी ने कहा - बीबी से लेकिन मेरे नहीं तेरे बीबी से।

एक दिन एक आदमी दातुन करते करते जगंल के अम्दर जा पहुँचा ओर पेड़ के ऊपर बैठे हुए भुतने बोला - हिः हिः हिः मैं भतनी हुं।

फिर आदमी ने कहा मुझे पता है , क्योंकि तेरे छोटी बहन मेरे बीवी है।

## Some of Abbreviation

| | |
|---|---|
| AA | - Alcoholics Anonymous |
| AAFI | - The Amateur Athletics Federations Of India |
| ABC | - Audit Bueau Of Circulations |
| AC | - Ante Christum |
| ACR | - Annual Conditional Report |
| AD | - Anno Domini ( In The Year Of Our Lord ) |
| ADB | - Asian Development Bank |
| ATC | - Air Traffic Control |
| ATM | - Automated Teller Machine |
| ATR | - Action Taken Report |
| ATS | - Anti-Tetanus Serum |
| AU | - Astronomical Units |
| AWACS | - Airborne Warning And Control System |
| ADC | - Aide-De-Camp |
| AFMC | - Amed Force Of Medical College |
| AG | - Accountant General |
| AI | - Artificial Intelligence |
| AICTE | - All India Counsil For Technical Education |
| AIDS | - Acquired Immune Deficiency Syndrome |
| AIFF | - All India Football Federation |
| AIIMS | - All India Institute Of Medical Science |
| AITUC | - All India Trade Union Congress |
| AM | - Ante Meridiam ( Before Noon) |
| AMFI | - Association Of Mutual Funds Of India |

Collected By :- **Samsul Alom**


* If you Merely Become Scientifically skilled, do not develop the other dimension of your soul and do not believe that there is such a thing besides knowledge which you call wisdom, you will become merely a monster instead of becoming a master of life. - **RADHAKRISNAN**

**Collected By:- Ataur Rahman**
**General Secretary 2011**





# শ্ৰদ্ধাঞ্জলি



## এম. এফ. হুছেইন

জন্ম ঃ ১৯১৫ চন, ১৭ চেপ্তেম্বৰ, মহাৰাষ্ট্ৰ
মৃত্যু ঃ ২০১১ চন, ৯ জুন, লণ্ডন

— নীলা মহীৰ কলম

## সূচীপত্ৰ (কবিতা)



বক্ষস্থলৰ বেদনা - অধ্যাপক ইকবাল হুছেইন
নীলকণ্ঠী - অধ্যাপিকা বৰ্ণালী শৰ্মা
**From The Holy Quran - Prof. Mrs. Ferdusi Begum**
*জনতা জনাৰ্দন* - **অধ্যাপক ৰেকিবুদ্দিন অহমদ হাজাৰিকা**
নব উৎকৰ্ষ - উবাহিদা ৰহমান
আঘোণৰ স্তৱক - মম্পী দাস
নাৰী - শ্বিম্পী ঘোষ
মায়াবী জাল - কাৰিমা খাতুন
হেঁপাহ - ফাৰুক আহমেদ
সপোন - আবু বছিৰ আহমেদ
ফুল - ইনামুল হুছেইন
জীৱন সংগীত - মোঃ হেপতুল্লাহ
নতুন সপোন - মঃ ছাইদুল ইছলাম
এই যাত্ৰা - মোকছিদুল মুমিন
শান্তিৰ কপৌজনী - নাৰ্গিছ আবদিন
ভাৰতবৰ্ষৰ নিবাসী - মঃ নাজমুল ইছলাম
মই তোমাক ভাল পাওঁ - মঃ আশ্বাদ উল্লাহ
মোলৈ মনত পৰে বুলি নক'বা - জহিৰুল ইছলাম
তোমাক চিনিছো হেৰা জোনবাই - মিছ তাছলিমা আহমেদ
আকৌ আহিল বিহু - নাজমা হেপতুল্লা
জীৱন - তাছলিমা খাতুন
অন্বেষণ - জাকিৰ হুছেইন
অধিকাৰ - আতাউৰ ৰহমান
মা - শ্বামিমা খাতুন
তোমাকেই কিয় ভাল পাব লাগে মই - আবু হানিফ






## বক্ষস্থলৰ বেদনা


অধ্যাপক ইকবাল হুছেইন,
অসমীয়া বিভাগ

বাহিৰত নাছিল কোনো বতাহ... বানপানী
তথাপিও...
মাজনিশা গছডাল পৰিছিল ভাঙি,
তথাপিও...
সুপ্ত বেদনাৰাশি, গুপ্ত বাসনাবোৰ লুপ্তপ্ৰায়ৰ আশংকাত,
সি ভাঙি পৰিছিল।
ৰোমন্থন কত আহিছিল তাৰ ...
ছায়া, প্ৰচ্ছায়াও নিশ্চন্ত থাকে
বহু বাটৰুৱা, ডেউকাযুক্ত পখী
পখীৰ ছন্দৰ তালে তালে
পথিকৰ সন্তুষ্টিৰ আঁৰে আঁৰে
সি ভাৱিছিল তাৰ সাৰ্থক সৃষ্টিৰ।
স্মৃতিৰ পটত ভাহি আছিল জীৱন আৰু জীৱিকাৰ সন্ধান
প্ৰৱজনকাৰী পখীৰ আৰ্তনাদৰ গভীৰতা ,
জীয়াই থাকি সি দিছে প্ৰচ্ছায়াৰ প্ৰশান্তি,
মৃত্যুৰ মৰ্মান্তিক বেদনাৰেও দিছে সহস্ৰজনৰ শান্তি।
নামেই তাৰ শিমলু বৃক্ষ
এদিন আহিছিল সি বতাহত উৰি উৰি,
গন্তব্য স্থানৰ সংজ্ঞাহীন ছন্দেৰে,
বীজ পৰি অঙ্কুৰিত হ'ল এই মাটিতেই
মৰ্মস্থানত কান্দে তাৰ অতীত স্মৃতি
সি যে নালাগিল পূজাতো সবাহতো
তাৰ পূণ্যভূমিৰ ভেটিহীন বেদীত
বক্ষৰ বক্ষস্থলত সহস্ৰাধিক অশ্ৰু
জীয়াই দিছে সি ছায়া, প্ৰচ্ছায়া,
মৃত্যুৰেও দিছে সি শতেকৰ স্বপ্নৰ পূৰ্ণতা !!

## নীলকণ্ঠ


*বৰ্ণালী শৰ্মা,*
সহকাৰী অধ্যাপিকা




তোমাৰ সমুধুৰ ঐক্যতানে
নোৱাৰে জগাব সিহঁতৰ
ক্ষমতাৰ ৰাগীত
মতলীয়া প্ৰান
হৃদয় শিল হ'ল
প্ৰেম জুই হ'ল
সিহঁতৰ লোলপ বাসনাত
লোভ নাগিনীৰ বিষাক্ত
নিহাসত নাপিড়তই
হেৰালে জীয়াই থকাৰ আশ্বাস।
আৰু
তুমি সঞ্জীৱনী সৰ তুলি
নতুন দিনৰ প্ৰতীক্ষাৰত
হলাহল পানকাৰী
হে নীলকণ্ঠ।

## From The Holy Quran

Mrs. Ferdusi Begum
Asstt. Prof.
Dept. Of Economics

:: Sura: Baqara
Section: 34
Ayat: 256, 257 ::

Let There Be No Compulsion
In Religion: Truth Stands Out
Clear From Error: Whoever
Rejects Evil And Believes
In God Hath Grasped
The Most Trust Worthy
Hand-Hold, That Never Breaks.
And God Heareth,
And Knoweth All Things.

God Is The Protector
Of Those Who Have Faith;
From The Depths Of Darkness
He Will Lead Them Forth
Into Light. Of Those
Who Reject Faith The Patrons
Are The Evil Ones; From Light
They Will Lead Them Forth
Into The Depths Of Darkness.
They Will Be Companions
Of The Fire, To Dwell Therein.
(Forever).

## जनता जनार्दन

रेकिबुद्दिन अहमद हाजारिका
अध्यापक, ईतिहास बिभाग


जय जनता
जय महानता,
जय आजाद देश के
गोलाम जनता।
भ्रष्ट, अनाचार, बेसर्मी की
घनघोर अधेंरो ने
घेर ले चाहे तुम्हे,
कभी न भतकेगी
तेरी राहें।
कभी न थामकेगी तेरी
सछाई की अपार चाहें।
आज भी है अधेंरो के थपारी,
है आज भी मातृभुमि की
लाज के लुचेरो
आज भी है
अपने औलादो के हत्यारों।
तुम्ही हो प्रहरी
तुम्ही हो महिषमर्दिनी
ओ जनता जनार्दन
पापी, दुराचारी से
बचानेवाली
तुम्ही हो ब्रम्हाष्त्रधारी।





## नव उत्कर्ष

वहीदा अहमद
सहकारी अध्यापिका




हॅर एक व्यक्ति बने हाजारे
हो आगमन एक नव प्रभात का,
ला दे सबको नया वर्ष, नया हर्ष,
नयी उमगं, नया तरगं,
दे नयी सफलता मिटा के सब अफलता,
जीवन का हो नव उत्कर्ष,
रहे हर एक में समानता,
नयी, नयी खुशिया आँए
हर तरफ हरियाली छाँए
सबको उल्लसित करें
नयी अनुभव और तरक्की की छाँव में
सब भारतवासियों के जीवन जगमगाए।

## আঘোণৰ স্তৱক


*মিছ মম্পী দাস*
স্নাতক ২য় বৰ্ষ

এখুজি- দুখুজিকৈ আঘোণ আহিছে
খেতিয়কৰ মুখত হাঁহি বিৰিঙিছে
আঘোণে বোকোচাত লৈ আহিছে
খেতিয়কৰ বাবে মেটমৰা উপহাৰ
শানত কাচি দি
খেতিয়ক পথাৰলৈ আহিছে
ভৰত দো-খাই থকা সোণালী ধান
এমুঠি এমুঠিকৈ কাটিছে
জোনমণি কাকুমনিহঁতে
পকাধানৰ সৰু সৰু আলিৰে
ম'হৰ গাখীৰৰ চাহ আনিছে
লগত টেকেলি পিঠা, খোলাচাপৰি পিঠা...
আৰু খেতিয়কে ৰবাব টেঙা খাইছে
আঘোণৰ পথাৰত দুপৰৰ ৰ'দত
সুদূৰত পথাৰত বেলি লহিয়াইছে
খেতিয়কে বিৰিয়াৰে ডাঙৰি কঢ়িয়াইছে
আৰু পকাধানৰ জুনুক জুনুক গানত
মুখৰিত হৈছে গাঁও।



## নাৰী

*মিছ চিম্পী ঘোষ*
স্নাতক ২য় বৰ্ষ



হেৰা আজিৰ নাৰী
নপৰিবা তুমি ভাঙি
কিয় আনৰ কথাৰে
পেলাইছা চকু পানী

য'ত যোৱা নাছিল
পুৰুষ আগবাঢ়ি
তাত গৈছিল নাৰী,
সেই বীৰংগনা আছিল
ঝাঁঞ্চীৰ মহাৰাণী,
দিছিল নিজৰ প্ৰাণ
দিবলৈ আমাক স্বতন্ত্ৰতা,
তাই আছিল বীৰ নাৰী কনকলতা।
নাৰীয়ে দিলে কত বলিদান
আজি পাহৰি গ'ল এই সমাজে
সেই অৱদান।
আজি যিয়ে তোমাক কৰিছে লাঞ্চনা
দিছে অপমান ভাবি ভৰিৰ ধুলি
সততাত তোমাক কাইলৈ সিহঁতেই
দিব মান শিৰত তুলি।
হেৰা আজিৰ নাৰী

## মায়াবী জাল

*মিছ্‌ কাৰিমা খাতুন*
উঃমাঃ ২য় বৰ্ষ

দুনীয়া এদিনৰ
দুনীয়া দুদিনৰ
দুনীয়া মায়াবী জাল,
যিয়ে আকোঁৱালিছে
এই ধৰণীক
সিপুৰীত সি কঙাল।
মিছাতে খেলিছো
দুনীয়াৰ খেলা
একো নহয় যে ই
সকলো মায়াৰে খেলা।
যাবগৈ লাগিব
জানিবা নিশ্চয়
এই ধৰণী এৰি,
সুখৰ সংসাৰ
পাৰ্থিৱ ঐশ্বৰ্য্য
সকলো থাকিব পৰি।

## হেপাঁহ

*মোঃ ফাৰুক আহমেদ,* স্নাতক প্ৰথম বৰ্ষ

আওমৰণে মৰি যায়
সকলো হেপাঁহ
যিদিনা তোমাক
নাপাওঁ দেখা...
কিয় ইমান ভালপোৱা?
উতলা কৰা মন আকাশ
জ্বলি উঠে নিশাৰ বুকুত
সকলোটি তৰা।







## সপোন

*আবু বছিৰ আহমেদ*
দ্বিতীয় বৰ্ষ

সপোনক লৈয়ে ৰচিলো জীৱনৰ গীত
বৈ যায় চকুৰ পানী।
বিশাল পৃথিৱীত চকুৰ পানীৰে
ভৰি গ'ল সাগৰৰ তীৰ।
জীৱনৰ সপোন স্থিতি মাথোন
ছয়ামযা ছৱিৰ সপোন।
জীৱনৰ ভাও দি দি বহুজনে বহুৰূপে
ছিঙিদিলে মোৰ এই হৃদয়।
সাগৰৰ ঢৌ দৰে আহিল
মোৰ এই সপোনবোৰ
বালিৰ দৰে উৰি গ'ল আজি
থাকি গ'ল মাথো স্মৃতিবোৰ।
শূন্য ভাবি মোৰ স্মৃতি সপোন
বহি বহি স্মৃতিটো পুৰাই
নৱ ৰূপেৰে আকোঁ এই স্মৃতি
ফুটি উঠে ৰূপ নীলা তাৰ।
অৱশেষত আবাহন জনাই
নাওঁ মেলি আহিলো আঁতৰি
অতীতৰ সপোন মোৰ যাওঁ আজি পাহৰি।





## ফুল

*ইনামুল হুছেইন,*
উঃ মাঃ প্ৰথম বৰ্ষ

ফুল হৈ জনম লভিলো আমি
তোমাৰেই মনোমোহা ফুলনিত,
লাহে লাহে এপাহি-দুপাহিকৈ ফুলি উঠিল
অসংখ্য ফুল বিভিন্ন প্ৰজাতিৰ।
তোমাৰ ফুলনিৰ প্ৰতিপাহি ফুল
আনন্দত হালিছে জালিছে
যেন প্ৰেমত বলিয়া হৈ ইপাৰে-সিপাৰে
সুখৰ-দুখৰ কথাহে পাতিছে।
ভিন্ন ৰঙৰ ফুলেৰে শোভিত ফুলনিত
প্ৰতিপাহে বিলাইছে অময়া সুগন্ধি
তাৰে সুৱাহতে মতলীয়া ভোমোৰা
হৈ পৰিল প্ৰেমত আত্মহাৰা।
ফুলে ফুলে উৰি শুহিছে গুণগুণাই ৰস
পুৱাই সেই পাহি ফুলি সূৰ্য্যৰ ৰঙীন আভাত
যৌৱন মৰহি হৈ পৰিল বিযাদ।
বুজি নাপালে কোনেও ফুলৰ কাতৰ হিয়াক
আদৰ যে হেৰুৱাব আদৰ সন্মান
ভোমোৰাটিও নাহে খন্তেকৰ বাবে
ক্ৰমে ক্ৰমে বিনাশে যৌৱনমতী ফুল ধৰাত
জলি থকা চাকি গছি নুমাই জীৱনৰ শেষ সন্ধিয়াত।

## জীৱন সংগীত

*মঃ হাইতুল্লাহ*
উঃ মাঃ দ্বিতীয় বৰ্ষ

খন্তেকীয়া জীৱন নিচেই
জনমে কি গান গায়,
জগতে দেখোন জীৱন বিচাৰি
আছে পথ হেৰুৱাই।
মানুহে ভৰা পৃথিৱীখনি
সৱৰে সুকীয়া নাম,
নাম বিলীন হৈ যাবহি
মহৎ নহ'লে কাম।
গতিশীল সময় যায়গৈ বুলি
কৰি ৰয় হাহকাৰ,
সৎ কামত জিলিকি উঠিব পাৰে
সামান্য সময়ো,
চেষ্ঠা কৰা হয় যদি এবাৰ।
কচুপাতৰ জমা পানী
থিতাতে বতাহে সৰায়
সত্য পথত জীৱন নমৰে
অমৰ হৈ ৰৈ যায়।



## এই যাত্ৰা

মঃ মুকছিদুল মমিন
স্নাতক প্ৰথম বৰ্ষ

নতুন যুগৰ আমি
অকণি অকণি,
আশাৰ প্ৰদীপ আমি
দেশৰ ধৰণী।
আমি মিলিজুলি
বিভেদ আঁতৰাই
যাওঁ আগুৱাই,
কান্দোন সৃষ্টি কৰা
তেজৰ নিজৰাক
উশাহ হেৰাই যোৱা
বাৰুদৰ ধুমুহাক
সাহসেৰে দিওঁ দমাই।
আধুনিক মানুহৰ
বিবেক জগাই তুলি
ধ্বংসৰ পথেদি
সৃষ্টিৰ বাট বুলি
ধৰাৰ বুকুত আমি
বন্তিৰ জয়গান গাওঁ।
আহা আমি আগুৱাই যাওঁ।

## নতুন সপোন

*মোঃ ছাইদুল ইছলাম*, স্নাতক দ্বিতীয় বৰ্ষ

আজি নতুন আশা জাগিছে
আজি নৱ লহৰ উঠিছে
আকাশ-বতাহ চৌ-দিশ আজি
নৱ ৰূপত বলিছে।
হাজাৰ জনতাই আজি বিশাল মঞ্চত
হৃদয়ে হৃদয়ে মিলিছে
নাই কোনো ভেদভাৱ, বিদ্বেষ
নতুন জীৱন জাগিছে।
মানুহে মানুহে আজি মানুহ বিচাৰি
নতুন সমাজ গঢ়িছে।
মাতৃ পূজাৰ বাবে নৱ আশালৈ
নতুন সপোন ৰচিছে।





## ভাৰতবৰ্ষৰ নিৰ্বাসী

*মোঃ নাজমুল ইছলাম*
স্নাতক তৃতীয় বৰ্ষ

হিন্দুস্থানৰ নিবাসী সকলো একেই
ৰং-ৰূপ, বেশ-ভাষা হয়তো অনেক।


তগৰ,গোলাপ, জুতি, মালতি, চামেলিৰে
মৰম ফুলেৰে গথাঁ একে মালাৰ দৰে।
কুলি চৰাই কুহুক সুন্দৰ
মৌ-পিয়া সন্মোহিণী সুৰ
বুলবুলিয়ে সংগীত জুৰে একে সুৰ।

গঙ্গা-যমুনা, ব্ৰহ্মপুত্ৰ, কৃষ্ণা-কাবেৰী
আছে সাগৰত মিলি একাকাৰ হৈ।
ওপৰত জোন তলত পানী
ফুলত পৰিছে পখিলাৰ ৰাণী,
আমি শিশু আপোন পাহৰা
ভিন্ন আমাৰ বেশ মাত কথা
আমি ভাৰত মাতৃৰ ৰাখোঁতা।

## শান্তিৰ কপৌজনী

*নাৰ্গিছ আবদিন*
স্নাতক ৩ য় বৰ্ষ

শান্তিৰ কপৌজনী উৰি গুচি গ'ল
কোনোৱা অজান দেশলৈ ।
ক'লা ডাৱৰে আকাশ ছানিলে
অসম ভূমি কলুষিত হ'ল।
আজি ভাই-ভাইৰ মাজতে
লাগিছে দ্বন্দ,
পাহৰি পেলালে
বাপুজীৰ মন্ত্ৰ।
আজি বাৰুদেৰে
খেলিছে খেলা,
সহোদৰৰ তেজেৰে
দুহাত কৰিছে ৰঙা।
যেন এয়াই দিছে
গভীৰ প্ৰশান্তি,
অনুভৱ কৰা নাই
আমিয়েই যে জলাইছো
অশান্তিৰ অগ্নি।
উৰি গুচি গ'ল
শান্তিৰ কপৌজনী
আহিবনে পুনৰ ঘুৰি তাই
অসম ভুমিক দিবলৈ সঞ্জীৱনী।



## মই তোমাক ভালপাওঁ

*মঃ আশ্বাদ উল্লাহ(কবিৰ)*, স্নাতক প্ৰথম বৰ্ষ

তোমাৰ চকুৰে ঢুকি নোপোৱা
সেই আকাশখনৰ সমান
তোমাৰ বহল বুকুৰ ভাৱনাই
পাৰ নোপোৱা সেই নদীখনৰ সমান
ভাল পাওঁ তোমাক
তোমাৰ প্ৰিয় স্বপ্নবোৰৰ সমান।



# তোমাক চিনিছো হেৰা জোনবাই

*মিছ্‌ তাছলিমা আহমেদ,*
উঃ মাঃ২য় বৰ্ষ

যদিও আছা তুমি পৃথিৱীৰ বহু নিলগত
তোমাক পাইছো চিনি হেৰা জোনবাই,
অকণি বুলিওঁ তুমি বুকুত সাৱটি লৈ
যুগে যুগে আছা তুমি মৰম বিলাই।
উমলি থাকিম বুলি ভাৱিছো বহুত কথা
তোমাক কাষত লৈ হেৰা জোনবাই,
শুনিছো তোমাৰ হেনো দেশত আমাৰ দৰে
মাটি বা বতাহ-পানী একোৱেই নাই।
বেজী যে নিদিয়া তুমি হাতত মোৰ ফুটে বুলি
মইতো তোমাৰ দৰে নহয় জোনবাই,
মাটিৰ অকণি আমি নহয় এলেহুৱা
বাইদেৱে সৰুতেই চিলাই শিকায়।
সেয়েহে ভাৱিছো আমি নাযাওঁ ৰকেট লৈ
তোমাৰ দেশলৈ বুলি হেৰা জোনবাই,
তোমাৰ দেশলৈ বোলে ঠেঁটুৱা লগা জাৰ
তুমি জানো নিদিবা লেপ উলিয়াই।
এতিয়াও ধৰা নাই অকনো টোপনি মোৰ
পৰীক্ষা ওচৰত হেৰা জোনবাই,
পঢ়া-শুনা ক্ষতি কৰি লওঁ যদি মাজতেই
পৰীক্ষাত যে আলু পাম ভাৱিচানে নাই...

# মোলৈ মনত পৰে বুলি নক'বা

*জহিৰুল ইছলাম,*
স্নাতক তৃতীয় বৰ্ষ

প্ৰেম এক অন্তহীন নদীৰ নাম...
য'ত হেৰাই সৰ্বস্ব
প্ৰেমে এক গভীৰ সাগৰ...
য'ত পাবলৈ নাই একোৱেই
অথচ এই মৰমতে তোমাক হিয়া উজাৰি দিছিলো
পৃষ্ঠা ভৰি ভৰি চিঠি উজাগৰে নীৰৱতাক
আকোঁৱালি তোমাৰ বাবেই
প্ৰেমত হৈ উঠিছিলো আপোনপাহৰা দুৰ্দান্ত
প্ৰেমিক...
ধেৎ .. চব মিছা, প্ৰমিজ, প্ৰতীজ্ঞা
নক'বা নক'বা আকৌ এবাৰ নিষ্ঠুৰতা কৰাদি
মোলৈ মনত পৰে বুলি নক'বা।





# আকৌ আহিল বিহু

*মিছ নাজমা হেপতু*
স্নাতক ৩য়

গছৰ ডালত ফুলি উঠিল
হাজাৰ কপৌ ফুল,
চেনেহৰ বিহুটি আহিল
মন যে বিয়াকুল।
হাতত টকা, মুখত পেঁপা
কঁকালত ঢোলটি লৈ,
বিহুটিক আদৰোঁ আহা
খাই চিৰা-দৈ।
বৰদৈ মেঘালীয়ে
আহে সাজি -কাচি,
বনগীত গাই মইনা ওলাল
বিহু নাচি-নাচি।
বিজুলীয়ে হাঁহি মাৰে
আকাশতে নাচি,
মুগা-ৰিহা পিন্ধি আহিল
নাচনী সাজি-কাচি।
পখিলাই ফুলৰ স'তে
কিনো কথা পাতে,
ফুলনিত বহি লৈ মইনাই
তাকে ভাৱি থাকে।
বাপতি সাহোন ৰঙালী বিহু
অতিকৈ যে আপোন,
সৱে মিলি ৰচিম আমি
নতুন নতুন সপোন।



# জীৱন

*মিছ্‌ তাছলিমা খাতুন,*
স্নাতক ১ম বৰ্ষ

মৃত্যুৰ মুখৰ ফালে আমি সকলো
অবিৰত ভাৱে
গৈ আছো আগুৱাই,
শত-সহস্ৰ বাধায়ো আমাক
দিব নোৱাৰে আগভেটা
ই যে নদীৰ দৰে প্ৰবাহিত সূতি।
লক্ষ্য যাৰ বিশাল সমুদ্ৰ।।
সজীৱতাই যাৰ গতি
মৃত্যুৱেই পৰিণতি
তাৰেই নাম জীৱন।
জগত দুদিনীয়া মঞ্চহে মাত্ৰ।।

## অন্বেষণ


জাকিৰ হুছেইন,
V.P

এয়া বিংশ শতিকাৰ
নৱ প্ৰভাত
নৱ শক্তিৰ উন্মেষ
পংকিলতাৰ পাহাৰ নেওঁচি
ন-প্ৰজন্মই
সেউজ নিচান উৰোৱাৰ
বাজিছে গান
ইয়াৰে পৰাই সততাৰে
সত্যতাৰ আৰম্ভ হৱ
চেতনাৰ অন্বেষণ

## অধিকাৰ

আতাউৰ ৰহমান,
G.S.

নিশাৰ নিজানত বহি
প্ৰকৃত আত্মাৰ তপস্যাৰ
মোৰ অদম্য হাবিয়াস
হে আন্ধাৰৰ ৰজা
ধূষৰতাৰে কৰি নেপেলাবা
মোৰ আকাশ ঘুনীয়া
মোৰ আছে অধিকাৰ
স্বপ্ন দেখাৰ
আকাশক চুই চোৱাৰ
অধিকাৰ..।




## My Sister

Md. Nurul Hasan,
T.D.C. 3rd Yr.

My dear lovely Sister,
Take my love and salaam.
You are the one
My lovely sister
Are in my Memories.


Whenever I break my rules
You remain me the truth ness
And
Always forgive my mistakes.
I realize how fortune I am
It is my good luck
That I have got you
As my own sister.

So few lucky people get
As like this luck
Like you as a sister.

You are the one
You are the one
My loving sister.









# তুমি কুশলে থাকা

এম. আবু হানিফা
স্নাতক চূড়ান্ত বৰ্ষ

**তুমি জ্যোতি হৈ বৰষিছা—**

প্ৰেম অফুৰন্ত প্ৰাপ্তিৰ নাম। পৃথিৱীৰ সকলো সুখ প্ৰেমত পৰি পাই যাব পাৰি। প্ৰেম যে সকলো ঐশ্বৰ্যৰ উৰ্ধত সেয়া প্ৰেমত পৰিলেহে বোধ কৰিব পাৰি। এই ধাৰণাটো তেতিয়া মোৰো পৰিপক্ক হ'ল যেতিয়া প্ৰেমৰ নামত উজাগৰে কটাব ধৰিলো। উচ্চতৰ মাধ্যমিকৰ পাছত মোৰো সপোন আছিল চহৰৰ এখন নামী কলেজত পঢ়িবলৈ। কিন্তু মোৰ আৰ্থিক দৈন্যতাই সেয়া হ'বলৈ নিদিলে। যদিও এখনত ভৰ্তি হৈছিলো কেৱল শোচনীয় অৱস্থাৰ বাবেই আধাতে এৰি আহিব লগা হৈছিল। ফলত অনাকাঙ্খিত কলেজ এখনতে দাখিল হ'লো। কলেজক লৈ যিমান ৰোমাঞ্চকৰ সপোন আছিল সকলো তেতিয়াই শেষ হৈ গ'ল। অচিনাকি ঠাই এখনৰ লগত সহজে মিলিব নোৱাৰিলো। অথচ সময়ৰ হাতত নিজকে এৰি দি আগবাঢ়িবলৈ ধৰিলো। যাত্ৰা পথত দৰ্শন হ'ল চিণ্টুমণি নামৰ দিপ্‌লিপ্ ছোৱালী এজনীৰ লগত। তাইৰ দেখি মই মোৰ কাংক্ষিত সময়ক যেন থিতাতে পালো। তাইৰ ৰেচম বৰণীয় চুলি, টনা টনা চকু, অনবৰতে মৃদু হাঁহি খেলি থকা দুখুনি মৰম লগা গাল, মৃদুভাষী কণ্ঠেৰে যেন ঈশ্বৰে তাইক কুণ্ডত কাটিহে গঢ়িছে। অনুভৱে কয় নিশা তাই খিৰিকিৰে মুখ মেলিলে হেনো জোনেও অস্তিত্ব হেৰুৱাব। অজানিতে তাইৰ বিষয়ে ভাৱিবলৈ ধৰিলো মই। এই সুবিধাতে প্ৰেম নামৰ স্বৰ্গীয় মলয়া এজাক সোমাই আহিল ন'ক এটা পৰ্যন্ত নকৰাকৈয়ে হৃদয়ৰ গভীৰতম কোঠালৈ। অনাকাংক্ষিত কলেজখনক মোৰ আপোন কৰিবলৈয়ে যেন তাই মোক আহি দেখা দিলে। আৰু এপলক চালেই তাইক অন্তৰ ভৰি পৰে বিমল প্ৰশান্তিত। কবি মণিকুন্তলা ভট্টাচাৰ্যই সঁচাই কৈছিল—

তুমি আছা বাবেইতো
তেওঁ আছে
আৰু তেওঁ আছে বাবেইতো
পৃথিৱীখন ইমান ধুনীয়া।

**একোৱেই যদি ক'ব নোৱাৰা ভাল পাওঁ বুলিয়ে কোৱা —**

তাইৰ ৰূপ-সৌন্দৰ্যত মত্ত হৈ ভাৱনাতে মই নিবিড় দুৱৰাই আঠ মাহ পাৰ কৰি দিলো। লাজৰ আৱৰণ খুলি ক'ম ক'ম বুলিও বহু দিন ক'ব নোৱাৰিলো। তাতে আকৌ তাইহঁত বেছ অভিজাত্য, মই সাধাৰণ ঘৰৰ ল'ৰা। জানোচা মোক প্ৰত্যাখান কৰো অথচ মনৰ নোকোৱাৰ যন্ত্ৰণা সহিব নোৱাৰি এদিন ক'ম বুলি সাজু হ'লো। সাজু মানে মোৰ কুৎচিত চেহেৰাটোত ক্ৰীম, পাউদাৰ ঘহি কাপোৰযোৰ মিহিকৈ ইস্ত্ৰি কৰি সাজো হ'লো। কিন্তু মোৰ ভাগ্য বেয়া কলেজত গৈ দেখিলো তাই এজনৰ স'তে বহি প্ৰেমালাপত মত্ত হৈ আছে। হিন্দী চিনেমাত হিৰ'ৱে কৰাৰ দৰে তাইৰ মূৰত হাত থৈ যেন জনম জনম ছাথ থকাৰ কচম খাই আছে। মই মোৰ কল্পনাৰ মৰমীজনীৰ এই দৃশ্য আৰু চাব নোৱাৰি হিন্দী চিনেমাৰ দৰে টেনচন কমাবলৈ চিগাৰেট লৈ বহি পৰিলো ৰোমিঅ'। নিজৰ চকুকে বিশ্বাস কৰিব পৰা নাই যদিও এয়াই সত্য। কোনো এক গ্ৰন্থত পঢ়িছিলো সত্যটো হেনো সদায়েই অশ্লীলেই হয়, সেয়া আজিহে বিশ্বাস হ'ল।

ইয়াৰ পাছত টেনচনত বহু দিন কলেজ যোৱা নহ'ল। কিন্তু তাইক পাহৰিব নোৱাৰিলো সদায়েই মনত পৰে। বৰ কঠিন হৈ পৰিল তাইক পাহৰাটো। তাইৰ বাদে যেন আন কাকো মোৰ হৃদয়ত আসন দিব নোৱাৰিম, যেন অনন্ত কাল তাইকেই ভাবি যাম মই। অৱশেষত নিজৰ সত্যতাৰ ওচৰত হাৰ মানি একপক্ষীয়াকৈ ভালপোৱাৰ সিদ্ধান্ত ল'লো। সেয়ে এই একপক্ষীয়া প্ৰেমক জীয়াই ৰাখিবলৈ আকৌ কলেজ যোৱা আৰম্ভ কৰিলো।

এদিন সহপাঠী ইন্দ্ৰৰ লগত বহি কথা পাতি আছিলো, ইন্দ্ৰই মণিলৈ জন্মা মোৰ অনুভৱৰ বিষয়ে জানিছিল। আমাৰ সন্মুখতে মণিহঁত বহি আছিল। মোৰ অবাধ্য নয়নে তাইক চাই আছিল, তাই মাজে মাজে বেঁকা চাৱনিৰে মোৰ দৃষ্টিক আঁতৰাই অনাত বাধাৰ সৃষ্টি কৰিছিল। তেতিয়া হঠাতে ইন্দ্ৰই কৈ উঠিল — এতিয়া কেনে লাগে মণিক চালে?

— ভাল লাগে। অথচ অন্তৰখন সামান্য উদং উদং লাগে। মই উত্তৰ দিলো।

— প্ৰেম এনেকুৱাই, নিবিড় শান্তিত থাকিব নিদিয়ে। তেওঁ ক'লে আকৌ।

— কিয় প্ৰেমত হেনো স্বৰ্গ থাকে নে তোমালোকৰ মাজত কিবা হৈছে? মই সুধিলো।

— নাই তেনে নহয়। অথচ প্ৰেমত স্বৰ্গ থাকিলেও ই এটা ভয়ংকৰ ৰোগ। য'ত আছে শান্তি, অসহনীয় অস্থিৰতাও। বাৰু নিবিড় কথা এটা কোৱাচোন, যদি মণিক আকৌ তুমি কাষত, পোৱা ভাল পাবা তাইক?- ইন্দ্ৰই ক'লে।

— আচলতে তাইক মই কেতিয়াও পাহৰিব নোৱাৰিম সেয়ে তাই সদায়েই মোৰ বাবে চিৰ নতুন। মই ক'লো।

ইন্দ্ৰ কিছুপৰ নীৰৱ হৈ থাকি পুনৰ কৈ উঠিল— তাইৰ আগৰ প্ৰেমিকৰ স'তে বিচ্ছেদ হৈছে। সেয়ে সিদিনা তোমাৰ কথা কৈছিলো। তাই মানা কৰা নাই তথাপি হেনো দহ বছৰলৈকে তাই পঢ়িব, এইবোৰ হেনো নকৰে।

ইন্দ্ৰৰ কথাত মই একো মাত দিব নোৱাৰিলো। তাৰ কথাটো কেইদিনমান ভাবিলো। তাই আঠ বছৰ ধৰি হেনো সেইজনক ভাল পাইছিল, কথাটোক বেয়াকৈ ভাবিব নোৱাৰিলো। মোৰ মতে প্ৰেম প্ৰেমেই, আনৰ বাবে যিয়েই নহওঁক। প্ৰেমত কেতিয়াও বিচাৰ নহয়। সেয়ে মই আকৌ নিজকে সময়ৰ হাতত এৰি দিলো।

ইতাইৰপৰাও যেন সহাঁৰি পাবলৈ ধৰিলো। অথচ তাইৰ স'তে কথা পতাৰ সাহস গোটাব নোৱাৰিলো। এদিন মোক আচৰিত কৰি দি তায়েই মোক মাতি পঠিয়ালে। মোৰ লাজ লাগিল। তাই কি ভাবিব, হয়তো মোক কাপুৰুষ ভাবিব প্ৰেমৰ প্ৰস্তাৱটো নিজে দিব নোৱাৰাৰ বাবে। ওচৰলৈ অহাত 'বহা' বুলি প্ৰথম মাত দিলো। - থেংক ইউ। তাই ক'লে। লাজে তাইক আগুৰি ধৰিলে। গোটেইজনী লাজত ৰঙা-চিঙা পৰি গ'ল। কবি প্ৰণৱ কুমাৰ বৰ্মনৰ ভাষাৰে কৈ দিবলৈ মন গ'ল—

তোমাৰ সুখ নগৰীৰ সিটো বিষাদ গলিত
এক জীৰ্ণ জীৱনৰ পজাঁত খিৰিকিৰ পৰ্দা ভাঙি
তোমাৰ অপেক্ষাৰত মই এক নষ্ট কুষীলৱ
লজ্জাৱতী..................
লাজৰ আৱৰণ গুচাই
একোৱেই যদি ক'ব নোৱাৰা
ভালপাঁও বুলিয়ে কোৱা।

***তোমাৰ হাতৰ পুতলা হৈ নাচিব খোজো মই -***

হেৰাই যোৱা সেই আকুতি আকৌ মোৰ জীৱনলৈ হেজাৰ সুখৰ সুষমা লৈ আহিল। প্ৰেম সচাঁকৈয়ে অনুপম। এতিয়া ভাব হয় প্ৰেমত নপৰা জনে জীৱন কি কেতিয়াও বুজিব নোৱাৰে, জগতৰ আটাইতকৈ মধুময় ঐশ্বৰ্য্য উপভোগৰপৰা বঞ্চিত হয়। প্ৰেমৰ কবিতা পঢ়ি ভাবিছিলো কবিসকলে কবিতাত কেনেকৈ ৰচে বাৰু ইমান অমৃত সুৰীয়া শব্দৰ মালা। সেয়া বোধ কৰো এতিয়া। আচলতে প্ৰেম কবিতাৰ বাবে নহয়, কিন্তু কবিতাক প্ৰেমে যি ঐশ্বৰ্য্য প্ৰদান কৰে সেয়া আন একোৱেই দিব নোৱাৰে। সেয়ে এজন কবিৰ ব্যক্তিগত প্ৰেমগাথাঁ হৈ পৰে সাৰ্বজনীন আৰু অসংখ্যজনক দিয়ে মনৰ খোৰাক।

মনি এই সকলোবিলাকৰ অৰ্থ মোক তাইৰ মৰমেৰে বুজাই দিলে। তাইৰ আচৰণে অজান ভাৱৰ সঞ্চাৰ কৰে মনত। তাই প্ৰায়েই শিশুসুলভ আচৰণ কৰি মন হৰি নিয়ে। চঞ্চল হৈ উঠে। কেতিয়াবা ঘৰলৈ কোনোবা আলহি আহিলেও চেমনীয়াৰ দৰে জঁপিয়াই উঠে। কয়- ঘৰত আলহী আহিছে মোৰ আজি বৰ আনন্দ লাগিছে। মুনমী আহিছে তাই মোৰ বান্ধৱীৰ দৰে তাইৰ স'তে সব কথা পাতো মই। তোমাৰ কথা ক'ম নে? কি ক'বা? কেনেকৈ তোমাক পালো, হঠাৎ কেনেকৈ এক হৈ পৰিলো....... কি যে শিশুৰ আবদাৰ...।

আজিকালি সকলোৱে প্ৰেমক ফেশ্বন বুলি কয়। সঁচাই প্ৰকৃত প্ৰেমৰ স্থলন ঘটিছে। প্ৰেমৰ নামত জগতত কত যে কি অপঘটনা ঘটি আছে। মোৰ লগৰবোৰে কয় মনিৰ দৰে ধনীৰ দুলালী এজনীক হেনো মই কেতিয়াও নাপাম। সেয়ে এদিন তাইক সুধিয়েই পেলালো- 'মনি, তুমি যে মোক ইমান ভালপোৱা মোৰতো তোমাক দিবলৈ একো নাই। প্ৰেমৰ বাদে তোমাক মই একোৱেই দিব নোৱাৰো। কিহৰে সুখি কৰিম তোমাক?' তাই বেছ অভিমানৰে ক'লে- 'তোমাৰপৰা সেইবোৰ বিচাৰিছো নে? তোমাৰপৰা সদায়েই মৰম পায় থকাটোৱে বিচাৰো মই।' তাইক অইন ছোৱালীৰ তুলনাত ব্যক্তিক্ৰম লাগে। ইমান ধনী ঘৰৰ হৈয়ো কোনো দিন তাইৰ পৰিচয় নিদিলে মোৰ আগত। আনৰ পৰাহে গম পালো তাই বেছ অভিজাত্য পৰিয়ালৰ। কেনেকৈ অবিশ্বাস কৰো তাইক। তাইৰ এটা নিৰ্মল হৃদয় আছে, সততা আছে। যিকোনো কথা আমাৰ মাজত আলচ হয় বৰ মনোযোগৰে। এখন্তকো পাহৰি থাকিব নোৱাৰো তাইক। এদিন মই ক'লো- 'তোমাৰ হাতত কিবা এটা আছে চিন্তু, আজীৱন তোমাৰ হাতৰ পুতলা হৈ থাকিব খোজো মই।' তায়ো বেছ ৰসিকতা কৰি কৈ উঠিল- 'চাম নহয় কিমান দিন থাকিব পাৰা।'





**হঠাৎ কেনেকৈ এক হৈ পৰিলো -**

মৰম বোৱতী নদীৰ দৰে।সময়ৰ দৰেই গতিশীল। এই বৰ্দ্ধমান গতি বৰ আচৰিত। ঐক্যবদ্ধ আন্তৰিকতাৰে যৌৱনৰ খটখটিৰে এনেদৰে আপোন পাহৰি গৈ আছিলো আমি যে গমেই নাপালো এনে এক ঠাইত আহি উপস্থিত হৈছো য'ত এজনে আনজনক এৰি থকাটো অসম্ভৱ। দিনত এৰি আহিলেও নিশা সপোন ভগাৰ পিছত তাইৰ অদৃশ্য উপস্থিতত উজাগৰ সজীৱ হৈ থাকে। কি যে অদ্ভুত যাদু প্ৰেমৰ। নিজৰ কথা ভাবি কেতিয়াবা শংকিত হওঁ, তাই কিমান সজাগ মই সন্দৰ্ভত? এদিন অজানিতেই কৈ উঠিলো তাইক- 'আমাৰ ভালপোৱা বহুত পৰিপক্ক হৈ উঠিল নহয়নে চিন্তু? গমেই নাপালো।' তাই মত ব্যক্ত কৰিলে- 'কেতিয়ানো ফুলিল আৰু ফলিলেইনো কেতিয়া?' এই যে আমি উশাহ নসলোৱাকৈয়ে কৈ থাকো মনৰ কথা, সপোন, জীৱনৰ কথা আৰু মাজতে বিনা কাৰণতেই বৈ যাওঁ। মৌন হৈ মনত কিবা ভাবি থাকো, এই নীৰৱতাতেই মৌনতাৰ সুযোগ লৈ মৰমৰ কলিটো সুবিধা বুজি ঠন ধৰি উঠিল। মোৰ কাব্যিকতাত তাই হাঁহি উঠিল। হাঁহি থকা তাইৰ গাল দুখনৰপৰা কি যে মুকুতা সৰে।

আগতে এনে ভাব কিন্তু জন্মা নাছিল। চিন্তুক মই প্ৰকৃত ভালপাওঁ আৰু তায়েই মোৰ শেষ প্ৰেম বোলাত সকলোৱেই টিপ্পনী মাৰিলে যে- 'তোৰ মুখত এনে কথা শোভা নাপায়।' দুলালে ক'লে- 'চিন্তুও মমী, আৰবীৰ দৰে গুছি যাব আৰু সকলো পাহৰি যাবি আৱেগ-অনুভুতি। আগতেও ভাল পাইছিলো। কিন্তু মোৰ কি দোষ আছিল সকলোৱেই আতৰি গ'ল। মই কোনো দোষ কৰিছিলো মনত নপৰে। কিন্তু দুলালে কোৱাৰ দৰে মই জানো পাহৰিব পাৰিম চিন্তুক? জান-প্ৰাণ দি তাইক ভাল পাই পেলাইছো। এদিন চিন্তুক সুধিলো- 'তুমি মোৰ লগত সদায় থাকিবাতো? ভগৱানৰ ওচৰত বিশ্বাস আমাৰ মাজত কেতিয়াও কোনো প্ৰাচীৰ নাহে। তুমিও ভগৱানক মাতা, তাই কয়।' তুমিয়েই দেখোন মোৰ ভগৱান।মোৰ কথাত আচৰিত হৈ তাই কয়- 'পাগল হৈছা নেকি?' ক'ত মই দেখোন ঠিকেই আছো। তাই হাঁহিছিল।

**চিনাকি ষ্টেচন এৰি তুমি গুচি যাব ওলাইছা -**

অবুজ যেন চিণ্টুৱে ৰেলগাড়ী বৰ ভাল পায়। মাৰুতিত উঠি কলেজলৈ অহা চিণ্টুৱে মোৰ চাইকেলখনকে কেতিয়াবা ৰেল বুলি জোকায়। ভাল লাগে। মোৰ চাইকেলত ধৰি বহু পৰলৈকে টহল দিয়া তাই জনীৰ সৰলতাই মোৰ মনত মৰমৰ পাহাৰ সাজি দিয়ে। সকলো সময়তে মোক সংগ দিয়ে। ইয়াতকৈ বেছি প্ৰেমে আৰু কি বিচাৰে?

এদিন কিবা অনুষ্ঠানৰ বাবে কলেজৰ ক'তো বহিবলৈ খালী ঠাই অকণ নাই। তেনেতে পৰিত্যক্ত কোঠা এটা বিচাৰি পালো। কোঠাটোত দুয়ো একত্ৰে ধৰি উন্মোচন কৰাদি খুলিলো। প্ৰেমত কোনো দিন স্পৰ্শসুখ পোৱা নাছিলো। তাই মোৰ হাতত ধৰি হঠাৎ কৈ উঠিল— পাহৰি নোযোৱাতো এই মৰম? কথা দিয়া সদায় কাষত থাকিবা বুলি। মোৰ হাতত ধৰি কোৱা কথাখিনি শুনি আনন্দত চকুলো ওলাই গ'ল। তাই যে মোক ইমান ভাল পাই তাৰ বাবে যেন গৌৰৱবোধ হ'ল। এই সহানুভূতিয়েই নহয় তাই মোক শাসনো কৰে। কলেজ নগ'লে, মুখ ফুলোৱা হয়। গুটখা খালে নামাতে, অভিমান কৰে। যাৰ বাবে কোনো বেয়া কাম কৰিবলৈ যাওঁতে সদায় তাইৰ কথা মনত পৰি সাৱধান হৈ যাওঁ। বোধ হ'ল সকলোৱে প্ৰেমক বেয়া কোৱাৰ দৰে মোৰ প্ৰেম বেয়া নহয়। মোৰ প্ৰেমত অকল সুখেই নহয় আছে জীৱনবোধৰ সঁচা অৰ্থও।

জীৱনত কেতিয়া কি ঘটে নিয়তিৰ বাহিৰে কোনেও ক'ব নোৱাৰে। সঁচাকৈয়ে এক অবুজ মায়া এই জীৱন। যাক মই ভাল পালো তাইকে বুজিব নোৱাৰিলো, আচৰিত এই মানৱ। সময়ৰ দৰে সকলো পাহৰি সলনি হৈ যায় এই মনো।

ছোৱালী এজনীৰপৰা শুনিবলৈ পালো চিণ্টু হেনো পুনৰ তাইৰ পূৰ্বৰ প্ৰেমিকজনৰ স'তে কথা পাতে মিলামিছা কৰে। মোৰ অন্তৰখন বিষাই গ'ল। তাই মোক টাইম পাছ বুলি ভৱা নাইতো, নে মোৰ জীৱনৰ লগত খেলা কৰিছে? শুনা কথাত বিশ্বাস নকৰাটো মোৰ স্বভাৱ সেয়ে কথাটো বিশ্বাস নকৰিলেও ভয় অলপ মনত ঠিকেই লাগিল। জানোচা তায়ো আগৰ কেইজনীৰ দৰে মোক প্ৰতাৰণা কৰে। কবি প্ৰণৱ কুমাৰলৈ মনত পৰিল— "এই ছোৱালীবোৰক বিশ্বাস নকৰিবা বন্ধু। এই যে সাজি-কাচি জোন যেন হৈ পথ পোহৰুৱা ছোৱালীবোৰ ইহঁতক তুমি বুজিব নোৱাৰা।"

**আয়ে পিতাইক আপোন কৰি লোৱাৰ দৰে তুমি মোক আপোন কৰি ল'ব নোৱাৰিলা—**

কলেজ ছুটি হোৱা বহুত পৰ হ'ল। সকলো গুছি গ'ল বাকী মই চিণ্টু আৰু তাইৰ বান্ধৱী জোনাকী। জোনাকী অফিচতে কিবা কামত সোমাইছে। সেয়ে আমি দুয়ো মৃদু মলয়াত সোঁ-সোঁ কৰি থকা জবা জোপাৰ ছাঁতে বৈ কথা পাতি থাকিলো। তাই পূৰ্বৰ প্ৰেমিকৰ লগত মিলামিছা কৰাৰ কথাষাৰ কেইবাবাৰো সুধিব খুজিও নোৱাৰিলো। জানোচা কথাষাৰ মিছা হয় আৰু তাইক সন্দেহ কৰা বুলি বেয়া পায়। অথনিৰে পৰা পৰি থকা বৰষুণ জাকেও আমাক যোৱাত বাধা দি আছিল যদিও জোনাকীৰ কাম শেষ হোৱাত ওলাই আহিলো।

আগত ইন্দ্ৰই এদিন চিনাকি কৰাই দিয়া চিণ্টুৰ পূৰ্বৰ প্ৰেমিকজন। তেওঁৰ স'তে চিনাকিৰ পিছত ক'ৰবাত পালে কুশল বতৰা সোধা হয়। বচ্ ইমানেই। এই মুহূৰ্তত তেওঁক দেখি আচৰিত নহৈ নোৱাৰিলো। খন্তেকতে মোক আচৰিত কৰি দি তেওঁ আমাৰ ফালে আগুৱাই আহিল। আহি মোক লগ ধৰিলে। চিণ্টুহঁত আগে আগে গৈ আছে।

দিয়া মই লওঁ। — মই হাতেৰে ধৰি থকা ছাতিটোত ধৰি তেওঁ কৈ উঠিল। মই সন্মতিও দিব নোৱাৰিলো, বাধাও দিব নোৱাৰিলো। ইন্দ্ৰই কৈছিল তেওঁ হেনো এতিয়াও চিণ্টুৰ পিছ এৰা নাই। মাজতে বাটতে মোৰ সন্মুখতে চিন্তুক জোকাইছিল। মই হিন্দী চিনেমাৰ নায়কৰ দৰে গালত গোলকৈ ঘোচা এটা মাৰি দিব পৰা নাছিলো কাৰণ চিণ্টুৱেই এদিন তেওঁৰ স'তে কাজিয়া কৰিবলৈ মানা কৰি দিছিল। সিদিনা তায়েই গালি পাৰিছিল। সেই লৈ পৰৱৰ্তী সময়ত মই একো ভৱা নাই। কিন্তু আজি কথাটো অলপ ব্যতিক্ৰম লাগিল। অথচ তেওঁক একো নক'লো। তেওঁ ছাতিটো ধৰি থকাতেই মই চিন্তুক মাতিলো— চোৱা মণি, আমি ছাতি উন্মোচন কৰি আছো।

তাই পিছফালে উভতি চালে। তাইৰ মুখখন বিবৰ্ণ হৈ পৰিছে। ক'লে— সিদিনা কোঠা উন্মোচন কৰাৰ দৰে। কিন্তু সিদিনা কৰা প্ৰমিছবোৰ পাহৰি নাযাবা, সেই প্ৰতীজ্ঞাবোৰ। তাইৰ কথাত মোৰ এক ধৰণৰ অদ্ভুত ভাৱ হ'ল। তাই এতিয়াৰ কথা নকৈ সিদিনাৰ কথা কৈ আছে কিয়। এনেতে তাইৰ প্ৰাক্তন প্ৰেমিকজনে চিণ্টুক লৈ নিজৰ প্ৰসংগ উলিয়ালে। সময়খিনি মোৰ অসহ্যকৰ হৈ আহিল। ছাতিটো তেওঁৰ হাতত দি মই গুছি আহিলো। বিষাদৰ বৰষুণত তিতি....।

ঘৰলৈ আহি ভাৱিলো সিদিনা কথাষাৰ সিমান মিছা নহয়। নহ'লেনো গুটখা, পাণ আদি খাবলৈ মানা কৰা চিণ্টুজনীয়ে বৰষুণত তিতি আহোতে এবাৰো কিয় বাধা নিদিলে। কিয় এষাৰ মাত নিদি নিৰৱ হৈ আছিল এনেদৰে গুছি আহোতে? কথাখিনিয়ে মোক জোকাৰি গ'ল। তাইলৈ অজস্ৰ মৰম সাঁচি ৰখা হৃদয়ৰ প্ৰতিটো গোপন কক্ষ... বৰ মৰ্মান্তিকভাৱে..। আহঃ কমখন আপোন কৰি লৈছিলোনে তাইক?

**প্ৰেমত পৰি মই সম্প্ৰতি সৰ্বহাৰা—**

সিদিনা এই কাণ্ড দেখাৰ পাছতো মই তাইক পাহৰিব নোৱাৰিলো। আৰু তাইক পাবলৈও কোনো কামনা গোপনেও নাৰাখিলো। বন্ধুসৰে তাইৰ দৰে বেইমানক পাহৰি যাবলৈ বুজালে। কলেজলৈ যোৱা এৰিব নোৱাৰিলো।



তাইক দেখিলেই মনে কান্দি উঠিব বুলি চকুত চছ্মা এখন লগাই ল'লো। তাই বুজি পালে মোৰ মনোভাৱক। আৰে... নুবুজিবইবা কিয়? কমখন অধিকাৰ কৰি লৈছিল নে হৃদয়খনত তাই।

তাই কাষলৈ আহিল। সিক্ত কণ্ঠে ক'লে— বৰ পৰিৱৰ্তন হ'ব পাৰে মানুহ, কোনোবাই চাব বুলি চছ্মা লগাই আহিছে। তাইৰ চকুলৈ লক্ষ্য কৰিলো। এই কেইদিন তায়ো বেছ চিন্তিত। তাইৰ চকুকেইটাই যেন এইকেইদিন টোপনি যাব নোৱাৰাৰেই প্ৰমাণ দিছে। মই জানো তাই একমাত্ৰ ধনৰ বাবেই মোক এৰি যাবলৈ ওলাইছে। এয়াও তাইৰ এটা মজবুৰি।

ঠিকেইতো আৱেগত ক'লেও বাস্তৱত মৰমেৰে জীৱন নচলে ধনৰ অবিহনে। মোৰ লগত আহিয়েইবা কি পাব? তাইৰ সিদ্ধান্ত অমূলক হোৱা নাই।

সময়োপযোগী হৈছে। আমি কথা পাতি আছিলো। তাইৰ বেগত মবাইলটো চাইলেন্স মুডত টিমিক-টামাক কৰি আছিল বহু সময়ৰে পৰা। এয়া তায়ো গম পাই মোৰ আগত বেচ কাতৰ হৈ পৰিছিল। মোৰ বুজাৰ বাকী নাছিল যে এয়া তাইৰ প্ৰেমিকৰে ফোন। মবাইলৰ টিমিক-টামাক আৰু সিফালৰ ব্যক্তিজনৰ প্ৰচেষ্টাত দয়া আহিল। সেয়ে ক'লো— চিণ্টু, তোমাৰ ফোন বাজি আছে। ৰিচিভ কৰা।

জোনাকীৰ ফোন। তাইৰ মিছা মতাৰ প্ৰমাণ দিলে তাইৰ শংকিত চকুদুটাই।

একো নহয়, ৰিচিভ কৰা।

মোৰ কথাত সামান্য ইসস্ততবোধ কৰিলে। আকৌ ক'লো— ভিতৰলৈ সোমাই যোৱা।

মোৰ ফালে চাই সেমেনা-সেমেনিকৈ সোমাই গ'ল তাই।

এই মুহূৰ্তত এজন প্ৰেমিকৰ অৱস্থা কেনে হ'ব পাৰে। হিন্দী চিনেমাত দেখুৱাতকৈ বেছি অসহায় লাগিল। এনে লাগিল যেন নিজৰ প্ৰেয়সীকে আনৰ হাতত তুলি দি প্ৰহৰি হৈ বৈ আছো মই। জগতবাসীক চিঞৰি ক'বলৈ মন গ'ল— চোৱা, কৰিছানে তোমালোকে মোৰ দৰে প্ৰেম, তোমালোকৰ আছেনে এনে এখন হৃদয়? আজি মোৰ ঈশ্বৰজনক হেৰাই পেলোৱা যেন লাগিল অ'।

দহ মিনিট পাছত ওলাই আহিল তাই। মই বৰ মৰ্মান্তিক বাবে চম্ভালিলো নিজক। তাইৰো মুখখন জঁই পৰি গ'ল। হয়তো সঁচা মৰম কৰাৰ বাবেই গালি পাৰিব নোৱাৰিলো তাইক 'তুমি ইমান বেয়া' বুলি। এই মুহূৰ্তত অলপ নিৰ্জনতা বাৰুকৈয়ে প্ৰয়োজনবোধ কৰিলো। অলপ হিয়া ঢাকুৰি কান্দিবলৈ। হয়তো তায়ো কৰিছিল। ক'লো— যাওঁগৈ... অইন দিনাৰ দৰে অভিমান নকৰি তাই মাথোঁ ক'লে— যা-বা-গৈ...।

**তুমি কুশলে থাকা—**

বন্ধুসৰে ক'লে তাইক লৈ কেতিয়াও কবিতা নিলিখিবি। তাই প্ৰতাৰক। প্ৰণৱ কুমাৰে কোৱাতকৈয়ো বেছি। তোৰ কবিতা কলংকিত নকৰিবি তাইৰ নামৰ শব্দৰ মালা গাঁথি।

বন্ধুসৰে ক'লেও মই কিন্তু এবাৰো তাইক বেয়া ভাৱিব নোৱাৰিলো। মই জানো মোক এৰি গ'লেও কোনো দিন তাই মোক পাহৰিব নোৱাৰে। সেয়ে কোনো উপন্যাস, গল্পত তাইক বেশ্যা বুলি চিত্ৰায়ণ কৰিব নোৱাৰিলো।

এনেতে হঠাৎ আহি এদিন তাইৰ প্ৰেমিকজন ওলাল। তই কোনোদিন চিণ্টুক লগ কৰিব নোৱাৰিবি, তাইৰ স'তে তোৰ কি সম্বন্ধ?

স্বাভাৱিকতেই তেওঁৰ কথাত মোৰ খং উঠিল যদিও একমাত্ৰ চিণ্টুৰ কথা ভাৱিয়েই থমকি ৰ'লো। বন্ধুসৰে গৰজি উঠিল যদিও বুজাই সৈমান কৰালো।

তেওঁ মোক সুধিলে— তাই তোক এবাৰো ভাল পাই বুলি কৈছেনে? ক' যদি কৈছে এতিয়াই গৈ তাইক টুকুৰা-টুকুৰ কৰি পেলাম।

সি পাগল হোৱাই যেন পালো। যেন ইয়াৰ গাত হিন্দী চিনেমাৰ ভূতে লম্ভিছে। আৰু ভূতে যি কোনো কামেই কৰিব পাৰে।

চিণ্টু বেয়া জানো মই কামনা কৰিব পাৰো? মই জানো তাই মোক এৰি যাবলৈ ওলাইছে। ক'লো— নাই, মইহে তাইৰ পিছত লাগি আছো ইমান দিনে বিৰক্তি কৰি আছো। তাইৰ মুখৰপৰা কোনোদিন ভাৱ পোৱা শব্দটো শুনি পোৱা নাই।

তেওঁ ক'লে— শুনিছো এনেকুৱা, যদি এনেকুৱাই হয় চা, মই ইমান দিন ভাল পাইছো। এতিয়া আমাৰ বিয়া ঠিক হৈছে...। তেওঁৰ মনৰ কথা বুজি পাই মইবৰ নিষ্ঠুৰতাতে নিজৰ মনটোক বলি দি ক'লো— নাই, এয়া মিছা। আজিৰপৰা যোৱা তোমাৰ পথ চাফা। মই কোনো দিন আৰু তাইৰ কাষলৈ নাযাওঁ। তোমালোক সুখী হোৱা। মোৰ চকু দুটা ক্ৰমে সেমেকি আহিল। লক্ষ্য কৰিলো তেৰোঁ যেন একো ক'ব নোৱাৰা হৈ আহিছে।

টক্ টক্ টক্ টক্

কিমান সময়ৰপৰা যে ভাৱি আছিলো কথাবিলাক? দুৱাৰত কোনোবাই টোকৰ মৰাত মোৰ সম্বিত ঘূৰি আহিল। উঠি গৈ দেখিলো পল।

কি কৰি আছনো নিবিড়? পলে সুধিলে।

এনেয়ে বহি আছো। কিন্তু তই ইমান ৰাতি ক'ৰপৰা ওলালি, নে ঘৰত আলহী আহিছে?

পলহঁতৰ অৱস্থা আমাৰ দৰেই। ঘৰত অতিৰিক্ত কাৰোবাৰ আগমন ঘটিলেই সকলোৰে আগত থকাক লৈ চিন্তা হয়। আলহী আহিলে এনেদৰে মাজে-মাজে নিশাটো কটাবলৈ ওলাইহি।

ভিতৰলৈ সোমায়েই তেওঁ গৰজি উঠিল— সদায়েই এই পাগলামিবোৰকে কৰি থাকিবিনে?

মেজৰ ওপৰত গিলাচ-বটল দেখি কৈ উঠিল। মই একো নোকোৱা দেখি পলে ক'লে— তোক বুজায়ো নোৱাৰিলো। মদেই তাইৰ চিন্তানাশক ঔষধনে? এনেদৰে নিজক শেষ কৰি দিলে তাই ঘূৰি আহিব নেকি?

তাই এতিয়া আনৰ তলাৰ চাবি। কিয় নিজকে বৰবাদ কৰি আছ?

জানো তাই আনৰ। তাইক পোৱাৰ কোনো কল্পনা মোৰ নাই। বচ্ অলপ শান্তি লাগে। নিচিন্তে আৰামত টোপনি যাব পাৰো ইমানেই। — মই ক'লো।

তোৰ এনে কাৰ্যত সকলোৱে বেয়া পাইছে। মানুহৰ মুখে মুখে তই মদাহি হৈ গ'লি। মইতো তোৰ ওচৰলৈ আহো তথাপি.... মানে...। তেওঁ কিবা এটা লুকুৱা যেন পাই সুধিলো।

মানে স্পষ্ট। সৱেই তোক এতিয়া এৰাই চলিব ধৰিছে। মদাহিৰ লগত কোনে ফুৰি নিজকে মিছাতে বদনাম কৰিব। আৰু তই কাৰো কথা নুশুনিলি। যদি তাইক তই ইমানেই ভাল পাইছিলি আৰু তায়ো যদি তোক ভাল পাইছিল নিশ্চয় তোক কু-পথে যোৱাৰ কথা কোৱা নাছিল। প্ৰেমক সেয়ে কোনেও চাব নোৱাৰে। প্ৰেমে কাকো বেয়া হ'বলৈ নিশিকায়। প্ৰেমত যদি এনে কুপ্ৰবৃত্তিবোৰেই ঘটি থাকে তেন্তে কোনেও বিশ্বাস নকৰে প্ৰেম স্বৰ্গীয় বুলি।

ইমান পৰে দীঘল নিশ্বাস এৰি আকৌ ক'লে— বাৰু তই বহ। আমাৰ কথাৰতো কোনো মূল্য তোৰ বাবে নায়েই।

পল বিছনালৈ যোৱাৰ পিছত আন দিনাৰ দৰে তাইৰ ফটোখন এবাৰ উলিয়াই চালো। পৃথিৱীৰ সকলো সৌন্দৰ্য যেন থোপ খাই আছে এই মুখায়ৱতে, এই ভাৱ...।

আহঃ কি বেদনা গধুৰ। তাইক সো-শৰীৰে কাষত পোৱাৰ কোনো অভিপ্ৰায় নাই। তথাপি পাহৰিব নোৱাৰিম সেই মৰম, ভালপোৱা। মই মোৰ কথা ৰাখিলো তাইৰ স্মৃতি আজিলৈকে মচিব নোৱাৰিলো। বৰ দুৰ্ভগীয়া তাই। বেচেৰি ইমানবোৰ প্ৰমিছ, ইমানবোৰ প্ৰতিশ্ৰুতিৰ এটাও ৰাখিব নোৱাৰিলে। মনত পৰে আমাৰ অন্তিম আলাপ লৈ।

— কি কৰিলে সন্তুষ্ট হ'বা নিবিড়?

— তোমাৰ পছন্দৰ নায়কজনক আদৰি লোৱা চিৰ দিনৰ বাবে।





— আমাৰ আৰু কথা হ'বনে?

— মোৰ ঈশ্বৰৰ মৃত্যু ঘটিল। আমাৰ কথা হয়নে নহয় আৰু ক'ব নোৱাৰিম।

— তুমি নিৰাশ নহ'বা। জীৱনটো আকৌ নতুনকৈ আৰম্ভ কৰা। কলেজ আহিবলৈ আৰম্ভ কৰা।

তাই আকৌ কৈছিল— মই চিৰদিন তোমাক মনত ৰাখিম। সদায় কথাবোৰ ভাবিম। অথচ মই কথাবিলাক মই কাৰো আগত প্ৰকাশ কৰিব নোৱাৰিম।

— নাই মোৰ কথা কেতিয়াও নাভাবিবা। সময়ৰ স'তে নিজকে খাপ খোৱাই চলিবা। তোমালোক সুখী হোৱা।

কথা বিলাক মনত পৰি আকৌ এবাৰ হিয়াখন বিষাই গ'ল। তাইক বেয়া পাম কেনেকৈ। যোৱাৰ আগলৈকে শুভ চিন্তাই কৰিছে মোৰ। তাইক কেতিয়াও বেয়া পাব নোৱাৰো। আজি তাইৰ বিয়াৰ প্ৰথম বাৰ্ষিক। মদৰ বটলটোলৈ চাই তাইলৈয়ো মনত পৰিল। নাখাওঁ আজিৰপৰা। আৰু নাখাওঁ। তাইৰ চালগিৰাটো কেনেকৈ মই মদেৰে কলুষিত কৰিম। দলি মাৰি পেলাই দিলো বটলটো। সামান্য স্বস্তিৰতা বোধ হ'ল মনত। দিনলিপিখন উলিয়াই লিখিবলৈ চেষ্টা কৰিলো।

শোকৰ পোচাকযোৰ খুলি থৈছো।
খিলখিলাই তুমি এবাৰ হাঁহা
কি ঠিক তোমাৰ হাঁহিৰ মূৰ্চ্ছনাত
ৰজনজনাই উঠে
স্তব্ধ নীৰৱতা
গায় উঠে পখীজাকে
কিজানিবা ফুলি উঠে
তোমাৰ শুভকামনাৰ হাজাৰটা কবিতা।

☺ एक गंनजे के सिर पर दो वाल था,दोनों आपस में बहुत प्यार था,शादी करना चाहता था, लेकिन कर न पाया,बताओ भला क्यों ?
क्योंकि बाल विवाह अपराध है।

☺ दुनीया में रहकर सपनों में खो जाओ, किसी को अपना बना लो या किसी का हो जाओ। आगर कुछ भी नहीं होता तो –
चादर ओर तांकिया लो ओर सौ जाओ।

☺ तेरे गम में तरप के मर जायेगें, मर गये तो तेरे नाम लेगें।रब को रिशवत देके तुझे भी उपर बूलायेगें, ओर ऊपर साथ बैठरक **Kurkuri** खायेगें।

मुमताहना आलम
स्नातक ३य वष

## যুৱতীৰ আখল

### মটৰ মাহৰ দোলমা-

উপকৰণঃ- ২০০ গ্ৰাঃ মগু দাইল বাকলি থকা, এক চিকুট হিং, ২ চামুচ বিফাইন তেল, ৫০০ গ্ৰাঃ মটৰ মাহ, ৪ চামুচ তেল, ২টা তেজপাত, ২ চামুচ নহৰু বটা, ডেৰ চামুচ আধা বটা, হালধি গুড়ি ডেৰ চামুচ, ১টা পিয়াজ বটা, নিমখ আন্দাজমতে, গৰম মছলা ১ চামুচ, ১ চামোচ জলকীয়া গুড়া আৰু নেমু ৰস ২ চামুচ।

প্ৰণালীঃ- কেৰাহীত ২ চামুচ তেল দি গৰম হলে এক চিকুট হিং দিব। মগু দাইলখিনিৰ (বাকলি গুচাই লবলৈ ১ ঘন্টা ভিজাই ৰাখি ঘঁহি ঘঁহি হাতেৰে ধুলে বাকলি এৰাই যাব) বাকলি গুচাই তেলত ৰঙাকৈ ভাজিব, যেতিয়া দালিখিনি কেৰাহীত লাগি নধৰে লগে লগে নমাব। সেই কেৰাহীখনত ২ চামুচ তেল দিব, তেজ পাত দিব, নহৰু আৰু আধা বটা দি ভাজি ভাজি পিয়াজত বটাখিনি দি লৰাই লৰাই হালধি দিব। জলকীয়া গুড়া, গৰম মছলা গুড়া দি ভাজি ভাজি ৰঙা হলে তেল ওলাব, তেতিয়া মটৰখিনি দি ভাজি জুই কমাই লব। মটৰ সিজিলে মগু দাইলখিনি দি লৰাব। অলপ পানী হাতেৰে ছটিয়াই দি ১০ মিনিট ঢাকোনেৰে ঢাকি ভাজিব। পাছত ঢাকোন খুলি লৰাই দিব, জুই বন্দ কৰি নেমুৰ ৰস দি ধনীয়া কুটা দি কাটিব। আৰু তাৰ পাছত পৰিৱেশন কৰিব।

### মাছৰ কণীৰ টেঙা-

সামগ্ৰীঃ- বৌ মাছৰ কণী - ৩০০ গ্ৰাম। পকা তেতেলি অলপমান, বেচন ১ চাহ চামুচ, নিমখ সোৱাদ অনুযায়ী, হালধি ১ চাহ চামুচ, চেনি ২ কাপ, তেল, কেচা জলকীয়া ৩টা, গোটা সৰিয়হ ১ চামুচ।

প্ৰনালীঃ- মাছৰ কণীখিনিত সামান্য নিমখ, হালদি আৰু কুটি লোৱা জলকীয়া মিহলাই ভালকৈ সানি লব। এইবাৰ সামান্য বেচন মিহলাই আকৌ সানি লওঁক। পকৰীৰ দৰে সৰু সৰু লাড়ু বনাই তেল গৰম কৰি ভাজি লওঁক। পকা তেতেলি খিনি কিছু সময় গৰম পানীত তিয়াই থওঁক। এইবাৰ তেতেলিখিনি পানীত সানি ছেকি লওঁক। কেৰাহীত অলপ তেল দি গোটা সৰিয়হ-ফোড়ন দি তেতেলিৰ পানী ঢালি দিয়ক। নিমখ, হালধি আৰু চেনি দিয়ক। পাঁচ মিনিট মান উতলাই নমাই কিছুপৰ থৈ পাছত পৰিৱেশন কৰক।

### ৰান্ধনি ঘৰৰ দুটামান টিপছ্ -

১) নিমখ গলি নাযাবলৈ নিমখত কেইটামান চাউল কাপোৰ এডোখৰত বান্ধি থওঁক। ২) বহৰ দালি বান্ধি থাকোতে চাৰি-পাঁচটা মান চাউল দাইল খিনিত পেলাই দিয়ক। সোনকালে সিজিব। ৩) কণীৰ গোন্ধ আঁতৰাবলৈ বাচনটোত ব্ৰেডৰ টুকুৰা ঘঁহি দিয়ক। ৪) ফুলকবি সিজাওতে এটুকুৰা আধা দিলে গোন্ধ নাইকীয়া হয়। ৫) ঘৰ মচা পানীত মাজে সময়ে কেইটোপালমান কেৰাচিন দিয়ক। পৰুৱা কমিব।

### চিকেন কাবাব

উপকৰণঃ মূৰ্গীৰ মাংস ৫৫ গ্ৰাম।
নহৰু বটা চাহ চামুচেৰে -১ চামুচ
আদা বটা টেবুল চামুচেৰে -১ চামুচ
জিৰাৰ গুড়ি চাহ চামুচেৰে -১ চামুচ
ৰিফাইন তেল ভাজিবৰ জোখাৰে
কণী ৩টা, কেচা জলকীয়া দুটা মিহিকৈ কুটা
গৰম মছলা চাহ চামুচেৰে ৩চামুচ, নিমখ সোৱাদ অনুসৰি।

প্ৰণালীঃ- মুৰ্গীৰ মাংসখিনিত আদা বটা, নহৰু বটা, কেচা জলকীয়া, জিৰাৰ গুড়ি,গৰম মছলা, কণী আৰু নিমখ দি সানি ল'ৰা তাৰ পিছত গোল গোল কৈ কাবাব দৰে সাজি ল'ৰা কেৰাহী এখনত তেল দিব আৰু তেলখিনি গৰম হ'লে কাবাব কেইটা তেলত ৰঙচোৱাকৈ ভাজিব, ভজা হোৱাৰ পিছত কাবাবখিনি চচ্ বা চাতনিৰ লগত পৰিৱেশন কৰিব।

মমতাহিনা, নাৰ্গিছ, মাৰফুজা, আতাউৰ, হানিফা স্নাতক ৩য় বৰ্ষ







ৰূপহী মহাবিদ্যালয়

## বিভাগীয় সম্পাদকসকলৰ প্ৰতিবেদন

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

## ॥ জয়তু ৰূপহী মহাবিদ্যালয় ॥



প্ৰতিবেদনৰ মাহেন্দ্ৰক্ষণত মই সেইসকল শ্ৰদ্ধাৰ সমাজসেৱক, বিদ্যাৰ পূজাৰীক নতশিৰে স্মৰণ কৰিছোঁ, যি সকলৰ অনুপম ত্যাগ, কঠিন শ্ৰম আৰু ঐকান্তিক প্ৰচেষ্টাৰ ফলত ১৯৮১ চনত জন্ম লাভ কৰিছিল মনোৰম জ্ঞান কেন্দ্ৰ ৰূপহী মহাবিদ্যালয়। মোৰ সশ্ৰদ্ধ অঞ্জলি যাচিছোঁ সেই সকলৰ স্মৃতিত যিসকলে ভাৰত তথা অসম মাতৃৰ স্বাধীনতাৰ নিজৰ প্ৰাণ আহুতি দিছিল। আৰু শেষত মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা ও ছাত্ৰ একতা সভাৰ সভানেত্ৰী এন. কে হাজৰিকা বাইদেউ, মোৰ পৰম শ্ৰদ্ধাভাজন, সন্মানীয় ও চিৰ নমস্য শিক্ষাগুৰু সকল তথা কাৰ্যালয়ৰ সমূহ কৰ্মচাৰীবৃন্দলৈ মোৰ অন্তৰৰ অন্তঃস্থলিৰ পৰা শ্ৰদ্ধা নিবেদন কৰিলোঁ।

মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকলে ২০১০-১১ চনৰ ছাত্ৰ একতা সভা নিৰ্বাচনত সাধাৰণ সম্পাদক পদত মোক বিপুল ভোটত জয়ী কৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে ন্যূনতম সেৱা আগবঢ়োৱাৰ সুবিধা কৰি দিয়াৰ বাবে মই তেওঁলোকৰ ওচৰত থাকিম চিৰ কৃতজ্ঞ। ছাত্ৰ-ছাত্ৰীসকলে মোক দিয়া সন্মানক মই সুবিধা হিচাপে নহয়, গ্ৰহণ কৰিছিলো মোৰ দায়িত্ব আৰু কৰ্তব্য হিচাপে। মানুহৰ সীমাবদ্ধতা থাকে। মোৰো আছে সেই সীমাবদ্ধতা। সেইখিনিক লৈয়ে মই মোৰ কৰ্তব্য পালনত সৰ্ব শক্তি নিয়োগ কৰিছিলোঁ। দায়িত্ব গ্ৰহণ কৰাৰ পিছে পিছেই মই সাধাৰণ সম্পাদক হিচাপে মোৰ নেতৃত্বত ২০১০-১১ বৰ্ষৰ ছাত্ৰ একতা সভাই ৩০-১২-২০১০ ৰ পৰা ৮-১-২০১১ লৈকে অতি ধুমধামেৰে মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সমাৰোহ অনুষ্ঠিত কৰে। ক্ৰীড়া সমাৰোহৰ সামৰণি তথা বঁটা বিতৰণী অনুষ্ঠানত মুখ্য অথিতি হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰানিত কৰে নগাওঁৰ এ ডি পি মহাবিদ্যালয়ৰ অধ্যাপক, বিশিষ্ট বুদ্ধিজীৱি ড০ আবু হানিফা দেৱে। ক্ৰীড়া সমাৰোহৰ সামৰণি অনুষ্ঠানৰ অংশ হিচাপে অনুষ্ঠিত হয় এক বাৰেবৰণীয়া সাংস্কৃতিক অনুষ্ঠান।পৰম্পৰা অনুসৰি মহাবিদ্যালয়ত অনুষ্ঠিত কৰা হয় সৰস্বতী পূজা, ফাতেহা-ই-দোৱাজ দাহম, মহাবিদ্যালয় প্ৰতিস্থা দিৱস আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আটাইতকৈ উৎসৱমুখৰ অনুষ্টান নৱাগত আদৰণি সভাত নৱাগত আদৰণি অনুষ্ঠানত মুখ্য অথিতি হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক জীৱনৰ নিৰ্দেশনামূলক বক্তব্যৰে উপকৃত কৰে নগাঁৱৰ খাগৰিজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ সাগৰ বৰুৱা দেৱে। আদৰণি অনুষ্ঠানৰ অংশ হিচাপে অনুষ্ঠিত হয় মহাবিদ্যালয়ৰ ইতিহাসত এক ব্যতিক্ৰমধৰ্মী সাংস্কৃতিক অনুষ্ঠান। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ দ্বাৰা এনে ধৰণে নিয়মীয়া অনুষ্ঠানসমূহ





অতি সুকলমে অনুষ্ঠিত হোৱাৰ উপৰিও আমাৰ ছাত্ৰ একতা সভাৰ নেতৃত্বত ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে যিবোৰ ব্যৱস্থা আমি কৰিবলৈ সক্ষম হৈছোঁ, চমুকৈ সেইবোৰ হৈছে –

ক) মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এক মাৰাত্মক ব্যাধি হিচাপে প্ৰচলিত ৰেগিং সম্পূৰ্ণৰূপে বন্ধ কৰা হয়।
খ) মহাবিদ্যালয়ৰ শ্ৰেণীকোঠাৰ কেঁচা মজিয়া
পকী কৰা হয়।
গ) প্ৰতিটো শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজন
অনুসৰি ফেনৰ ব্যৱস্থা কৰা হয়।
ঘ) ছাত্ৰ-ছাত্ৰীৰ বাবে বিনামূলীয়া কম্পিটাৰ শিক্ষাকেন্দ্ৰ
স্থাপন কৰা হয়।
ঙ) ছাত্ৰ-ছাত্ৰীৰ বাবে পানী যোগানৰ ব্যৱস্থাপনা কৰা হয়। বিশুদ্ধ খোৱা পানীৰ সুবিধাৰ বাবে ছাত্ৰ তথা ছাত্ৰীৰ জিৰণী কোঠাত একোৱাগাৰ্ডৰ ব্যৱস্থা কৰা আদি কাৰ্যসমূহ আমাৰ কাৰ্যকালত সমাপন কৰা হয়।

এইখিনিতে বিশেষভাৱে উল্লেখনীয় যে ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ বাবে এই সমূহ কাৰ্য সমাপনৰ ক্ষেত্ৰত অতি অৱশ্যেই মোৰ তত্বাৱধায়ক শিক্ষক অধ্যাপক আব্দুছ ছবুৰ চাহাবৰ বুদ্ধি পৰামৰ্শ তথা মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা মাননীয়া নাজনিন খবিৰ হাজৰিকাৰ ইতিবাচক দৃষ্টিভংগী তথা সহযোগীতাৰ বাবেহে সম্ভৱ হৈছে।

আমাৰ মহাবিদ্যালয়ৰ সীমিত পুঁজিৰ বাবে কৰ্তৃপক্ষৰ ইতিবাচক দৃষ্টিভংগী সত্বেও বহু ইস্পিত কাৰ্য সমাধাৰ পৰা আমি বিৰত হ'ব লগা হয় আমাৰ ঐকান্তিক নিষ্ঠা সত্বেও। আমাৰ আন্দোলন আৰু প্ৰচেষ্টাৰ হেঁচাত মহাবিদ্যালয় কৰ্তৃপক্ষই যিবোৰ কাম সোনকালেই কৰিম বুলি প্ৰতিশ্ৰুতি দিছে সেইবোৰ হৈছে মহাবিদ্যালয়ৰ পকী বাউণ্ডাৰী ওৱাল নিৰ্মান, শ্ৰেণীকোঠাৰ চিলিং নিৰ্মান, নৈশ্য চকীদাৰৰ বাসভৱন স্থানান্তৰ, মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী পালনৰ ব্যৱস্থা ইত্যাদি।

সদৌ শেষত মোৰ কাৰ্যকালত মোৰ অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে ছাত্ৰ-ছাত্ৰী সমন্বিতে শিক্ষাগুৰুসকলৰ পৰা ক্ষমা প্ৰাৰ্থনাৰে মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত আৰু উন্নত শৈক্ষিক পৰিৱেশ কামনা কৰি প্ৰতিবেদনৰ ইতি মাৰিলোঁ।

ধন্যবাদেৰে –
মোঃ আতাউৰ ৰহমান
সাধাৰণ সম্পাদক
মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০১০ - ২০১১

# উপ-সভাপতিৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল মহান গুণী-জ্ঞানী বিদ্যানুৰাগী ব্যক্তিসকলক স্মৰণ কৰিছোঁ যিসকলৰ অসীম ত্যাগ কঠিন শ্ৰম ঐকান্তিক প্ৰচেষ্টা আৰু জীৱনজোৰা সাধনাৰ বিনিময়ত ১৯৮১ চনৰ ১০ আগষ্ট মাহত গঢ় লৈ উঠিছিল ৰূপহীৰ বুকুত ৰূপহী মহাবিদ্যালয়। ৰূপহী মহাবিদ্যালয় ৰূপহীৰ স্থানীয় ৰাইজৰ ছাত্ৰ-ছাত্ৰীৰ জীৱনত উচ্চ শিক্ষা লাভৰ প্ৰেৰণা দিছে। যিসকল ব্যক্তিৰ অসীম কোৰবানীৰ ফলত আজি আমি শিক্ষা জগতত চকু মেলি চাব পাৰিছো। ৰূপহী মহাবিদ্যালয় সচাঁকৈ ৰূপহী সমষ্টিৰ আদৰ্শ সমাজৰ বিভিন্ন সম্প্ৰদায়ৰ মানুহকে আদৰ্শ শিক্ষা দি ব্যক্তিগত জীৱনৰ লগতে দেশক, দহক, সমাজক সুস্থ সবল নিকা আৰু শান্তি-সমৃদ্ধিৰ ডোলেৰে বান্ধি ৰখাত সহায় কৰিছে।

২০১১ চনৰ ৰূপহী মহাবিদ্যালয়ৰ প্ৰকাশিত ৰূপলেখা আলোচনীখন প্ৰকাশ পোৱাত পৰম শ্ৰদ্ধাভাজন মাননীয় ৰূপহী মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা মহোদয়া, চিৰনমস্য শিক্ষাগুৰুসকল আৰু কাৰ্যালয়ৰ সমূহ কৰ্মচাৰীলৈ মোৰ হৃদয়ৰ পৰা অসীম শ্ৰদ্ধা যাচিলোঁ।

আমি কৰুণাময় ঈশ্বৰৰ ওপৰত বিশ্বাস ৰাখি নিজৰ নিজৰ কৰ্ম - ধৰ্ম পালন কৰি মাক-দেউতাকক শ্ৰদ্ধা কৰি মাননীয় শিক্ষাগুৰুক ভক্তি কৰি মানৱ জাতিৰ প্ৰতি মানৱতা, প্ৰাণীৰ প্ৰতি দয়া আমি যাতে পৱিত্ৰ লক্ষ্যত উপনিত হ'ব পাৰো। মানুহে মানুহৰ হৃদয় জয় কৰিবলৈ চেষ্টা কৰিব লাগে । সকলোৰে মুখত হাঁহি বিৰিঙোৱা নামত নিৰন্তৰ ব্ৰতী হৈ থাকিব লাগে। অপৰাধী লোকৰ মন সংশোধন কৰিবলৈ চেষ্টা কৰিব লাগে। নিজৰ অস্তিত্বৰ বাবে প্ৰকৃত লক্ষ্যৰ সন্ধান কৰা আত্মপ্ৰত্যয়ী হোৱা ইচ্ছাৰ ওপৰত নিজকে সমৰ্পণ কৰা।

মই ২০০৯ চনত ৰূপহী মহাবিদ্যালয়ত সাধাৰন নিৰ্বাচনৰ তৰ্ক আআৰু সাংস্কৃতিক বিভাগত সম্পাদক হিচাপে প্ৰতিদ্বন্দ্বিতা কৰোঁ, সকলো ছাত্ৰ-ছাত্ৰীয়ে মোক যথেষ্ট ভোট দি নিৰ্বাচনত জয়ী কৰিছিল। মোৰ কামত অশেষ সহায় কৰা সকলো বন্ধুলৈ মোৰ আন্তৰিক ধন্যবাদ যাচিলোঁ।

২০১১ চনত মই পুনৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাপে নিৰ্বাচিত হওঁ। মই সকলোতকৈ সুখী কাৰণ মোৰ কোনো বিৰোধী প্ৰাৰ্থী নাছিল। তাৰোপৰি ৰূপহী মহাবিদ্যালয়ত মই দুবাৰকৈ ছাত্ৰ একতা সভাত স্থান লাভ কৰিবলৈ সক্ষম হৈছিলো।এই বৰ্ষত ছাত্ৰ একতা সভাৰ তৰফৰ পৰা  সকলো সম্পাদক-সম্পাদিকাৰ বুজা পৰাত মহাবিদ্যালয়ৰ বিভিন্ন কোঠাত পানী ব্যৱস্থা কৰিব পাৰিছিলো আৰু কিছুমান ছাত্ৰ-ছাত্ৰী আৰু মহাবিদ্যালয়ৰ উন্নতি সাধিব পাৰিছিলো। মই উপ-সভাপতি হিচাপে সমূহ ছাত্ৰ-ছাত্ৰীয়ে মোক যথেষ্ট সন্মান দিছে তাৰ বাবে ছাত্ৰ-ছাত্ৰীক অন্তৰৰ পৰা শুভেচ্ছা যাচিলোঁ।

২০১১ চনত এজন সুস্থ সবল আৰু ৰাজনৈতিক অভিজ্ঞতা থকা এজন দায়িত্বশীল সাধাৰন সম্পাদক মোঃ আতাউৰ ৰহমানৰ মই কৃতজ্ঞতা স্বীকাৰ কৰিছোঁ। তেওঁৰ শিক্ষানুষ্ঠানলৈ কাম কাজৰ প্ৰতি বৰ দায়িত্বশীল ব্যক্তি। মহাবিদ্যালয়ৰ যিকোনো কাম কাজৰ বাবে মোক উপ-সভাপতি হিচাপে আৰু সম্পাদক-সম্পাদিকাৰ লগত সকলো সময়ত





বুজাবুজি কৰি কাম কৰিছিল তাৰ বাবে আমি ছাত্ৰ একতা সভাই কাম কৰাত সহজ হল। মই আতাউৰ ৰহমানক নিজৰ ভাই তথা প্ৰিয় বন্ধু হিচাপে ধন্যবাদ যাচিছোঁ। আৰু ভগৱানৰ ওচৰত দোৱা কৰো যাতে তেওঁ ভৱিষ্যত জীৱনত আৰু আগুৱাই যাব পাৰে।

কৃতজ্ঞতাঃ - মোৰ কাৰ্যকালত মহাবিদ্যালয়ৰ মাননীয় ভাৰপ্ৰাপ্ত অধ্যক্ষা মহোদয়া আৰু সাধাৰন সম্পাদক আৰু উপ সভাপতি তত্বাৱধায়ক মাননীয় আব্দুছ ছবুৰ ছাৰৰ লগতে সময় মতে উৎসাহিত কৰা মোৰ বন্ধু বান্ধৱী সাঃ সঃ আতাউৰ ৰহমান, মিজানুৰ ৰহমান, মকছিদুল হক, ছাদ্দাম হুছেইন, নবী হুছেইন, ফাৰুক আব্দুল্লাহ, এমৰাদুল হক, মনিমালা, ফেৰদুছি বেগম, হাছিনা বেগম, সৌকত আলী, সামিমা আহমেদ, নাছৰিন বেগম ছাত্ৰ একতা সভাৰ সকলো বিভাগৰ সদস্যলৈ মোৰ পূৰ্ণ কৃতজ্ঞতা আৰু আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ।

ইতি

**মোঃ জাকিৰ হুছেইন**

উপ-সভাপতি

# আলোচনী সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভনিতে জয় জয়তে ৰূপহী মহাবিদ্যালয়ৰ জন্মলগ্নতে নিজৰ পাবাপাবহীন ত্যাগ আৰু মহিমাৰে মহবিদ্যালয়খনক ঐতিহ্যমণ্ডিত ৰূপহীৰ বুকুত, ৰূপহীৰ হেজাৰ জনতাৰ হেঁপাহৰ পথাৰত জ্ঞান আৰু প্ৰজ্ঞাৰ জ্যোতিস্মান অক্ষয় বন্তি ৰূপে গঢ়ি তোলা সেই জ্ঞানান্বেষী সকলক মোৰ অন্তৰৰ নিভৃততম কোনৰ পৰা শ্ৰদ্ধা আৰু অশ্ৰু-অঞ্জলি নিবেদন কৰিলোঁ। লগতে অসম তথা ভাৰত মুলুকৰ অস্তিত্ব অত্যাচাৰী শোষক ইংৰাজৰ অপশাসনৰ পৰা ৰক্ষাৰ্থে হাঁহি হাঁহি নিজৰ প্ৰান আহুতি দি জনসাধাৰনক শান্তিকামী ঐক্যভাৱৰ মৰমৰ এনাজৰীৰে একতাৰে বান্ধি সকলোকে সমিলমিলে থাকিবলৈ এখন মুক্ত দেশ মুকলি আকাশৰ তলত প্ৰেম ভৰপুৰ নিৰপেক্ষ পোহৰ দেখুওৱা সেই স্বাধীনতা সংগ্ৰামী, মুক্তি যুঁজাৰু, বীৰ শ্বহীদ সকললৈয়ো মনৰ শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

ইয়াৰ পাছতে মোৰ মৰমৰ মহাবিদ্যালয়খনৰ বৰ্তমান ভাৰপ্ৰাপ্ত অধ্যক্ষা, শ্ৰদ্ধাপদ শিক্ষাগুৰু, সন্মানীয় কাৰ্যালয়ৰ সমূহ কৰ্মকৰ্তালৈ আন্তৰিক শ্ৰদ্ধা আৰু ছাত্ৰ-ছাত্ৰী, সমনীয়া সকললৈ মনৰ শুভকামনা জনালোঁ। বিগত ২০১০-১১ বৰ্ষৰ ছাত্ৰ একতা সভাত আলোচনী সম্পাদকৰ দৰে দায়িত্ব গধুৰ কামৰ বাবে মোক নিৰ্বাচিত কৰাৰ বাবে এই খিনিতে মই মহাবিদ্যালয় কৰ্তৃপক্ষক কৃতজ্ঞতা জনালোঁ।

মহাবিদ্যালয় এখন ছাত্ৰৰ শৈক্ষিক জীৱনৰ আটাইতকৈ মহত্বপূৰ্ণ এটা স্তৰ। য'ত জীৱনৰ প্ৰতিটো দিশৰে শিক্ষা ও অভিজ্ঞতা অৰ্জন কৰি জীৱনৰ পৰৱৰ্তী বাটেৰে অগ্ৰসৰ হ'বলৈ সুগম পথৰ সন্ধান পোৱা যায়। কৈশোৰৰ দেওনা পাৰ হৈ আহি কলেজীয়া ক্ষণছোৱাত যৌৱনক দৃঢ় আৰু সঞ্চালনমুখী কৰি তোলাৰ সময় এইখিনি। শৈক্ষিক, সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক সকলো ক্ষেত্ৰৰে জীৱনৰ পৰ্যাপ্ত শিক্ষা আহৰন কৰি পুষ্ট হোৱা যায় এই কলেজীয়া জীৱনতে। আৰু এই মুহূৰ্তত এখন কলেজৰ আলোচনীয়ে সৰ্বোতোপ্ৰকাৰে অতি বলিষ্ট ভূমিকা পালন কৰিবলগীয়া হয়। এখন মহাবিদ্যালয়ত ভিন্ন জাতি, ভিন্ন ভাষা, ভিন্ন ৰুচিৰ শিক্ষাৰ্থীয়ে তেওঁলোকৰ শৈক্ষিক দিশটোক সময়ৰ উপযোগীকৈ গঢ়ি তুলিবলৈ আহে। ফলত অকল পাঠ্যক্ৰমৰ সীমাবদ্ধ শিক্ষাই তেওঁসৱৰ বাবে যথেষ্ট নহয়, প্ৰত্যেকৰে মনত সুপ্ত হৈ থকা বিভিন্ন ধৰনৰ জ্ঞান তৃষ্ণা, কৌতুহল আদি পূৰাবৰ বাবে বিভিন্ন তৰহৰ শিক্ষাৰ প্ৰয়োজন হয়। এই সমূহ পূৰণৰ অৰ্থ নিৰ্ভৰ কৰে বিভিন্ন বাহ্যিক বিষয়ৰ সামজঞ্চ্যৰ ওপৰত। তেনে স্থলত একোখন আলোচনী, পুথিভঁৰাল, খেল ধেমালি আদি অবিহাৰ্য হৈ পৰে। আৰু এই সকলো ধৰণৰ ক্ষুধাৰ খাদ্য একোখন আলোচনীয়ে নিশ্চয়কৈ যোগাবলৈ সক্ষম হয়। কাৰন এখন আলোচনী কেৱল মাত্ৰ নিৰ্দিষ্ট সীমাৰ ভিতৰত আবদ্ধ নাথাকি সমগ্ৰ বিশ্ব আৰু মানৱ জগতক সবল বাবে সামৰি লয়। ফলত জ্ঞান তৃষ্ণাৰ হেঁপাহ দূৰ কৰি শুদ্ধ আৰু সৃষ্টিকামী চেতনাৰ জগতৰ সঞ্চাৰ লাভ কৰিবলৈ সক্ষম হ'ব পৰা যায়।

মই আলোচনী বিভাগৰ দায়িত্ব লোৱাৰ পিছৰে পৰা এই বিষয়বিলাককৈ লক্ষ্য ৰাখি আলোচনীখনত সকলো বিষয়ৰ লেখাকে





সামৰি লোৱাৰ মানসেৰে লেখা আহ্বান কৰিছিলো।

ইয়াবোপৰি কলেজখনৰ এটা দীৰ্ঘদিনিয়া অভাৱ আছিল প্ৰাচীৰ পত্ৰিকাৰ। যোৱা আঠ বছৰেৰে পৰা মহাবিদ্যালয়ত প্ৰাচীৰ পত্ৰিকা নথকাৰ ফালে চাই কাৰ্যকালৰ আৰম্ভনিতে মই ইয়াৰ বাবে প্ৰস্তুতি চলাইছিলো। মোৰ তত্বাৱধায়িকা অধ্যাপিকা মাননীয়া বৰ্ণালী শৰ্মা বাইদেউৰ সহযোগত এই কঠিন কামটো কৰাত সফল হৈছিলো। কোনো দিন কলেজত আলোচনী সম্পাদক হ'ব পাৰিলে প্ৰাচীৰ পত্ৰিকা প্ৰকাশ কৰাটো মোৰ এটা ডাঙৰ সপোন আছিল। এই ক্ষেত্ৰত বিশেষ বাবে সহায় কৰা ৰূপহী মহাবিদ্যালয়ৰ সকলোৰে প্ৰিয় স্নাতক চূড়ান্ত বৰ্ষৰ ছাত্ৰ মোঃ জহিৰুল ইছলামৰ কষ্ট আৰু ত্যাগৰ কথা আজীৱন মোৰ মনত থাকিব। উল্লেখ্য যে ৰূপহী মহাবিদ্যালয়ত পূৰ্বে বাৰ্ষিক পত্ৰিকা দুবছৰৰ মূৰে মূৰেহে প্ৰকাশ পাইছিল। মই দায়িত্ব লোৱাৰ আগৰ বৰ্ষত আলোচনী ওলাইছিল বাবে এই বছৰ আকৌ আলোচনী প্ৰকাশ পোৱা বাবে এই বছৰ পুনৰ প্ৰকাশ প্ৰায় অসম্ভৱ হৈ পৰিছিল। মই ইয়াক প্ৰত্যাহ্বান হিচাপে লৈ আগবাঢ়িছিলো। আৰু মাননীয় অধ্যক্ষা আৰু তত্বাৱধায়িকাৰ লগতে ছাত্ৰ একতা সভাৰ অপৰিসীম সহযোগিতাত এয়া সম্ভৱ হ'ল। কাৰ্যকালত প্ৰতিটো পলতেই মই আলোচনী খনৰ জৰিয়তে কলেজখনত সাহিত্যৰ এক আন্দোলন, এক জাগৰন আৰম্ভ কৰিবলৈ যৎপৰোনাস্তি প্ৰয়াস কৰিছিলো।

অসমৰ প্ৰতিটো কলেজতে শিক্ষাৰ্থী সকলে সুকীয়াকৈ সাহিত্য চৰ্চা কৰিবলৈ একো একোটা সাহিত্য চ'ৰা আছে। আমাৰ ৰূপহী কলেজতো তেনে এটা চ'ৰাৰ আৰম্ভ কৰাৰ চিন্তা কৰিছিলো যদিও একমাত্ৰ সীমিত পুঁজিৰ বাবেই সেয়া কৰিবলৈ আগবাঢ়িব নোৱাৰিলো। ইয়াবোপৰি সাহিত্য সজাগতাৰ বাবে সাহিত্য বিষয়ক আলোচনা চক্ৰ, কবি মেল আদি আয়োজন কৰাৰ মোৰ যি স্বপ্ন আছিল দুৰ্বল পুঁজিৰ বাবেই সেইবোৰ মনতে ৰাখি থৈ দিবলগীয়া হ'ল। অথচ সাহিত্য সম্পৰ্কে কলেজত অলপো যদি শিক্ষাৰ্থী মনত সজাগতা সৃষ্টি হৈছে তেন্তে মোৰ কাৰ্যকালত সামান্যতম সফল হোৱা বুলি ভাবিম। আমাৰ কলেজখন এতিয়া বহুত উন্নত হৈছে। দুবছৰৰ আগতে এখন পুথিভঁৰাল নাছিল কিন্তু আজি আটক ধুনীয়া এখন পুথিভঁৰালে কলেজখন শুৱনি কৰিছে, ই ভাল কথা কিন্তু এই পুথিভঁৰালখন যেন আমি শুৱনি কৰিব পৰা নাই। আমাৰ মাজত আধুনিক ভাবধাৰা সোমাই পৰাৰ লগে লগে বাহিৰা কিতাপৰ অধ্যয়ন বহু পৰিমানে কমি গৈছে। এজন মহান ব্যক্তিয়ে কৈছিল যে যিজনে নিজৰ ভাষা, নিজৰ জাতিৰ বুৰঞ্জী, নিজ দেশৰ ইতিহাস ভালকৈ নাজানে তেওঁ কেতিয়াও সু-নাগৰিক হ'ব নোৱাৰে। ছাত্ৰ জীৱনৰ লক্ষ্য হৈছে প্ৰথমে সু-নাগৰিক হোৱা তাৰ পিছত জীৱন, জাতি, দেশ তথা সমাজৰ সমৃদ্ধি বৃদ্ধি কৰিব পৰাকৈ নিজকে গঢ়ি তোলা। সেয়ে এই বিলাক বিষয় অধ্যয়ন বৰ জৰুৰী। লক্ষ্মীনাথ বেজবৰুৱাই এষাৰ কথা কৈছিল যে- আজিৰ ডেকা লৰাই দুই টকাৰে চিগাৰেট কিনি খাব পাৰে, কিন্তু পঞ্চাচ পইচাৰে প্ৰেমৰ কাহিনী এটা কিনি পঢ়িবলৈ টান পায়। আজি আমি এনে কথা খণ্ডন কৰি আগবাঢ়ি যোৱাৰ সময় সমাগত। কিয়নো এই পৃথিৱীত জীয়াই থাকিবলৈ হলে জ্ঞান অপৰিহাৰ্য আৰু কিতাপ পঢ়া মানেই জ্ঞানৰ সাধনা কৰা। সেইবুলি সকলো কিতাপ পঢ়াৰ যোগ্য নহয়। কোন কিতাপ আমাৰ প্ৰয়োজন সেয়া আমি নিজে নিৰ্বাচন কৰি ল'ব লাগে।

পৃথিৱীত সাহিত্য শীৰ্ষত আন একো নাই । আমি যদি বিশ্ব ইতিহাসত চকু ফুৰাওঁ প্ৰতিটো ক্ষেত্ৰতে সাহিত্যৰ গৰিমা আগত দেখা পাম।

আলোচনী এখন সেয়ে গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হয়। ইয়াত সাহিত্যৰ স্ফূৰন ঘটে বাবে। আলোচনী খনৰ পৰিসৰ সামান্য যদিও ইয়াক সৰ্বাঙ্গ সুন্দৰ কৰাৰ চেষ্টা কৰিছিলো। আলোচনী ,সম্পাদনা সমিতিৰ অনুমতি ক্ৰমে এই বৰ্ষৰ আলোচনীখন মহাবিদ্যালয়ৰ তৰফৰ পৰা শ্ৰদ্ধাঞ্জলিৰে সৈতে স্বনামধন্য শিল্পী, সুধাকণ্ঠ ড০ ভূপেন হাজৰিকাৰ নামত উচৰ্গা কৰা হৈছে। বেটুপাত, অংগসজা, অইন বছৰৰ দৰে লেখাৰ সতে কাৰ্টুন দিয়াৰ বিপৰীতে বিষয় বস্তু সতে খাপ খোৱাকৈ শিল্পসজা দিবলৈ চেষ্টা কৰিছিলো। ইয়াবোপৰি প্ৰবন্ধ, গল্প, কবিতা, উপন্যাস প্ৰতিটো বিভাগৰে একোটাকৈ শিল্প সন্মত নাম দিয়াৰ লগতে যোৱা ২০১১ বৰ্ষত আমাৰ মাজৰ পৰা চিৰ দিনৰ বাবে আতঁৰি যোৱা শিল্পী-সাহিত্যিক কেইজনমানৰ ফটো সংলগ্ন কৰি সম্পূৰ্ণ নতুন ধৰণেৰে আলোচনীখন আটকধুনীয়া কৰিবলৈ যত্ন কৰিছোঁ। কলেজৰ নমস্য অধ্যক্ষা তথা আলোচনী সম্পাদনা সমিতিৰ

অনুমতি মৰ্মে আগব পৰম্পৰা তথা গতানুগতিকতাৰ পৰা আতঁৰি আহি সাহিত্যিকৰ শুভেচ্ছাবাণী আৰু সাক্ষাতকাৰেৰে আলোচনী খনৰ শোভা বৰ্দ্ধন কৰি সকলোৰে উপযোগী কৰি তুলিবলৈ প্ৰয়াস কৰিছোঁ। নাজানো মই কিমান সফল হ'ব পাৰিছোঁ। অথচ মই অন্তৰেৰে আশা কৰিছো যে সকলোৱে আলোচনীখন আদৰি ল'ব।

যাৰ ওচৰত সদায় কৃতজ্ঞ হৈ থাকিমঃ- ভাবপ্ৰাপ্ত অধ্যক্ষা নানজীন খবিৰ হাজৰিকা বাইদেউ, তত্বাৱধায়িকা বৰ্নালী শৰ্মা বাইদেউ, অধ্যাপক আজিজুল হক ছাৰ, অধ্যাপিকা বন্দনা বৰা বাইদেউ, অধ্যাপিকা সীমা মহান্তী বাইদেউ, অধ্যাপক পি. কে. ছাৰ, শ্ৰী ভদ্ৰ কান্ত বৰা ছাৰ, অধ্যাপক আব্দুছ চবুৰ ছাৰ, অধ্যাপক ইকবাল হুছেইন ছাৰ, অধ্যাপক নুৰ মহঃ ছাৰ প্ৰমূখ্যে শিক্ষাগুৰুসকল।

ছাত্ৰ একতা সভাৰ সাঃ সঃ আতাউৰ ৰহমান, উঃ সঃ জাকিৰ হুছেইন, ফাৰুক, বাহাৰ, ৰামজিৎ আৰু সহপাঠী জহিৰুল ইছলাম, অৰ্মিত, মিজানুৰ, ইছাদুল, আতিফা, শ্বাহিন, নাৰ্গিছ, মুমতাহানা, মাবফুজা, ইছমু, মইনা, বিউটি, তছলিমা। লগতে মহাবিদ্যলয়ৰ সকলো ছাত্ৰ-ছাত্ৰীলৈ মোৰ হিয়া ভৰা শুভকামনা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ। পৰিশেষত মোৰ কাৰ্যকালত বিভিন্ন সময়ত হোৱা ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত অন্তৰেৰে ক্ষমা প্ৰাৰ্থনা কৰিলো।

ইতি,

ৰূপহী মহাবিদ্যালয়ৰ জয় যাত্ৰা অব্যাহত থাকক

জয় আই ৰূপহী মহাবিদ্যালয়

এম. আবু হানিফা

আলোচনী সম্পাদক

ছাত্ৰ একতা সভা ২০১০-১১ বৰ্ষ





# সমাজ কল্যাণ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই এই ৰূপহী মহাবিদ্যালয়ৰ জন্মৰ লগত জড়িত প্ৰতিজন মহান ব্যক্তিলৈ সহস্ৰ শ্ৰদ্ধা নিবেদন কৰিছোঁ। লগতে প্ৰতিটো পলতে মহাবিদ্যালয়নৰ উন্নতিৰ বাবে ঐকান্তিক প্ৰচেষ্টা চলোৱা বাইজলৈ প্ৰণাম যাছি ভাৰপ্ৰাপ্ত অধ্যক্ষা আৰু অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী, সমনীয়া আৰু কৰ্মচাৰী বৃন্দলৈ মোৰ আন্তৰিক শুভেচ্ছা যাচিছোঁ।

সমাজ কল্যাণ বিভাগৰ দায়িত্ব লৈ আৰম্ভণিৰে পৰা কলেজৰ সামাজিক পৰিৱেশ অক্ষুন্ন ৰখাৰ বাবে কাম কৰিছিলো আৰু সদা জাগ্ৰত আছিলো যাতে ঐতিহাসিক কলেজখনৰ মান-মৰ্যাদা আগৰ দৰেই ব্ৰতী থাকে এই দিশত মই কিমান খিনি সফল হ'ব পাৰিছিলো সেয়া সকলোৱে বিচাৰ কৰি চাব। আনহাতে মোৰ পুঁজিৰে সপ্তাহ সমাৰোহ , নৱাগত আদৰণি, সাংস্কৃতিক কাৰ্যসূচী আদি কৰি সকলোতে সফল ৰূপায়ণ কৰিবলৈ চেষ্টা কৰিছিলো। এই ক্ষেত্ৰত সদায়ে তত্বাৱধায়ক ছাৰে সহযোগ কৰিছিল, যাৰ ফলত কাৰ্যভাৰটো সঠিক ৰূপত চলাই যাবলৈ সক্ষম হৈছিলো।

মোৰ কাৰ্যকালত বিভিন্ন দিশত সু-পৰামৰ্শ দিয়া তত্বাৱধায়ক অধ্যাপক মঃ আবুল কাশেম শ্বেইখ ছাৰৰ সহযোগিতাত কামবোৰ সূচাৰুৰূপে পৰিচালনা কৰি যাওঁ।

মোক পদে পদে সু-পৰামৰ্শ তথা সহায় কৰা মৰমৰ সঃসঃ আতাউৰ ৰহমান, হুমায়ুন, হানিফা, ফাৰুক অমৃত বল, মৃদুল দাস লৈ কৃতজ্ঞতা যাচিলোঁ।

মোৰ কাৰ্যকালত অনিচ্ছাকৃত ভুল-ক্ৰটিৰ বাবে পূজনীয়া অধ্যক্ষা মহোদয়া, শিক্ষাগুৰুসকল, কৰ্মচাৰী বৃন্দ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰিলো। ৰূপহী মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বল কামনাৰে —

ইতি

মঃ গুলজাৰ হুছেইন

# ৰাষ্ট্ৰীয় সেৱা যোজনা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



জয়-জয়তে পৰম শ্ৰদ্ধাভাজন ৰূপহী মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা, সকলো অধ্যাপক-অধ্যাপিকা ও মৰমৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু কাৰ্যালয়ৰ কৰ্মচাৰীসকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছোঁ। যিসকল আদৰ্শৱান মহান ব্যক্তিৰ অতুলনীয় ত্যাগ আৰু ৰক্তৰ বিনিময়ত আজি এই মহাবিদ্যালয়খন উন্নতিৰ জখলাৰে উন্নতিৰ উচ্চ শিখৰত উপনিত হৈছে সেই মহান ব্যক্তিসকল মাননীয় প্ৰতিষ্ঠাপক অধ্যক্ষ মহোদয়, মহাবিদ্যালয় পৰিচালনা সমিতি আৰু মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতিৰ হকে আগবাঢ়ি অহা ৰাইজলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা নিবেদিছোঁ।

ৰূপহী মহাবিদ্যালয়খন ৰূপহী অঞ্চলৰ অন্যতম উচ্চ শিক্ষাৰ এটি প্ৰতিষ্ঠান। মহাবিদ্যালয়খন ১৯৮১ চনত প্ৰতিষ্ঠা হয়। ৰাষ্ট্ৰীয় সেৱা যোজনা পদৰ প্ৰাৰ্থীত বিনা প্ৰতিদ্বন্দ্বিতাৰে সকলোৱে মোক এই পদত বাচঁনি কৰে। সেয়ে মই মোৰ বন্ধু-বান্ধৱী সকলক ধন্যবাদ জনাইছোঁ। মোৰ কাৰ্যকালত সু-পৰামৰ্শ আগবঢ়োৱা এই বিভাগৰ তত্বাৱধায়ক মোঃ নুৰ মহম্মদ ছাৰলৈ এপাচি মৰম ওঁ শ্ৰদ্ধা নিবেদিছোঁ।

২০১০-১১ চনত প্ৰথম কাম ১০-১০-১১ তাৰিখে আলোচনা চক্ৰ পাতিছিলোঁ তাত ছাত্ৰি-ছাত্ৰীয়ে ৰাষ্ট্ৰীয় সেৱা যোজনাৰ বিষয়ে মোক সু-পৰামৰ্শ দিয়া তত্বাৱধায়ক মোঃ নুৰ মহম্মদ ছাৰ আৰু অন্যান্য ছাৰ-বাইদেউ সকলে ৰাষ্ট্ৰীয় সেৱা যোজনাৰ বিষয়ে বহলাই আলোচনা কৰে। ১৯৯৪ চনত ৰাষ্ট্ৰীয় সেৱা যোজনা ৰূপহী মহাবিদ্যালয়খত অধ্যক্ষ সন্মানীয় লুৎফুৰ ৰহমান চাহাবৰসক্ৰিয় প্ৰচেষ্টাত ৰাষ্ট্ৰীয় সেৱা যোজনা গোট প্ৰতিষ্ঠা হয়। শিক্ষাৰ অধীনত এই আচঁনি ভাৰতবৰ্ষত আৰ হয় ১৯৫০ চনত। ১৯৬৪-৬৬ ৰ ভাৰতীয় শিক্ষা আয়োগৰ পৰামৰ্শ এনে ধৰণৰ যে বৃহত্তৰ সমাজ গঢ়াৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ নিজা সত্তাক বিকাশৰ ওপৰত পাঠ্যক্ৰম প্ৰস্তুত হব লাগে। শিক্ষাত নতুন চিন্তা ধাৰাই শিক্ষাৰ যোগেদি সমাজৰ কাৰ্য্য, ইচ্ছা- আকাঙ্খা, ধ্যান-ধাৰণা, উচ্চাভিলাস আদি ব্যক্তি চৰিত্ৰত ফুটাই তুলিব বিচাৰে। দ্বিতীয় বাৰ মই মোৰ কাৰ্যকালত ১৯-১১-১১ তাৰিখে **Dasister Management** ৰ ওপৰত এখনি পাতো। এই কাৰ্যসূচীত তত্বাৱধায়ক ছাৰে বহু কষ্ট কৰি উপাযুক্ত কাৰ্যালয়ৰ পৰা বিশেষজ্ঞ ডঃ নিৰঞ্জন দাসক আমন্ত্ৰন কৰি প্ৰাকৃতিক দুৰ্যোগ ব্যৱস্থাপনাৰ বিষয়ে জ্ঞান দি ছাত্ৰ-ছাত্ৰীক উপকৃত কৰে।

মোৰ পুঁজিৰ সীমিত ৰাজেটেৰে আলোচনা চক্ৰখন সফল কৰি তোলাৰ লগতে সকলোৰে বাবে লঘু আহাৰৰো ব্যৱস্থা কৰিছিলো সামৰ্থ অনুসৰি। মূলতে ৰাষ্ট্ৰীয় সেৱা যোজনাৰ মূল মন্ত্ৰ -**Not Me But You** "মোৰ বাবে নহয় তোমাৰ বাবেহে ক সৰোগত কৰি প্ৰতিটো কাম শৃংখলাৰে কৰাৰ যত্ন কৰিছিলো। আৰু দীঘলীয়া নকৰোঁ সদৌ শেষত মোৰ এবছৰীয়া কাৰ্যকালত সকলো ক্ষেত্ৰতে সহায়-সহযোগীতা আৰু পৰামৰ্শ আগবঢ়োৱা অধ্যক্ষা মহোদয়া, সমূহ শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী,, বন্ধু-বান্ধৱী আৰু মহাবিদ্যালয়ৰ সমূহ কৰ্মচাৰীলৈ আৰু লগতে মোৰ প্ৰিয় ছাত্ৰ একতা সভাৰ বিভিন্ন বিভাগৰ কৰ্মকৰ্তা সকললৈ আন্তৰিক শ্ৰদ্ধা জনাই মোৰ ছুটি কাৰ্যকালত হোৱা ভুলৰ ক্ষমা বিচাৰি প্ৰতিবেদনৰ যৱনিকা পেলাইছো।

**মোঃ আনোৱাৰ হুছেইন**
সম্পাদক, ৰাষ্ট্ৰীয় সেৱা যোজনা বিভাগ (NSS)
স্নাতক ২য় বৰ্ষ, ২০১০-১১





# তৰ্ক আৰু সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন



আৰম্ভণিতে মই শ্ৰদ্ধাৰে স্মৰণ কৰিছো সেইসকল মহান সমাজ সেৱকক আৰু বিদ্যোৎসাহী ব্যক্তিলৈ যি সকলৰ আন্তৰিক প্ৰচেষ্টা আৰু ঐকান্তিক নিষ্ঠাৰ ফলশ্ৰুতিত এই ৰূপহী মহাবিদ্যালয় খন গঢ়ি উঠিছিল। লগতে শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰদ্ধা আৰু ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিকাতা জনাইছো মোক তৰ্ক আৰু সাংস্কৃতিক বিভাগলৈ নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ সামান্যতম সেৱা কৰিবলৈ সুবিধা দিয়াৰ বাবে।

বৰ্তমান যুগত প্ৰতিষ্টিত হ'বলৈ যিদৰে শিক্ষাৰ প্ৰয়োজন ঠিক সেইদৰে আজৰিত জ্ঞান-বিনোদনৰ বাবে সাংস্কৃতিক উপাদান সমূহৰো আৱশ্যকতা আছে। তৰ্ক সম্পাদকৰ কাৰ্যভাৰ গ্ৰহনৰ পাছতেই মহাবিদ্যালয়ৰ বাৰ্ষিক সমাৰোহৰ তৰ্ক বিভাগৰ পৰা তৰ্ক, কুইজ আদি কৰি মুঠ ১১ টা বিষয়ৰ প্ৰতিযোগীতাৰ আয়োজন কৰিছিলো আৰু কৃতকাৰ্য্যতা লাভ কৰা সকললৈ প্ৰত্যেককে একোখনকৈ মান পত্ৰৰ লগতে কিতাপ- কলম আদি প্ৰদান কৰা হয়।
ইয়াৰ পাছতেই সৰস্বতী পূজা পতা হয়। যদিও কম বাজেট আছিল পাৰো মানে ভাল কৰিবলৈ যত্ন কৰিছিলো। ইয়াৰ পাছত মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস ৰ সাংস্কৃতিক অনুষ্ঠান পৰিচালনা কৰা হয়। ফাতেহা-ই-দোৱাজ-দহম আৰু নৱাগত আদৰণি ৰমজান মাহৰ পৰা আদি কৰি বিভিন্ন সমস্যাৰ কাৰণে ঈদ-উল ফিতৰৰ পিছত কৰা হয়।

এই এবছৰীয়া কাৰ্যকালত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ বৌদ্ধিক বিকাশৰ বাবে যি প্ৰচেষ্টা লৈছিলোঁ তাত কিমান সফল হৈছো সেয়া ছাত্ৰ-ছাত্ৰী সকলৰ বিচাৰ্যৰ বিষয়। সদৌ অসম বিত্তিত কুইজ প্ৰতিযোগীতা এখন কৰাৰ যি সপোন আছিল সেয়া সীমিত বাজেটেৰে কৰা সত্ৰৱ নহল। মোৰ কাৰ্যকালত বিভিন্ন দিশত সু-পৰামৰ্শ আগবঢ়োৱা ভাৰপ্ৰাপ্ত মাননীয়া অধ্যাপিকা নাজনীন খবিৰ হাজৰিকা, তত্বাৱধায়ক অধ্যাপিক শ্ৰীযুত ভদ্ৰকান্ত বৰা, অধ্যাপিক আব্দুছ চবুৰ প্ৰমূখ্যে সকলো শিক্ষাগুৰুলৈ তথা কাৰ্য্যালয়ৰ সমূহ সহকাৰীবৃন্দলৈ মোৰ হিয়াভৰা শ্ৰদ্ধা নিবেদন কৰিলো।

মোক পদে পদে পাৰমৰ্শ দিয়া মৰমৰ মোঃ হাফিজুৰ, নাজমুল, বদৰুল, মুশিৰুন ফাৰহানা আতিফা আৰু সাঃ সঃ আতাউৰ ৰহমানলৈ কৃতজ্ঞতা যাচিলোঁ।

মোৰ কাৰ্যকালত মই নিষ্ঠাৰে দায়িত্ব পালন কৰিবলৈ গৈ চেষ্টা কৰা সত্বেওঅজানিতে হোৱা ভুলৰ বাবে সকলোৰে পৰা অন্তৰেৰে ক্ষমা প্ৰাৰ্থনা কৰিলোঁ।

জয়তু ৰূপহী মহাবিদ্যালয়

ধন্যবাদেৰে-
**মোঃ জহিৰুল ইছলাম**
তৰ্ক আৰু সাংস্কৃতিক সম্পাদক

# সংগীত আৰু নাট বিভাগৰ সম্পাদক ৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই সেই সকল মহান ব্যক্তিৰ মান স্মৰণ কৰিছো, যিসকলৰ আপ্ৰান প্ৰচেষ্টাৰ ফলত গঢ় লৈ উঠিছিল ঐতিহ্য মণ্ডিত ৰূপহী মহাবিদ্যালয়। ইয়াৰ পাছত মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা মহোদয়াৰ লগতে সমূহ শিক্ষাগুৰু, কৰ্মচাৰী বৃন্দলৈ মোৰ সহস্ৰ প্ৰণাম যাচিছোঁ।

ৰূপহী মহাবিদ্যালয়ৰ ২০১০-১১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সংগীত আৰু নাট বিভাগৰ সম্পাদক হিচাপে মই সমূহ ছাত্ৰ-ছাত্ৰীলৈ ৰূপলেখাৰ জৰিয়তে এপাচি ধন্যবাদ জ্ঞাপন কৰিছোঁ। সম্পাদকৰ দায়িত্ব হাতত লোৱাৰ কিছুদিন পিছতে মহাবিদ্যালয়ৰ সপ্তাহ সমাৰোহৰ সংগীত আৰু নাট বিভাগৰ দ্বাৰা আয়োজিত মুকাভিনয়, একক অভিনয়, অসমীয়া-হিন্দী-বাংলা গীত, জিকিৰ-জাৰি, বিহু-নৃত্য, আন্তাক্ষৰী আদি বিভিন্ন ধৰণৰ প্ৰতিযোগিতা আদি উলহমালহেৰে পালন কৰা হয়।

মোৰ কাৰ্যকালত সদায় সু-পৰামৰ্শ দিয়া অধ্যক্ষা ও অধ্যাপক-অধ্যাপিকা, তত্বাৱধায়ক মৌচুমী চক্ৰৱৰ্তী, অধ্যাপক ভদ্ৰকান্ত বৰা,অধ্যাপক আব্দুছ চবুৰ, অধ্যাপক ৰিয়াজুল হক, অধ্যাপক ইকবাল হুছেইন, অধ্যাপক নুৰ মহম্মদ, অধ্যাপক নৰুল ইছলাম প্ৰমূখ্যে সকলোলৈকে হিয়াভৰা শ্ৰদ্ধা যাচিছোঁ। ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীৰ ওচৰত মই চিৰ কৃতজ্ঞ। এই ক্ষেত্ৰত সু-পৰামৰ্শেৰে জাগ্ৰত কৰি ৰখা সাঃ সঃ আতাউৰ ৰহমান, জিয়াৰুল, জাকিৰ হুছেইন, ৰাজীৱ, আলম, আৰিফ, মাহফুজা, কামৰুন আছাদুল ইছলাম খান, এ. মন্নান ,মইনা লগতে ছাত্ৰএকতা সভাৰ সমূহ সদস্য-সদস্যালৈ আন্তৰিক কৃতজ্ঞতা যাছিলো।

অৱশেষত মোৰ কাৰ্যকালত অনিচ্ছাকৃত ভুল-ত্ৰুটিৰ বাবে ভাৰপ্ৰাপ্ত অধ্যক্ষা মহোদয়া ও শিক্ষাগুৰু সকল আৰু কাৰ্যলয়ৰ সমূহ কৰ্মী বৃন্দ ও ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা খুজি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

ইতি

ৰূপহী মহাবিদ্যালয়ৰ চিৰ উজল কামনাৰে –

**মোঃ বাহাৰ উদ্দিন (ৰজ)**

সম্পাদক সংগীত আৰু নাট বিভাগ

ছাত্ৰ একতা সভা ২০১০-১১





# সাংস্কৃতিক বিভাগৰ সহঃ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই এই ৰূপহী মহাবিদ্যালয়ৰ জন্মৰ লগত জড়িত প্ৰতিজন মহান ব্যক্তিলৈ সহস্ৰ শ্ৰদ্ধা নিবেদন কৰিছোঁ। লগতে প্ৰতিটো পলতে মহাবিদ্যালয়নৰ উন্নতিৰ বাবে ঐকান্তিক প্ৰচেষ্টা চলোৱা ৰাইজলৈ প্ৰণাম যাছি ভাৰপ্ৰাপ্ত অধ্যক্ষা আৰু অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী, সমনীয়া আৰু কৰ্মচাৰী বন্দলৈ মোৰ আন্তৰিক শুভেচ্ছা যাচিছোঁ।

সংস্কৃতি একো একোটা জাতিৰ সোপান স্বৰূপ। প্ৰত্যেক জাতিৰেই একো একোটা সংস্কৃতি আছে। যাক জীয়াই ৰখাটো সমাজৰ প্ৰত্যেক ব্যক্তিৰেই কৰ্তব্য। বিশেষকৈ এই ক্ষেত্ৰত অধিক দায়িত্ব গ্ৰহণ কৰিব লাগে ছাত্ৰ সমাজে। সেইবাবে মই সাংস্কৃতিক ক্ষেত্ৰত কিবা এটা কৰিবলৈ আগবাঢ়ি আহিছিলো।

কিন্তু মোৰ দৰে ক্ষুদ্ৰ জ্ঞানৰ ব্যক্তি সংস্কৃতিৰ বাবে কাম কৰিবলৈ ওলাইছো বুলি ক'লে এয়া প্ৰচাৰৰ বাহিৰে আন একো নহ'ব। তথাপি ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সকলৰ সহায় লৈ এই দায়িত্ব সূচাৰু ৰূপে পালন কৰিবলৈ চেষ্টা কৰিছিলো। তাত যদি কিবা ভুল হৈছে সকলোৱে ক্ষমা কৰি দিব। কাৰ্যভাৰ পোৱাৰ পিছত ,মহাবিদ্যালয়ৰ সপ্তাহ সমাৰোহ আহি পৰে। মই তৰ্ক বিভাগৰ পৰা তৰ্ক বিষয়ৰ লগত জড়িত প্ৰায়বোৰ প্ৰতিযোগীতা কাৰ্যসূচী মতে অনুষ্ঠিত কৰাৰ সুবিধা পাওঁ। কবিতা-আবৃত্তি প্ৰতিযোগীতা ইংৰাজী- অসমীয়া উভয় ভাষাত অনুষ্ঠিত কৰা হয়। আকস্মিক বক্তৃতা, কুইজ আদিকে ধৰি কেইটামান বিষয়ৰ প্ৰতিযোগীত অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ কেইদিনমান পিছতেই আহি পৰে সৰস্বতী পূজা। এই পূজাত প্ৰতীমা অন্যান্য বছৰতকৈ উন্নত পৰ্যায়ৰ আহিৰে প্ৰস্তুত কৰা হয়। যাৰ মই ফলত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ মনত এক আধ্যাত্মিক চেতনা জাগৃত হয় বুলি অনুভৱ কৰিব পাৰি। যদিওঁ মই সম্পাদক হোৱাৰ প্ৰাক- মূহৰ্তৰ পৰা সপোন দেখিছিলো পূজাখন চ'ৰাত পাতিবলৈ কিন্তু সেই আশা বাস্তবায়িত নহ'ল।

মোৰ কাৰ্যকালত বিভিন্ন দিশত সু-পৰামৰ্শ দিয়া তত্বাৱধায়ক অধ্যাপক ভদ্ৰকান্ত বৰা আৰু সাংস্কৃতিক সম্পাদক জহিৰুল ইছলাম লগতে শিক্ষাগুৰুসকলৰ সহযোগীতাত কামবোৰ সুচাৰুৰূপে পৰিচালনা কৰি যাওঁ। মোক পদে পদে সু-পৰামৰ্শ তথা সহায় কৰা মৰমৰ তাপস বল, পংকজ পোদ্দাৰ, অমৃত বল, মৃদুল দাস, অজন্তা বল আৰু সঃসঃ আতাউৰ ৰহমান লৈ কৃতজ্ঞতা যাচিলোঁ।

মোৰ কাৰ্যকালত অনিচ্ছাকৃত ভুল-ক্ৰটিৰ বাবে পূজনীয়া অধ্যক্ষা মহোদয়া, শিক্ষাগুৰুসকল, কৰ্মচাৰী বৃন্দ আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰিলো।

ইতি

ৰূপহী মহাবিদ্যালয়ৰ ভৱিষ্যত উজ্জ্বল কামনাৰে —

**শ্ৰী ৰামজিৎ বিশ্বাস**

# প্ৰতিভা-সাফল্য



২০১০ - ১১ বৰ্ষৰ ছোৱালী শাখাৰ শ্ৰেষ্ঠ খেলুৱৈ জৰ্জিনা খাতুন



২০১০ - ১১ বৰ্ষৰ শ্ৰেষ্ঠ গায়িকা মুমতাহানা আলম





## ২০১০-১১ বৰ্ষৰ কেইখনমান স্মৰণীয় আলোক চিত্ৰ









দীপশিখা








Workshop
Disaster Management
Rupahi College






যথাযোগ্য শ্ৰদ্ধাৰে
ৰূপহী মহাবিদ্যালয়ৰ ৩১










নৱাগত
ৰূপহী


মহাবিদ্যালয়


ৰূপহী মহাবিদ্যালয়

# সান মিহলি

**সাঁথৰ ঃ**

মিছ নাজমা হেপতুল্লা
স্নাতক ৩ য় বৰ্ষ

১। পাখি মেলি উৰি ফুৰো পাখি মেলি বহো, ফুলৰ মৌ চুহিবলৈ বতাহ সহো। উঃ- মৌ- মাখি।
২। কলগছ যেন ঠেং তাৰ বিচনীৰ দৰে কান
কোৱাচোন কোনে পাৰা তাৰ কি নাম? উঃ- হাতী।
৩। পাঁচটা আখৰেৰে মোৰ নামটো গঠিত, মিঠা ফল বুলি সৱাৰে বিদিত। প্ৰথম দ্বিতীয়ই মিলি মৌ-ৰস বুজাওঁ, প্ৰথমে পঞ্চমে মিলি পোহৰ বিলাওঁ, চতুৰ্থই পঞ্চমে মিলি এটি ফল হওঁ, ভাৱি গুনি কোৱাচোন মই কোন হওঁ। উঃ- মধুৰিআম।
৪। বাঘৰ দৰে জপিয়ায়, কুকুৰৰ দৰে বহে, বালিৰ দৰে তল যায় তুলাৰ দৰে ভাঁহে। উঃ- ভেকুলী।
৫।মেকুৰীৰ মাহী মই নহয় পিছে মেকুৰী
মৃগপহু ধৰিবলৈ বনত ফুৰোঁ চেকুৰি। উঃ- বাঘ।

---

## হাঁহিৰ খোৰাক

*মিছ. কাৰিমা খাতুন,* উঃ মাঃ ২য় বৰ্ষ

এদিনাখন এজন বিদেশী পৰ্যটক আমাৰ গাঁৱলীয়া বজাৰত সোমাল আৰু মাছ দেখি দাম সুধিলে-
বিদেশী পৰ্যটক ঃ How Much ?
গাঁৱলীয়া বেপাৰী ঃ অ' ৰৌ-মাছ।
বিদেশী পৰ্যটক ঃ What ?
গাঁৱলীয়া বেপাৰী ঃ দাদা খাবলৈ বৰ সোৱাদ।
বিদেশী পৰ্যটক ঃ (খঙত) Nonsense.
গাঁৱলীয়া বেপাৰী ঃ তেলত দিলে বিৰাট চেন্ চেন্।
বিদেশী পৰ্যটক ঃ Ok, Now I Go
গাঁৱলীয়া বেপাৰী ঃ ঠিক আছে বেটা, নিনিয় যদি থ।

---

## বিশ্ব সংবাদ

সংগ্ৰাহিকাঃ ছুইটি বনিকা, স্নাতক ২য় বৰ্ষ

১। বিশ্বৰ প্ৰাচীনতম গ্ৰন্থ কি? উঃ- বেদ। ২। পৃথিৱীত পোন প্ৰথমে কোনে হাস্পতাল প্ৰতিষ্ঠা কৰিছিল? উঃ- খ্ৰীঃ ৩৬৯চনত ইটালীৰ ক্ৰীষ্টীয়ান ধৰ্মগুৰু চেন্ট বেচিলে। ৩। ভাৰতৰ কোন ৰাজ্যত নাৰীৰ সংখ্যা বেছি? উঃ-কেৰেলা আৰু চিকিমত। ৪। আমেৰিকাৰ ৰাষ্টপতি ভৱনৰ নাম কি? উঃ- হোৱাইট হাউচ। ৫।দ্বিতীয় মহাযুদ্ধৰ অস্ত্ৰ কি আছিল? উঃ-বোমাৰু বিমান। ৬। প্ৰথম মহাযুদ্ধৰ অস্ত্ৰ কি আছিল? উঃ- টেংক
৭। বিশ্বৰ প্ৰথম মহিলা মুখ্যমন্ত্ৰী কোন? উঃ- শ্ৰীমতী বন্দৰ নায়েবা (শ্ৰীলঙ্কা)।





## জ্ঞান সম্ভাৰ

মোঃ আনছাৰুল ইছলাম
স্নাতক ২য় বৰ্ষ

১। প্ৰথম ভাৰতীয় আই পি এছ কোন? উঃ- কিৰণ বেদী।
২। 'ৰং মিলিৰ হাঁহি' উপন্যাসৰ লেখক কোন? উঃ- ৰং বং তেৰাং।
৩। মুছলমান সকলে অসম কেইবাৰ আক্ৰমন কৰিছিল? উঃ- ১৭ বাৰ
৪। স্বাধীনতা আন্দোলনৰ শ্বহীদ কুশল কোঁৱৰক কিমান চনত ইংৰাজে ফাঁচি দিছিল? উঃ-১৯৪৩ চনৰ ১৫ জুন তাৰিখে।
৫। অক্সিজেনৰ উতলাংক কিমান? উঃ- ১৮২.৯৭৬ চেণ্টিগ্ৰেড।
৬। সংবিধান সভাই সংবিধানৰ খচৰা প্ৰস্তুত কৰোতে কিমান সময় লাগিছিল? উঃ- ২ বছৰ ১১ মাহ ১৮ দিন

---

## মহত্ব পূৰ্ণ কথা

চিম্পী ঘোষ
স্নাতক দ্বিতীয় বৰ্ষ

মহাত্মা গান্ধীক সৰ্ব প্ৰথমে গান্ধী বোলা ব্যক্তিজন কোন?
* ৰবীন্দ্ৰনাথ ঠাকুৰ।
ভাৰতৰ কোনখন নদীত হীৰা পোৱা যায়?
* কৃষ্ণা নদীত (দক্ষিণ ভাৰতত)।
হাতত পুলি ৰোৱা ব্যক্তিজনৰ নাম কি?
* ডাকৌৰ ৰামদাস বোধানী।
সংবিধান সভাত ৰাষ্ট্ৰীয় পতাকাৰ ডিজাইনৰ স্বীকৃতি কেতিয়া প্ৰদান কৰিছিল?
* ২২ জুলাই ১৯৪৭ চনত
ফ্ৰান্সত টকাক কি বুলি কোৱা হয়?
* ফ্ৰেংক।
বিশ্বৰ কোনখন দেশত অকল পুৰুষ আছে?
* বেটংকন চিটি (ইউৰোপ) জনসংখ্যা ১০০০জন।
শ্বেক্সপীয়েৰৰ ছদ্মনাম কি?
* ৰাৰ্ড অৱ অভন




# মা


মিছ. শ্বামিমা খাতুন, উঃ মাঃ দ্বিতীয় বৰ্ষ

'মা'শব্দটো যে কিমান মধুৰ
মা বুলি মাতিলে হিয়া পৰে জুৰ।
বিপদত পৰি আমি মাতো মা বুলি
ৰাতিপুৱা মা মা মাতো হাত মেলি।
মা নিৰন্তৰ, উজুতি খালেও মুখত মা
মাতে নাশ হয় সকলো যন্ত্ৰনা দুখৰ
খোপ খাই সৰ মা তোমাৰ কোলাত।
মা অন্যন্যা, অনুপমা।

# তোমাকেই কিয় ভাল পাব লাগে মই

আবু হানিফ, স্নাতক প্ৰথম বৰ্ষ

মোক ঘৃণা কৰা তুমি
অথচ তোমাক পাহৰাৰ চেষ্টাতো
থাকে মৰম অমল ভৈৰব
মোৰ নিজা বুলিবলৈ একোৱেই নাই
আবেগ-অনুভূতি, স্বপ্ন সৱতেই তুমি
বাৰু কোৱাচোন ... মোৰ চকুলৈ চাই
লাগিলে খণ্ডতেই কোৱা
পাহৰো বুলিও বাৰে বাৰে কিয়
তোমাকেই ভাল পাই পেলাওঁ মই।



ভাৰত প্ৰথম মহিলা কলেজ ক'ত স্থাপিত হৈছিল ? উ বেথুন কলেজ, কলিকতা।
কোন দেশত কৰ নাই সৈন্য নাই আৰু পুলিচ নাই ? উ এণ্ডোৰাত।
কোনে ১৭ বছৰ বয়সত পৃথিৱী ভ্ৰমণ কৰিছিল ? উ ইংলেণ্ডৰ ওয়েণ্ডি বেনিয়ো।
প্ৰথমে ক'ত চহৰৰ প্ৰচলন হৈছিল ? উ চীন দেশত।
ভাৰতৰ প্ৰথম মহিলা ৰাজ্যপাল কোন ? উ সৰোজনী নাইডু (U.P. 1947 - 49)

সংগ্ৰাহিকাঃ মিছ্. ৰেজুৱানা বেগম, উঃ মাঃ ২য় বৰ্ষ





# ৰগৰ

................................ এছমিনা খাতুন, স্নাতক ১ম বৰ্ষ।

- গজেন, তই কচোন আকবৰ কোন?

ঃ নাজানো চাৰ।

- অ'ই গৰু, কিতাপ পত্ৰৰ ফালে অলপ নজৰ দিবি। তেতিয়াহে গম পাবি আকবৰ কোন।

ঃ চাৰ আপুনি কওকচোন ৰাজীৱ কোন?

- মই নাজানো।

ঃ অলপ নিজৰ জীয়েকৰ ফালে নজৰ দিব চাৰ, তেতিয়াহে গম পাব ৰাজীৱ কোন।

ooooooooo

- তোক ইমান দিন ধৰি অঙ্ক শিকাইছো, তই আজিল্লকে দহৰ বেছিগনিবলৈকে নিশিকিলি।

ডাঙৰ হৈ তই কি কৰিবি অ'ই মূৰ্খ?

ঃ বস্কিঙৰ ৰেফাৰী হ'ম চাৰ। দেউতাই কৈছে এই খেলত দহতকৈ বেছি গনিব নালাগে।


গুৱাহাটীৰ পৰা প্ৰকাশিত **ৰেঙনি**ৰ নৱবৰ্ষৰ সংখ্যাটো সংগ্ৰহ কৰিলেনে
**ৰেঙনি**ৰ এই সংখ্যাত পঢ়িবলৈ পাব—
* আমাৰ প্ৰতিনিধি আমাৰ বিধানসভা সমষ্টিৰ সমস্যা শিতানতঃ
ঃ ৩৩ নং বিজনী বিধানসভা সমষ্টিৰ বিধায়ক কমল সিং নাৰ্জাৰিৰ বিশেষ সাক্ষাতকাৰ।
* প্ৰেমৰ মৌ লিখা শব্দৰ গুনগুননিৰ প্ৰতিষ্টিত কবি তথা লেখিকা ড০ মৰমী বৰঠাকুৰ তালুকদাৰৰ - প্ৰেমৰ কথা।
* অভিনেত্ৰী জেৰিফা ৱাহিদ আৰু চন্দনা শৰ্মাৰ মনৰ খবৰৰ লগতে গল্প, কবিতা, প্ৰবন্ধৰে সজোৱা হৈছে নৱবৰ্ষৰ এই সংখ্যা।

শ্ৰদ্ধাৰে -
**হিমাংশু দাস**
কাৰ্যবাহী সম্পাদক, **ৰেঙনি**

শ্ৰদ্ধাৰে -
**ভাস্কৰজ্যোতি কলিতা**
সম্পাদক, **ৰেঙনি**

EPITOME
An ISO 9001:2008 Certified Institution
Admission Open :
Computer Softweve, Hardwere & Networking Courses
3 Months Courses Are :
Certificate in Computer Application, Diploma in Computer Application, DTP, Tally , Samart Accountant
4 Months Courses Are :
SWIFT, GYAN, DICA&M, PGDCH&N
1-2 Years Courses Are :
PGDCA, PGDCE, MDCHE, PGDCA(V3)
ALL COURSES ARE AVAILABLE
EPITOME
No.1 Education Institution of North-East
Nagaon Centre:A.T. Road,Natun Bazar, Nagaon
Contact:- 9854059170

Cyber.Inn
Todays the most essential part of education. So, you Increase your computer knowledge after the examinition with very comfortable fees. Everutime, Everywhere Cyber.Inn. help you for your carrier.
Our Long term Courses Are:- CIC (3 Months), Accounting (3 Months), Autocad (3 Months), DCA (6Months), DTP (6 Months), DOA (6Months), DFA (6 Months), DTA (6 Months), DIH&N (6 Months), ADCA (1 Yr.), PGDCA (1Yr.), BBa, BCA
Our Short term Courses Are:- MS-Office (2 Months), C & C+ (1 Months), Jav (2 Months), Visual Basic( 2 Months), Linux (1 Months), Oracle (2 Months)
N.B. - One Computer/ One Student
We Also Provide The University Courses
Two Month Course Of Spoken English & Group Discussion
1st Floor Of Alampana Building, M.D. Road,
(Near Nagaon College), Nagaon - 01 (Assam)
Call : 99542-13061



# শৈক্ষিক আৰু ব্যৱস্থাপনা বিভাগ



বাওঁফালৰ পৰা (বহি থকা) ঃ
অধ্যাপক আব্দুছ ছবুৰ, অধ্যাপিকা বন্দনা বৰা, অধ্যাপিকা মৌটুমী চক্ৰৱৰ্তী, অধ্যাপিকা ওৱাহিদা আহমেদ, অধ্যাপিকা নাজনিন খবিৰ হাজৰিকা (ভাঃ অধ্যক্ষা), অধ্যাপিকা বৰ্ণালী শৰ্মা, অধ্যাপিকা সীমা মহান্তী, অধ্যাপিকা ফিৰদৌছি বেগম, অধ্যাপক নুৰুল হক, অধ্যাপক নুৰ আহমেদ।
বাওঁফালৰ পৰা (থিয় হৈ থকা) ঃ
অধ্যাপক আবুল কাছেম শ্বেইখ, আব্দুল জলিল (গ্ৰন্থাগাৰিক), অধ্যাপক আজিজুল হক, অধ্যাপক প্ৰবীৰ কুমাৰ পাণিগ্ৰাহী, অধ্যাপক ইকবাল হুছেইন, আফাজ উদ্দিন (কাৰ্যালয় মুখ্য সহায়ক), অধ্যাপক নুৰ মহম্মদ, আবুল হুছেইন (চতুৰ্থ বৰ্গৰ কৰ্মচাৰী)।



বাওঁফালৰ পৰা ঃ
আবুল হুছেইন, সুশান্ত পাল, নুৰ মহম্মদ, ফখৰুল ইছলাম, নাজনিন খবিৰ হাজৰিকা (ভাৰপ্ৰাপ্ত অধ্যক্ষা), আফাজ উদ্দিন, আব্দুল মালেক, আব্দুল জলিল (গ্ৰন্থাগাৰিক), সঞ্জয় মল্লিক, আব্দুল হাই।

# আলোচনী সম্পাদনা সমিতি



বাওফালৰ পৰা (বহি) - অধ্যাপিকা বন্দনা বৰা, অধ্যাপিকা সীমা মহান্তি,
অধ্যাপিকা বৰ্ণালী শৰ্মা (আঃ বিঃ তত্ত্বাৱধায়িকা), অধ্যাপিকা নাজনিন খবিৰ হাজৰিকা (ভাৰপ্ৰাপ্ত অধ্যক্ষ)
অধ্যাপক আজিজুল হক, অধ্যাপক প্ৰবীৰ কুমাৰ পাণিগ্ৰাহী।
থিয়হৈ - এম. আবু হানিফা (সম্পাদক - আলোচনী বিভাগ)।



২০১০-১১ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সদস্য / সদস্যা সকল।








প্ৰাচীৰ পত্ৰিকা
'দীপশিখা'
উন্মোচনৰ
এটা মূহুৰ্ত

ৰাষ্ট্ৰীয় সেৱা যোজনা
বিভাগৰ সম্পাদক আৰু
তত্ত্বাৱধায়কৰ সৈতে
আলোচনীবিভাগৰ সম্পাদক





প্ৰথমবাৰৰ বাবে
জিলা পৰ্যায়ত
খেলা
মহাবিদ্যালয়খনৰ
প্ৰথম ফুটবল
খেলুৱৈৰ দলটো